1947
2007

মার্চ 2008 ■ Rs.15 /-

চান্দমামা



PARLE
Ram and Shyam
Winning the De-Colouriser
যুঁম যুঁম যুঁম... পপিন্স!
POPPINS
ৰাম আৰু শ্যামে এদিন পাৰ্কত খেলি থাকোতে হঠাতে এটা আচৰিত ধৰণৰ বিকট শব্দ শুনা পালে। মানুহবোৰ যেনিয়ে-তেনিয়ে পালোৱা দেখা গ'ল।
বনৰীয়া জন্তুবোৰক কোনোবাই খুলি দিলেনেকি?
NATIONAL PARK
কি হৈছে চাওঁ আহাঁচোন!
চোৱা সেই কেইটা কি লাইট, তাতযে লৰচৰ কৰি আছে।
চুচচুপ
হেঃ হেঃ 100 টা আলোকবৰ্ষ পাৰ হৈ আহি, অৱশেষত তোমাক মই ফান্দত পেলালোহি। এতিয়া দিয়া সেই ডিকালাৰাইজাৰটো, নহলে...
সেই ডাঙৰ ক'লা প্ৰাণীটোৱে অকণমানিটোক মাৰি পেলাব যেন লাগিছে।
আমি তাক সহায় কৰিব লাগিব।
ৰামে বহিৰ্জগতৰ ডাঙৰ প্ৰাণীটোলৈ শিলগুটি দলিয়াই তাৰ মনোযোগ আনফালে নিব ধৰিলে।
ঘৰ্ৰৰ্ৰৰ্...
সেই ছেগাত শ্যামে ততালিকে কণমানি প্ৰাণীটোক মুকলি কৰি দিলে। প্ৰায় অচেতন আৰু বৰ্ণহীন হৈ পৰা প্ৰাণীটোক সি পপিন্স খোৱাই দিলে।
আৰু লাগ লাগ...
ধন্যবাদ বন্ধু! এতিয়া মই তাক ঠিক কৰিম।
যেই বহিৰ্জগতৰ চয়তানটো ওচৰ চাপি আহিল, এটা আচৰিত আহিলা উলিয়াই ভালটোৱে তাক আঘাত সানিব ধৰিলে। আৰু...
ৰাম আৰু শ্যামে চয়তানটোক বন্ধাত বহিৰ্জগতৰ ভালটোক সহায় কৰি দিলে।
ধন্যবাদ নতুন বন্ধুহঁত, তোমালোকে মোক অমূল্য পপিন্স খোৱাই দি দুৰ্বৃত্তৰ পৰা এটা তাৰকামণ্ডল ৰক্ষা কৰিলা।
অনুগ্ৰহ কৰি এই ডিকালাৰাইজাৰটো লোৱা, ই যিকোনো বদমাছৰে কালাৰ আৰু শক্তি শেষ কৰি দিব।
ৰাম, শ্যাম আৰু বহিৰ্জগতৰ প্ৰাণীটোৱে পপিন্সৰ জুতি লব ধৰিলে।
PARLE POPPINS
GOLI RAINBOW WALI

CALL IT A MAGAZINE PLUS!

Junior CHANDAMAMA

MUCH MORE THAN A MAGAZINE FOR TINY-TOTS – TO KINDLE YOUR YOUNG ONE'S IMAGINATION



The young and the old react thus:

The info-park pages are very useful as they help us to know various facts about different topics. (January 2008)
- S. Athreya Uppili (8), Bangalore

The page for Parents and Teachers is a wonderful addition to the unique **Junior Chandamama.** Very often, I see my son poring over the pages when he runs to me for a meaning, explanation or clarification. (January 2008)
- Kamaljit Arora, Chandigarh

For your gift subscriptions, send the coupon below along with the remittances.

Name of child .... Age .... Class .... School ....

Home Address ....

.... Pin Code ....

Please enter 1 year subscription (12 issues delivered at door) for Rs. 170/-

DD / Cheque* No.............. on.............. Bank for Rs.............. enclosed.

* Add Rs. 90/- on outstation cheques.

M.O. for Rs. 170 sent from .... Post Office Receipt No. .... Date ....

Cheque / DD / MO in favour of **Chandamama India Ltd.**
Mail to : **Chandamama India Ltd.,** JVL Plaza, 6th Floor, 626, Anna Salai, Teynampet
Chennai - 600 018. Note : Allow 4 weeks for the first copy to arrive by post.

Date **Signature**

চান্দমামা বৰ্ষ ৩২ মাৰ্চ ২০০৮ সংখ্যা-৩

বিশেষ আকৰ্ষণ

চাবি কাৰ্যদক্ষ (বেতাল কাহিনী)...১৯

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা–৬ ...৩৬

বিহাৰৰ এটা লোককাহিনী ...৪৪

ৰামায়ণ ... ৫৭

সম্পাদকীয়
বি.নাগি ৰেড্ডী
আৰু চক্ৰপানি

অমৰ বাণী

দেৱতাসকলে ক্ষীৰ সাগৰৰ ৰত্নৰদ্বাৰা তৃপ্ত নহৈ, হলাহল বিহলৈ ভয় নকৰি, অমৃত নোপোৱালৈকে চেষ্টা কৰি গ'ল, সেইদৰে সাহসী ব্যক্তিয়ে নিজৰ ইচ্ছা পূৰা নোহোৱালৈকে চেষ্টা কেতিয়াও এৰি নিদিয়ে।

এই সংখ্যাত আছে

★ পঢুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
★ পৰশবিদ্যা ...০৭
★ তুলসী ...১১
★ ভয়ংকৰ ঘাটী-২৯ ...১৩
★ বিচিত্ৰ ভাৰত ...২৯
★ মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-৯ ...২৬
★ সংবাদ বিচিত্ৰা ...২৯
★ মাজ নিশা ...৩০
★ মহান লোকৰ জীৱনৰ শিক্ষণীয় দিশ-২৭ ...৩৪
★ সেই আচৰিত উদ্ভিদ ...৪০
★ চান্দমামা কুইজ-২ ...৪৩
★ ভগৱানক দিয়া সুযোগ ...৪৮
★ বীৰবলৰ কাহিনী-৭ ...৪৯
★ সময়ৰ পৰীক্ষাত উত্তীৰ্ণ অলিম্পিক ...৫৩
★ জাতক কাহিনী ...৫৪
★ গাখীৰৰ বেপাৰ ...৬৩
★ অপৰাজেয় গৰুড়-২৪ ...৬৭
★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৭১
★ বাতৰিৰ শিৰোণামাত শিশু...৭২
★ জানো আহাঁ নানা কথা ...৭৩
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

পৃথিৱীয়ে হাঁহাকাৰ কৰিছে পানীৰ বাবে

পৃথিৱীৰ কেৱল এক তৃতীয়াংশহে মাটি, বাকী দুভাগেই হ'ল মহাসাগৰ, সাগৰ, নদ নদী, হ্ৰদ, বিল, পুখুৰী আৰু কুঁৱাত থকা পানী। ইয়াৰ পাছতো পানীৰ অভাৱ হোৱা বুলি শুনিলে আচৰিত হোৱাৰে কথা। তোমালোকে শুনি আচৰিত হ'বা বিশ্বত নিৰ্মল, নিৰাপদ খোৱা পানীৰ অভাৱত প্ৰতিদিনে প্ৰায় ৪৫০০ শিশুৰ মৃত্যু হয়। পৰিসংখ্যাৰপৰা জনা যায়, চাৰি বছৰৰ আগতে ২০০৪ চনত বিশ্বত নিৰাপদ খোৱাপানীৰ অভাৱত প্ৰায় ২,২০০,০০০ লোকৰ মৃত্যু হৈছিল আৰু ইয়াৰে ৯০ শতাংশই হ'ল পাঁচ বছৰৰ তলৰ শিশু। সৌভাগ্যৰ কথা এয়ে যে সাম্প্ৰতিক কালত মানুহে এই সংকটৰ কথা লৈ আৰু কেনেকৈ ইয়াক সমাধান কৰিব পাৰি এই লৈ চিন্তা কৰিবলৈ লৈছে। এটা প্ৰাকৃতিক কাৰণ হ'ল গ্লবেল ৱাৰ্মিঙৰ ফলত পৰ্বতত থকা বৰফ গলিবলৈ লৈছে যিবোৰ হ'ল নদীৰ পানীৰ উৎস। ১৯৭৫ চনৰ ভিতৰত পৰ্বতত থকা বৰফৰ আয়তন আধা কমি গৈছিল। ১৯৭৫ ৰপৰা ২০০০ চনৰ ভিতৰত ২৫ শতাংশ বৰফ গলিছিল; আৰু তেতিয়াৰেপৰা আজিলৈকে ১০ ৰপৰা ১৫ শতাংশলৈকে বৰফ গলিছে। তোমালোকে বাৰু বিশ্বাস কৰিবানে যে গঙ্গা, নাইল, আৰু নাইজাৰৰ দৰে নদী এদিন শুকাই যাব পাৰে বুলি? গ্লৱেল ৱাৰ্মিঙৰ বাবে অৱশ্যে মানুহেই দায়ী, জধে মধে গছ কটা, অমূল্য পানীৰ অপব্যয় কৰা, নিৰাপদ পানীৰ নভবা নিচিন্তাকৈ কৰা প্ৰদূষণ আৰু আন বিভিন্ন কামৰদ্বাৰা প্ৰকৃতিক মানুহে কৰা অসন্মানেই ইয়াৰ বাবে দায়ী।

তোমালোকে জানানে বাৰু বেছিভাগ ভাৰতীয় গাঁৱতেই ঘৰৰপৰা মাইলৰ পিছত মাইল গৈ পানী অনাৰ কামত ল'ৰা ছোৱালীয়ে মাকক সহায় কৰিবলগীয়া হয়। তাৰফলত তেওঁলোক শিক্ষাৰপৰা বঞ্চিত হয় আৰু জীৱনৰ যিটো সময়ত হাঁহি ধেমালিৰ মাজেদি জীৱন পাৰ কৰা উচিত সেই সময়তে তেওঁলোক সকলো ধৰণৰ বিনোদনৰপৰা বঞ্চিত হয়।

পানীৰ এই সমস্যাৰ সমাধানৰ গুৰুত্ব অসীম। এতিয়াও সময় আছে, নতুন প্ৰজন্মই আজি এই উদ্দেশ্যে এটা আন্দোলন আৰম্ভ কৰিব লাগিব। ২২ মাৰ্চৰ বিশ্ব জল দিৱসৰ দিনাই ইয়াৰ সূচনা হওক।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.com

চান্দমামা

Editor, Publisher : B. Viswanatha Reddi (Viswam)
Chief Executive Officer : L. Subramanyan
Editorial Advisors : Ruskin Bond, Manoj Das
Consultant Editor : K. Ramakrishnan
Artists: K.C. Sivasankaran (Sankar)
Gandhi Ayya, P. Mahesh
Layout Design: R. Sudha
Assistants: D. Revathy, B.A. Hemalata Malini
Research : R. Vaasugi

CIRCULATION TEAM :
Chennai : **T N Ravi Shankar, *National Sales Manager***
Mobile +9199620 70014
email: ravishankar.tn@chandamama.com
Mumbai : **Sanjay Thorat, *Business Development Manager***
Mobile +91 98210 17787
CHANDAMAMA INDIA LTD., B-3, Lunic Industry
Opp. State Bank of India, Near Police Station Cross Road
No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email: sanjay.thorat@chandamama.com
New Delhi : **Sushil Sharma, *Circulation Manager-North***
Mobile +91 98719 30767
CHANDAMAMA INDIA LTD., Goyal Business Centre,
C-23/2 First floor, Connaught Place, New Delhi-110001
Bangalore : **P. Murali, *Asst. Circulation Manager - Karnataka***
Mobile +91 94488 36952
CHANDAMAMA INDIA LTD., 18, 10th Cross, Mayura Street
Papanna Lay Out, Outer Ring Road, RMV 2nd Stage
Bangalore-560094, Phone +91 80 6655 1000
email:murali.p@chandamama.com
Kolkata : **Ananth Prakash, *Circulation Manager-East***
Mobile +91 98351 82202
email : ananth.prakash@chandamama.com
Advertisement : email : sales@chandamama.com
Online and Interactive : **Surajit Agarwal**
Mobile +91 99620 70015
email: surajit.agarwal@chandamama.com
Head Office : **CHANDAMAMA INDIA LTD.,**
JVL Plaza, Block-A, 6th Floor, 626, Anna Salai, Teynampet
CHENNAI-600018, Phone +91 44 2432 2101/02,
Fax +91 44 2432 2103
email : chandamama@chandamama.com
Website : www.chandamama.com

শুল্ক :

ভাৰতত বুক প'ষ্টৰদ্বাৰা বাৰটা সংখ্যা ১৮০ টকাত। এই ধনৰাশি **'চান্দমামা ইণ্ডিয়া লিমিটেডৰ'** নামত ডিমাণ্ড ড্ৰাফ্ট বা মণি অৰ্ডাৰ হিচাপে পঠিয়াওক।

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

পুৰস্কৃত পত্ৰ

বহুদিন ধৰি মই *চান্দমামাৰ* পাঠক। নিজৰ ভৰিত থিয় দিবৰেপৰা মই মোৰ কাষত *চান্দমামা* পাই আহিছো। আজি মোৰ বয়স ৫৫ বছৰ, কিন্তু আজিও *চান্দমামা* পঢ়িলে মই সেই ৫০ বছৰৰ আগৰ আনন্দই পাওঁ। *চান্দমামা* নামটো ইমানেই সঠিক, ইমানেই স্থায়ী যে পৃথিৱীত এনেকুৱা সম্ভৱ কোনো আলোচনী নাই যাৰ ইমান অনন্য নাম আছে।

চান্দমামা শব্দটোৰ সম্পৰ্ক আছে চন্দ্ৰ আৰু মামাৰ লগত। দুয়োটা শব্দই শিশুৰ প্ৰিয়। ককা আইতায়ো প্ৰায়েই চন্দ্ৰ আৰু মামাৰ সৈতে সম্পৰ্ক থকা বা তেওঁলোকৰ চৌদিশে ঘটা ঘটনাৰ কাহিনী কৈ শুনায়, সেয়েহে *চান্দমামাৰ* নামটো খুবেই উপযুক্ত হৈছে।

চান্দমামাৰ সবাতোকৈ উজ্জ্বল আৰু শক্তিশালী অস্ত্ৰ হৈছে ইয়াৰ ভাষা। ইয়াত প্ৰকাশিত কাহিনীৰ সৈতে থকা চিত্ৰসমূহৰ কিবা এটা মায়াবী শক্তি আছে।

চান্দমামা পঢ়ি বা ইয়াৰ চিত্ৰবোৰ চাই কিবা এক মায়ালোকত প্ৰবেশ কৰা যেন লাগে।

বৰ্তমান প্ৰকাশ পাই থকা ভয়ংকৰ ঘাটীৰ দৰে ধাৰাবাহিক কাহিনী, ৰামায়ণ বা ২৫ বছৰৰ পূৰ্বে *চান্দমামাত* প্ৰকাশ হোৱা কাহিনী এই আটাইবোৰৰ লগতে চান্দমামাৰ প্ৰাণ লুকাই থাকে বিক্ৰম আৰু বেতাল কাহিনীত।

চান্দমামাৰ বয়স এতিয়া ৬০ৰ ঘৰত চলি আছে, কিন্তু ইয়াৰ জনপ্ৰিয়তা অলপো কমা নাই। মই আজীৱন এই চান্দমামা পঢ়ি যাম।

- ঔম উপাধ্যায়, ভূপাল

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

পৰশবিদ্যা

ভূষণ আৰু ভাগৰীৰ একমাত্ৰ সন্তান আছিল চন্দ্ৰ। তেওঁ কেৱল বুদ্ধিয়কেই নহয়, খুব ৰঙিয়াল আছিল। দেউতাক ভূষণৰ কাপোৰৰ ব্যৱসায় আছিল। চহৰত তেওঁৰ ভাল নাম আছিল। তেওঁ ব্যৱসায়ত এনেকুৱা কিছুমান ভুল সিদ্ধান্ত লৈছিল যাৰ ফলত ধন বহুত কমি গৈছিল। ব্যৱসায় বেয়া হৈ অহাত এটা সময়ত তেওঁ সৰ্বস্ব হেৰুৱাইছিল। চিন্তাগ্ৰস্ত হৈ ভূষণ টান নৰিয়াত পৰিছিল আৰু দুবছৰৰ ভিতৰতে তেওঁৰ মৃত্যু হৈছিল। দেউতাকৰ অলপ অচৰপ সম্পত্তি বিক্ৰী কৰি চন্দ্ৰই দেউতাকৰ ঋণ পৰিশোধ কৰিছিল। জীয়াই থকাৰ আন উপায় নথকাত ভাগৰীয়ে আনৰ ঘৰত সৰা মোচা কৰা আৰু বাচন বৰ্তন ধোৱাৰ কাম কৰিবলৈ লৈছিল। পুতেকক ভালকৈ পঢ়াই শুনাই ডাঙৰ মানুহ কৰাৰ তেওঁৰ তীব্ৰ বাসনা আছিল। পোন্ধৰ বছৰ বয়সত ভৰি দিয়াৰ পাছত চন্দ্ৰই মাকে বেলেগৰ ঘৰত কাম কৰাৰ কথাটো মুঠেই ভাল নোপোৱা হ'ল।

কথাটো লৈ চন্দ্ৰই প্ৰায়েই মাকৰ লগত কাজিয়া কৰিবলৈ ধৰিলে। ইয়াক লৈ ভাগৰীৰো মনটো অশান্তি হৈ আছিল। দেউতাক নাই, এটা সন্মানৰ জীৱন যাপন কৰিবলৈ হাতত ধন নাই, এই কথাটো লৈ চন্দ্ৰই অনবৰতে চিন্তা কৰি থাকিবলৈ ধৰিলে। এই চিন্তাতে তাৰ খঙও বাঢ়ি গৈছিল আৰু সৰু কথাতে মাকৰ লগত তৰ্ক কৰিবলৈ লৈছিল। সদায়ে চন্দ্ৰৰ এটাই চিন্তা আছিল কেনেকৈ সোনকালে ধনী হৈ এটা অভাৱহীন জীৱন কটাব পৰা যায়। চন্দ্ৰই ধনী হোৱাৰ উপায় বিচাৰিবলৈ ধৰিলে।

কিছুমান মানুহৰ মুখত চন্দ্ৰই শুনিছিল যে লোহা, পিতলৰ দৰে ধাতু যন্ত্ৰদ্বাৰা সোণলৈ সলনি কৰিব পাৰি আৰু এই বিদ্যাক পৰশবিদ্যা বোলা হয়। মানুহৰ মুখত চন্দ্ৰই

বিশাল গাৰ্গী

অনুচিত। সেইসকলৰ কথা শুনিও চন্দ্ৰৰ চিন্তালৈ কোনো পৰিৱৰ্ত্তন অহা নাছিল। পুতেকৰ মূৰত কি ভূত সোমাইছে আৰু তাৰ ব্যৱহাৰত কিয় এনে পৰিৱৰ্ত্তন আহিছে সেই কথা মাক ভাগৰীয়েও বুজি পোৱা নাছিল।

এদিন ৰাতি চন্দ্ৰক খাবলৈ দি মাকে সুধিলে, "শিক্ষক মহোদয় কৈছে তুমি হেনো আজি স্কুললৈ যোৱা নাই। ক'লৈ গৈছিলা?"

চন্দ্ৰই একো নমতাত মাকে দুনাই প্ৰশ্নটো সুধিলে। তাতে খং উঠি একো নোখাৱাকৈ চন্দ্ৰ উঠি আহিল। বেচেৰী ভাগৰীয়ে বৰ দুখ পালে। মাকে আৰু একো ক'ব নোৱাৰিলে।

ঘৰৰপৰা ওলাই আহি চন্দ্ৰ কিছু সময় ইফালে সিফালে ঘূৰি ফুৰি শেষত গ্ৰাম দেৱীৰ মন্দিৰৰ চৌহদত আহি শুই থাকিলহি। মাজনিশা কোনোবাই কথা পতা শুনি চন্দ্ৰ উঠি বহিল। চন্দ্ৰই দেখিলে এজন সাধুৱে পদ্মাসনত বহি কিছুমান মন্ত্ৰ উচ্চাৰণ কৰি আছে। লাহেকৈ উঠি গৈ চন্দ্ৰই তেওঁৰ কাষতে বহি ল'লেগৈ।

চকু মেলি সাধুৱে সুধিলে, "তুমি চন্দ্ৰ নহয় জানো?" তাৰপাছত তেওঁ চন্দ্ৰৰ বিষয়ে সকলো কথা ক'লে। চন্দ্ৰ আচৰিত হ'ল। ইয়াৰ আগতে আন আন সাধুক সোধাৰ দৰে এইজন সাধুকো চন্দ্ৰই সুধিলে, "আপুনি বাৰু পৰশবিদ্যা জানে নেকি?"

'হয়'ৰ ভাবত সাধুৱে মূৰ দুপিয়ালে। চন্দ্ৰ বৰ আচৰিত হ'ল। বৈৰাগীক মিনতি কৰিলে, "মইয়ো আপোনাৰ লগতে যাম, আপুনি বাৰু মোক এই বিদ্যা শিকাই দিবনে?"

বৈৰাগীয়ে ক'লে, "পুত্ৰ চন্দ্ৰ, পৰশৰ অৰ্থ হ'ল ৰস শিলা। তাৰে স্পৰ্শ কৰিলে যিকোনো

এইবুলিও শুনিছিল যে কেৱল বৈৰাগী আৰু যোগীয়েহে এই বিদ্যা আয়ত্ব কৰিব পাৰে। চন্দ্ৰই ঠিক কৰিলে যেনে তেনে এই বিদ্যা আয়ত্ব কৰি ধনী হ'ব লাগিব। কথাটো লৈ তেওঁ সদায়ে চিন্তা কৰিবলৈ ধৰিলে।

তেতিয়াৰেপৰা চহৰলৈ কোনোবা বৈৰাগী আহিলে চন্দ্ৰ তেওঁৰ পিছে পিছে ঘূৰা হ'ল। চহৰলৈ অহা প্ৰতিজন বৈৰাগীয়ে চন্দ্ৰক এই কথা স্পষ্টকৈ জনাই দিছিল যে তেওঁ এই বিদ্যা নাজানে। তেওঁলোকে লগতে চন্দ্ৰক এইবুলিও কৈছিল যে তেওঁলোকে যিহেতু জীৱনত সৰ্বস্ব ত্যাগ কৰিছেই গতিকে তেওঁলোকৰ সোণৰ কোনো প্ৰয়োজন নাই। কেইজনমান বৈৰাগীয়ে এইবুলিও কৈছিল যে এনেকুৱা কোনো বিদ্যা নাই। তেওঁলোকে ওলোটাই চন্দ্ৰক গালিহে পাৰিছিল। কৈছিল যে সৰু ল'ৰাই এইবোৰ কথালৈ মন দিয়া

ধাতু সোণলৈ পৰিৱৰ্ত্তিত হয়। পৰশবিদ্যা হ'ল এই শিলৰ সৈতে সম্পৰ্ক থকা বিদ্যা। ই বৰ ৰহস্যময়। এইটো মই তোমাক দেখুৱাই দিয়াত মোৰ আপত্তি নাই, কিন্তু..."এইবুলি কৈল তেওঁ ৰৈ গ'ল।

"ৰৈ গ'ল কিয় স্বামী," চন্দ্ৰই সুধিলে।

"এই বিদ্যা শিকিবলৈ অপাৰ জ্ঞান আৰু আগ্ৰহ লাগিব। বহুত কষ্ট কৰিব লাগিব," সাধুৱে ক'লে।

"তাৰ বাবে মই কি কৰিব লাগিব? অনুগ্ৰহ কৰি কওক।" চন্দ্ৰই সুধিলে।

"জ্ঞান লাভ কৰিবলৈ খুব পঢ়া। সেই কথাতে তোমাৰ ধ্যান কেন্দ্ৰীভূত কৰা। যি ভাল সুযোগেই নাহক কিয়, তুমি তাৰ সদব্যৱহাৰ কৰা। আনৰ তুলনাত নিজকে কম বুলি নাভাবিবা। তোমাৰ মায়ে তোমাৰ বাবেই হাড়ভগা পৰিশ্ৰম কৰিছে। তেওঁক সহায় কৰি থাকিবা। এই বিদ্যা শিকিবলৈ যাওঁতে বহুত কষ্টৰ মুখামুখি হ'ব লাগিব, সেয়েহে নিজৰ শৰীৰ শক্তিশালী কৰা। অনুশাসন পালন কৰা। যেতিয়া মই আশ্বস্ত হ'ম যে তুমি যোগ্য হৈ উঠিছা তেতিয়াই মই তোমাক মোৰ লগত লৈ যাম আৰু পৰশবিদ্যা শিকাই দিম," এইবুলি কৈ সাধু গুচি গ'লগৈ।

এতিয়া চন্দ্ৰই এটা সিদ্ধান্ত কৰিলে। মাক অহাৰ লগে লগে সি স্কুললৈ যাবলৈ সাজু হ'ল। ভাগিনীয়ে পুতেকৰ এই পৰিৱৰ্ত্তন দেখি বৰ আনন্দ পালে। প্ৰথমতে এনেকুৱা কৰিবলৈ যাওঁতে চন্দ্ৰৰ কষ্ট হৈছিল, কিন্তু লাহে তাৰ পঢ়াত মন বহিবলৈ ধৰিলে। এতিয়া সি পঢ়া শুনাতেই নিজৰ মন প্ৰাণ ঢালি দিলে। মাক, শিক্ষক, সহপাঠী সকলোৱে চন্দ্ৰৰ খুব প্ৰশংসা কৰিবলৈ ধৰিলে। মনোযোগ দিলে স্বশক্তিৰে সকলো কাম কৰিব



পৰা যায়, এই আত্মবিশ্বাস তাৰ বাঢ়ি আহিল। তাক এতিয়া সুখী দেখা গ'ল।

এবছৰৰ ভিতৰতে সাধু এদিন চন্দ্ৰৰ ঘৰলৈ আহিল। তেওঁ ক'লে, "চন্দ্ৰ, ব'লা মোৰ লগত, পৰশবিদ্যা শিকাই দিম।"

"এতিয়া মোৰ পৰশবিদ্যা শিকিবলৈ আগ্ৰহ নোহোৱা হৈছে," চন্দ্ৰই ক'লে।

কিন্তু সাধুৱে ক'লে, "ইমানদিনে মই তোমাৰ অপেক্ষাতেই আছো। এতিয়া যাবলৈ অস্বীকাৰ কৰিলে কেনেকৈ হ'ব?"

"ক্ষমা কৰিব মই যাব নোৱাৰিম," চন্দ্ৰই দৃঢ়তাৰে ক'লে। মিচিকিয়া হাঁহি মাৰি সাধুৱে ক'লে, "পুত্ৰ চন্দ্ৰ, বিদ্যাৰ প্ৰতি তোমাৰ শ্ৰদ্ধা খুব বাঢ়ি গৈছে। আত্মবিশ্বাস বাঢ়িছে। সেইকাৰণেই তুমি পৰশবিদ্যা শিকিবলৈ অস্বীকাৰ কৰিছো। তোমাৰ এনেকুৱা পৰিৱৰ্তন অহাটোৱেই মই কামনা কৰিছিলো। বিদ্যাতকৈ ডাঙৰ ধন আন একোৱেই নাই। নিজৰ শক্তিৰে সাধন কৰা কাৰ্য অমূল্য। প্ৰতিজন মানুহৰে সাধাৰণ ধাতুৰ দৰে কিমান যে শক্তি আছে, যিটো বাহিৰলৈ ওলাই নাহে। এইবোৰৰ ভিতৰত ভাল শক্তিখিনি আমি বাচি উলিয়াব লাগিব। আন্ধাৰতো জিলিকা থকা সোণৰ দৰে আমি এইবোৰ কামত লগাব লাগিব। আগ্ৰহ, একাগ্ৰতা, থাকিলে সকলো কৰিব পাৰি। মই সেইটো পৰশবিদ্যাই জানো। মই তোমাৰ দেউতাৰাৰ বাল্য বন্ধু আৰু তোমাৰ এইখিনি পৰিৱৰ্তন অহাটো মই কামনা কৰিছিলো। তোমাৰ দেউতাৰ জীয়াই থাকোতে যিসকল মানুহক সহায় কৰিছিল, তাৰ ভিতৰত ময়ো এজন। তাৰবাবে মই তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। দুবছৰ ধৰি মই তোমাৰ ব্যৱহাৰ শৈলী দেখি আহিছো। তোমাক সঠিক পথলৈ অনাটো মোৰ দায়িত্ব আছিল আৰু সেই দায়িত্ব পালন কৰিবলৈকে মই সাধুৰ ৰূপ ধৰিলো।" এইবুলি কৈ তেওঁ নিজৰ নকলী দাড়ি খুলি পেলালে।

চন্দ্ৰই আচৰিত হৈ তেওঁলৈ চাই থাকোতেই মাক তালৈ আহিল আৰু নিজৰ স্বামীৰ বন্ধু নাৰায়ণৰ প্ৰতি কৃতজ্ঞতা ব্যক্ত কৰিলে, কাৰণ নাৰায়ণ তেওঁৰ পুতেকক সঠিক পথলৈ অনাত সহায় কৰিলে।

চন্দ্ৰই বুজি পালে যে কঠোৰ পৰিশ্ৰম আৰু অনুশাসনৰদ্বাৰা আৰ্জিত বিদ্যাই সেই পৰশবিদ্যা যি অভাৱগ্ৰস্ত জীৱনক সাধাৰণ ধাতুৰ সোণৰ দৰে সুখী জীৱনলৈ সলনি কৰিব পাৰে।

তুলসী

স্বামীৰ আকস্মিক মৃত্যুৰ পাছত তুলসী অসহায় হৈ পৰিল। তেওঁ নিসন্তান আছিল। নিজৰ হাতত থকা সামান্য ধনখিনি লগত লৈ তেওঁ ওচৰৰে গাঁও এখনলৈ গুচি গ'লগৈ। ৰমাপুৰ এখন সৰু গাঁও আছিল। গাঁৱৰ সোঁমাজতে এখন পাঠশালা আছিল। পাঠশালাৰ সমুখতে তেওঁ এখন সৰু দোকান খুলি ল'লে। ল'ৰা ছোৱালীয়ে ভাল পোৱা চিৰাভজা, নাৰিকল, মিঠাই আদি বস্তু বেচি তেওঁ দিন পাৰ কৰিবলৈ ধৰিলে।

তুলসীয়ে ষাঠিৰ দেওনা পাৰ কৰিছিল, চুলি বগা আছিল। কণ্ঠস্বৰো বিচিত্ৰ আছিল। তেওঁ অৱশ্যে বেছি কথাও কোৱা নাছিল।

সেইখন গাঁৱলৈ উঠি অহাৰ তিনি মাহ পাছত গাঁওখনত হাইজা বিয়পিল। ডাঙৰ আৰু ল'ৰা ছোৱালীবোৰ গ্ৰহণী আৰু জ্বৰত আক্ৰান্ত হ'বলৈ ধৰিলে। বহুত মানুহৰ মৃত্যু হ'ল। এগৰাকী বৃদ্ধা যাদুকৰে এইবুলি উৰাবাতৰি উলিয়ালে যে এই আটাইবোৰ ৰোগৰ কাৰণ হ'ল তুলসীৰ দোকান আৰু তাত বিক্ৰী কৰা খোৱা বস্তুবোৰ। আচলতে এই উৰাবাতৰিৰ আঁৰত মোতিয়াৰ হাত আছিল। পাঠশালাৰ ওচৰতে তেওঁৰো দোকান আছিল য'ত একেধৰণৰ খোৱা বস্তু বিক্ৰী কৰা হৈছিল। যেতিয়াৰেপৰা তুলসীয়ে এইবোৰ খোৱাবস্তু বেচিবলৈ ধৰিলে। তেতিয়াৰেপৰা তেওঁৰ দোকানলৈ বস্তু কিনিবলৈ কোনো নহা হ'ল, কিয়নো তুলসীয়ে বনোৱা খাদ্য বস্তু অনেক-গুণে বেছি স্বাদযুক্ত আছিল। সেয়েহে সৰু ল'ৰা ছোৱালী বোৰে কিনিছিল। মোতিয়াৰ বেপাৰ বেয়া হৈ গৈছিল। সেয়েহে তেওঁ তুলসীক গাঁৱৰপৰা খেদিব খুজিছিল।

গাঁৱৰ মানুহবোৰে গ্ৰামদেৱীৰ পূজা কৰিলে আৰু গাঁওবাসীক এই ৰোগবোৰৰ-পৰা বচাবলৈ প্ৰাৰ্থনা কৰিলে। তেতিয়া গাত দেওলগা গণাচাৰীয়ে কোৱা যেন শুনা গ'ল, "হেৰা গাঁওবাসী, তোমালোকৰ গোটেই কষ্টৰ মূলতে আছে যাদুকৰণী তুলসী। যেতিয়া-লৈকে তেওঁ এইখন গাঁৱত থাকিব, তেতিয়া-

জি.চি. জীৱি

লৈকে এই কষ্টৰ ওৰ নপৰে। প্ৰথমতে তেওঁক এইখন গাঁৱৰপৰা খেদি দিব লাগিব। এইবোৰ ৰোগৰপৰা তেতিয়া আপোনা আপুনি মুক্তি পাব।"

এই কথাখিনি বিশ্বাস কৰি মানুহবোৰ ক্ৰোধান্বিত হৈ উঠিল। তেওঁলোকে তুলসীৰ দোকানখন ধ্বংস কৰি পেলালে। দুই এজনে তেওঁৰ ওপৰত পাথৰো দলিয়ালে। তুলসীৰ মুৰৰপৰা তেজ ওলাবলৈ ধৰিলে। তথাপি তেওঁ সকলো সহি গ'ল। সেই সময়তে পাঠশালাৰ এজন যুৱক শিক্ষক তালৈ আহিল। সেই দৃশ্য দেখি তেওঁ সহি থাকিব নোৱাৰিলে। মানুহৰ মাজলৈ আহি তেওঁ সকলোকে সম্বোধি ক'বলৈ ধৰিলে, "ৰ'ব। এই কেও কিছু নোহোৱা বুঢ়ীগৰাকীক এনেকৈ অত্যাচাৰ কৰিছে কিয়? মোৰ কথাখনি মন দি শুনক।"

"তোমাৰ কথানো আমি কিয় শুনিব লাগে? যাদুকৰণী আৰু গণাচাৰীয়ে দেখোন কৈছেই যে এই বুঢ়ীজনীয়েই এই সকলোবোৰ ৰোগৰ কাৰণ।" এজন বৃদ্ধই ক'লে।

"এয়া কি কৈছে? বেচেৰী বুঢ়ীজনী এইবোৰৰ কাৰণ? তেওঁৰ ইমান শক্তি থকাহেঁতেন তেওঁ এনেকৈ নীৰৱে থাকিল-হেঁতেন জানো? মোতিয়াই গণাচাৰীক পইচা দি এইখিনি কথা কোৱাইছে। মই নিজেই পইচা দিয়া দেখিছো। আমি সকলোৱে এইবোৰ ৰোগৰ বাবে দায়ী। আমাৰ অসাৱধানতা আৰু অজ্ঞানতাৰ বাবেই এই ৰোগ গাঁৱত বিয়পিব পাৰিছে। যিটো পুখুৰীৰ পানী আমি খাওঁ তাতে আমি গৰু ম'হকো গা ধুৱাবলৈ নিওঁ। যিফালেই চকু পৰে, সেইফালেই জাবৰ জোঁথৰৰ দ'ম। বাৰিষা মহ আৰু মাখিৰ সংখ্যা বাঢ়ি যায়। এই সকলোবোৰে ফল হ'ল এই-বোৰ ৰোগ। অন্ধবিশ্বাসে আমাৰ যে কিমান অপকাৰ কৰিছে। ইয়াৰ বাবেই আমাৰ মন কলষিত হৈ উঠিছে। এইবোৰ অস্বচ্ছ-তাৰ-পৰা আঁতৰি থাকিব পাৰিলেহে আমি উদ্ধাৰ পাম। তেতিয়াহে আমি ৰোগৰপৰা মুক্তি পাম। মই আশ্বাস দিছো তেতিয়া এইবোৰ ৰোগ নিশ্চয় কমি আহিব। বলক, আমি এই বিষয়ে সকলো গৈ গাঁওবুঢ়াৰ লগত কথা পাতোগৈ।"

মানুহে ভাবিলে তেওঁৰ কথাখিনি সঁচা। সকলোৱে তুলসীৰ ওচৰত ক্ষমা খুজিলে। তেওঁলোকে হাতযোৰ কৰি প্ৰণাম কৰিলে। ইয়াৰ পাছত গোটেই গাঁৱতে চাফাইৰ কাম চলিল আৰু ৰোগ ক্ৰমান্বয়ে নোহোৱা হ'ল।

ভয়ংকৰ ঘাটী

২৯

(কেশৱ আৰু তাৰ বন্ধুহঁতক কবায়ত্ব কৰিবলৈ চক্রান্ত চলিল। ব্রহ্মদণ্ডী আৰু গৰুড়মুখীয়া চৰ্দাৰৰ মানুহে কেশৱ আৰু বন্ধুহঁতক ঘেৰি ল'লে। ব্রহ্মদণ্ডীয়ে চিঞৰিলে। "কেশৱৰ বাহিৰে, বাকী দুটাক মাৰি পেলোৱা।" তাৰপাছত...)

ব্ৰহ্মদণ্ডীৰ মাত শুনিয়েই কেশৱে সেইফালে মূৰ ঘূৰালে, যিফালৰপৰা শব্দটো আহিছিল। সমুখৰ পাখিলগা মানুহখিনিক এফালে আঁতৰাই, তান্ত্রিক সমুখলৈ আহিল। তেওঁৰ দুয়োফালে হাতত তৰোৱাল লৈ জিত আৰু শক্তি থিয় হৈ আছিল। ব্রহ্মদণ্ডীক দেখাৰ লগে লগে কেশৱে নিজৰ চকু ৰঙা কৰি, তেওঁৰ ওপৰত জঁপিয়াই পৰিব খোজোতেই চাৰি পাঁচটা পাখিলগা মানুহ কেশৱৰ ওপৰত জঁপিয়াই পৰিল আৰু জংঘলী গোমাংগৰো অস্ত্র কাঢ়ি অনা হ'ল। অসহায়, নিৰস্ত্র অৱস্থাত থিয় হৈ থকা তিনিও যুৱকক দেখি জিত আৰু শক্তিবাৰ্মাই ডাঙৰকৈ হাঁহিলে আৰু তৰোৱাল উলিয়াই ক'লে, "ভালেই হ'ল আমি কিছু সময়ৰ আগতেহে তৰোৱাল ধৰাই লৈছো। একেটা ঘাপতে মূৰ, শৰীৰৰপৰা পৃথক কৰিব পৰা যাব।"

হঠাতে স্থূলকায়ে নিজৰ চাবুক উলিয়াই ল'লে। ডাঙৰকৈ চিঞৰি, সিহঁতৰ তৰোৱাল চাবুকেৰে মেৰিয়াই ধৰি ক'লে, "জিত আৰু শক্তি, তোমালোকে এওঁলোকক মাৰিব নোৱৰা। এওঁলোক এসময়ত মোৰহে গোলাম আছিল। এওঁলোকৰ প্ৰত্যেকৰে দাম হ'ল

চান্দমামা

ষাঠিটা সোণৰ মুদ্ৰা। প্ৰথমতে মোক এই মূল্য দিয়া, তাৰপাছত ইচ্ছা কৰিলে মাৰি পেলোৱা।"

স্থূলকায়ৰ কথা শুনি জিতবৰ্মাই আহত সাপৰ দৰে ফুচফুচাই ক'লে, "হেৰ মাংসৰ লোথোৰা, প্ৰথমে তুমি হাতৰপৰা চাবুক আঁতৰোৱা। এতিয়া এওঁলোক তোমাৰ গোলাম নহয়। তুমিতো কেতিয়াবাই সিহঁতক বেচি দিলা। সেই বেপাৰীও এতিয়া মৰিল, যি এওঁলোকক কিনি লৈছিল।"

"সেইজন বেপাৰী যিহেতু মৰিল, গতিকে মোৰ বস্তু মোৰ ওচৰলৈ ঘূৰি আহিব লাগে। তুমি এই সামান্য কথাটোও নাজানানে? অসভ্য ক'ৰবাৰ?" স্থূলকায়ে ক'লে। জিত আৰু শক্তিৰ খুব খং উঠিল। তৰোৱাল এৰি সিহঁত স্থূলকায়ৰ ওপৰত জঁপিয়াই পৰিল। স্থূলকায়ে সিহঁতক এনেকৈ এসেকা দিলে যেন নিগনিৰ ওপৰত বোন্দা মেকুৰীৰহে অত্যাচাৰ চলিছে।

ইমান সময়ে এই তামাচা চাই থকা ব্ৰহ্মদণ্ডী তান্ত্ৰিকে নিজৰ মন্ত্ৰদণ্ড ওপৰলৈ উঠাই, গৰুড়ৰ মুখৰ দৰে মুখ থকা চৰ্দাৰৰ ফালে মুখ কৰি ক'লে, "গৰুড়েশ! এতিয়া চাই থাকিলে কাম নচলিব। ইহঁত তিনিওটা কুকুৰৰ দৰে মৰিব আৰু লগতে কেশৱহঁতকো পলোৱাৰ সুবিধা কৰি দিব।"

গৰুড়েশে নিজৰ হাতত থকা যঠী ল'ৰাই মানুহবোৰৰ ফালে টোৱাই ডাঙৰকৈ ক'লে, "জিত আৰু শক্তি, তোমালোকে এই মেদবহুল মানুহটোক এৰি দিয়া। ইহঁত তিনিওটা আন কৰো নহয়, মোৰহে। মইহে ইহঁতক ধৰিছো। বুজিলানে?"

চৰ্দাৰৰ এই কথা শুনি শক্তি আৰু জিতবৰ্মাই স্থূলকায়ৰ হাত এৰি তলত পৰি থকা নিজৰ নিজৰ তৰোৱাল তুলি ল'লে আৰু দাঁত কামুৰি থিয় হ'ল।

স্থূলকায়ে ফোঁপাই ফোঁপাই নিজৰ চাবুক উঠাই ল'লে আৰু চাবুক নিজৰ কান্ধত তুলি ব্ৰহ্মদণ্ডীৰ ফালে একেথৰে চাবলৈ ধৰিলে।

ব্ৰহ্মদণ্ডী কেশৱৰ ওচৰলৈ গ'ল। তাৰ পিঠিত থপৰিয়াই ক'লে, "কেশৱ, মই তোমাৰ হিতাকাংখী, গুৰুদ্ৰোহী জয়মল্লৰ কথা শুনি, কিমান অনৰ্থ ঘটিল, সেইবোৰ কথা ভাবিলেই মোৰ আত্মাই হাঁহাকাৰ কৰি উঠে। মই তোমাক কোটিপতিয়েই নহয়, লোকেশ্বৰ বনোৱাৰ কথা ভাবিছিলো। এইটো কেৱল মোৰ ইচ্ছাই নহয়, কালভৈৰৱৰো আজ্ঞা। ব্ৰহ্মাই তোমাক আকৌ মোৰ হাতত আনি দিছেহি। আমি দুয়ো এক হোৱা মানে, বায়ু আৰু অগ্নি এক হোৱা। এতিয়াও পলম হোৱা নাই। তুমি জয়মল্লৰ সংগ এৰি মোৰ ওচৰলৈ আঁহা। তাতেহে তোমাৰ কল্যাণ হ'ব। কোৱা তুমি কি ভাবা?"

ব্ৰহ্মদণ্ডীৰ কথা শুনি কেশৰৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। কেশৰে নিজৰ কান্ধৰ-পৰা ব্ৰহ্মদণ্ডীৰ হাত জোৰেৰে আঁতৰাই ক'লে, "ব্ৰহ্মদণ্ডী, তোমাৰ মিঠা মিঠা কথাত মই ভুল যাম বুলি নাভাবিবা। তোমাৰ লগলৈ মোক কিয় মাতিছা সেই কথা মই খুব ভালকৈ জানো। তুমি তোমাৰ স্বাৰ্থ সিদ্ধিৰ বাবেই তেনে কাম কৰিছা। মোৰ কল্যাণৰ বাবে নহয়। তুমি কিমান ডাঙৰ তান্ত্ৰিক, সেই কথাও মোৰ ভালকৈ জনা আছে।"

ব্ৰহ্মদণ্ডীয়ে কোনোমতে নিজৰ খঙটো দমাই ৰাখি ক'লে, "হৈছে, হৈছে কেশৰ। এবাৰলৈ মই তোমাৰ এই অপমানভৰা বাক্যবোৰ শুনিলো। আকৌ যদি তুমি মোৰ মন্ত্ৰশক্তিক পৰিহাস কৰা, তেন্তে থিয়ৈ থিয়ৈ তোমাক মই ভস্মীভূত কৰিম। সেই ভস্ম শৰীৰত লগাই, ঘৰিয়াল থকা সেই হ্ৰদত স্নান কৰি, কাল-ভৈৰৱৰ ওচৰলৈ যাম। তুমি এই জয়মল্লৰ আশা কৰি বহি নাথাকিবা। তেওঁ তোমাক ৰক্ষা কৰিব নোৱাৰে। এই জয়মল্লই নিজকে অদ্ভুত জন্তু কৰি তোলা মন্ত্ৰৰ বাহিৰেনো আন কিটো জানে?"

জয়মল্লৰ ফালে মুখ কৰি তেওঁ ক'লে, "এই দ্ৰোহীক, এই দুষ্টক বাণ আৰু যাঠিৰে টুকুৰা টুকুৰ কৰি সেই মাংস শগুণক খাবলৈ দিয়া হওক।"

ব্ৰহ্মদণ্ডীয়ে নিজৰ কথা শেষ নৌ কৰোতেই জিত আৰু শক্তিবাৰ্মাই জয়মল্ল আৰু জংঘলী গোমাংগক তৰোৱালেৰে মাৰিব খোজোতেই গৰুড়মুখীয়া চৰ্দাৰে সিহঁতৰ তৰোৱাল তললৈ পেলাই দি ক'লে, "ৰ'বা, ৰ'বা....'শগুণক খাবলৈ দিয়া হওক' কথাষাৰ শুনাৰ লগে

লগে মোৰ মনলৈ এটা চিন্তা আহিছে। ইহঁত দুয়োটোৰ চেহেৰা পাতি দেখি মোৰ ধাৰণা হৈছে ইহঁত শগুণ জাতিৰ মানৱ। আমাৰ গৰুড় জাতিক সেৱা কৰা এই শগুণ জাতিৰ লোকসকলক সদায়ে জীৱিত ৰখা উচিত বুলি আমাৰ শাস্ত্ৰত লিখা আছে। সেয়েহে ইহঁত দুটা মোৰ সেৱক হ'ব।"

তাৰপাছত তেওঁ নিজৰ অনুচৰহঁতৰ ফালে চাই ক'লে, "ইহঁতক মোৰ ঘৰলৈ লৈ যোৱা আৰু সুৰক্ষিত কৰি ৰাখাগৈ। মোৰ পাখিবোৰ যাতে বেয়া হৈ নাযায়, সেইবোৰ জাৰি জোকাৰি কেনেকৈ ৰ'দত দিব লাগে, সেই কাম ইহঁতক শিকাই দিয়া। যদি ইহঁত পলাই যায়, তেন্তে মই তহঁতৰ প্ৰাণ লম।"

গৰুড়মুখীয়া চৰ্দাৰৰ অনুচৰহঁতে যেতিয়া জয়মল্ল আৰু জংঘলী গোমাংগক লৈ যাবলৈ ওলাল তেতিয়া ব্ৰহ্মদণ্ডীয়ে সিহঁতক বাধা দি



গৰুড়মুখীয়া চৰ্দাৰক ক'লে, "গৰুড়েশ! এতিয়া খৰ খেদা নকৰিব। আপুনি ইহঁতৰ বিষয়ে একোৱেই নাজানে। ইহঁত যে পলায়ো যাব পাৰে, সেই কথাও আপুনি ভাবি চাব। আৰু পলালেও ইহঁতে আপোনাৰ প্ৰাণ লৈহে পলাব। মোৰ কথা শুনক। ইহঁতৰ দেহ খণ্ড বিখণ্ড কৰি শগুনক খাবলৈ দিয়া হওক।"

ব্ৰহ্মদণ্ডীয়ে এনেকৈ কোৱাৰ লগে লগে গৰুড়মুখীয়া চৰ্দাৰে ভুঁৰু কোচাই ক'লে, "ব্ৰহ্মদণ্ডী, তুমি সৰু সুৰা কথাতে ইমান ভয়াৰ্ত্ত হৈ উঠা, তিলটোকে তালটো কৰা তোমাক দেখিলে মোৰ তোমাক কাউৰী জাতিৰ লোক যেনহে লাগে। শাস্ত্ৰত লিখা আছে যে কাউৰী জাতিৰ লোকে শগুণ জাতিৰ লোকক সেৱা কৰা উচিত। সেয়েহে তোমাক মই ইহঁত দুয়োটোৰ সেৱক নিযুক্ত কৰিছো।"

গৰুড়মুখীয়া চৰ্দাৰৰ কথা শুনি ব্ৰহ্মদণ্ডীৰ মূৰত যেন আকাশী সৰগহে ভাঙি পৰিল। ইফালে সিফালে অস্থিৰভাৱে চাই নিজৰ মন্ত্ৰদণ্ড শূন্যতে ঘূৰাই তেওঁ ক'লে, "গৰুড়েশ। কালভৈৰৱৰ উপাসকৰ বিষয়ে আপুনি কি বুলি ক'লে? যি কি নহওক, মই মোৰ কেশৰক লৈ ভয়ংকৰ ঘাটীলৈ গুচি যাম। আপোনাক মই দিয়া প্ৰতিশ্ৰুতি অনুসাৰে, আপোনাৰ উপাস্য দেৱতাৰ আগত বলি দিবলৈ মানুহ নিশ্চয় পঠিয়াম। কাইলৈ পুৱাই আমি ওলাই যাম।"

"ইয়াত মোৰ কোনো আপত্তি নাই। তুমি এতিয়াই যাব পাৰা।" এইবুলি কৈ গৰুড়মুখীয়া যাবলৈ ওলাল। তেওঁৰ লগতে বাকীবোৰো যাবলৈ ওলাল। কেশৰ, জয়মল্ল আৰু জংঘলী গোমাংগৰ আগে পিছে দহজনকৈ পাখিলগা মানুহ গ'ল।

ব্ৰহ্মদণ্ডীয়ে ভাবিলে এতিয়া আৰু গৰুড়মুখীয়া চৰ্দাৰৰ লগত তেওঁ সান্দহ খাব নোৱাৰিব। এতিয়া তেওঁৰ লগত থাকিলে বিপদহে মাতি অনা হ'ব। সেয়েহে তেওঁ স্থূলকায়ক কিবা ইংগিত কৰিলে। জাকৰপৰা ওলাই আহি কাণে কাণে ক'লে, "বীৰ চূড়ামণি, মোৰ কথা শুনা। এতিয়া এই পক্ষীৰ মুখৰ চৰ্দাৰৰ ওচৰত থকাটো আমাৰ পক্ষে বিপদজনক হ'ব। কাইলৈ পুৱাই জিত আৰু শক্তিবাৰ্মা, তুমি আৰু মই, কেশৰক লৈ ভয়ংকৰ ঘাটী অভিমুখে ওলাই আহিম। আমি যদি এই কেশৰক পলাই যাবলৈ নিদিওঁ, তেন্তে ভয়ংকৰ ঘাটীৰ সমুদায় ধনৰাশি আমাৰ হ'ব। যদি তেওঁ আমাৰ লগত নাথাকে, তেন্তে আমি ফুটা কড়ি এটাও নাপাম। বুজিলানে?"

"এই সৰু ল'ৰা কেইটাৰ বিষয়ে তুমি ইমান বেছিকৈ ভবাটো মই মুঠেই ভাল পোৱা

নাই। মোৰ মতেতো ইহঁত প্ৰতিটোৰে দাম বিছটা সোণৰ মুদ্ৰাতকৈ বেছি নহ'ব।" স্থূলকায়ে দাঁত মুখ কামুৰি ক'লে।

"বাহ, তুমিও যে আৰু কি কৈছা? এই কেশৰ এলাপচা ল'ৰা নহয়। তাৰ বাহুত ৰাজযোগ লিখা আছে। যদি তুমি বাহুত থকা ফণা মেলা সাপৰ মুদ্ৰা দেখিছা, তেন্তে তুমি এনেকুৱা কথা কেতিয়াও নোকোৱা। কাল-ভৈৰৱে নিজেই নিজৰ কাণত ধৰিলে।

"যেতিয়ালৈকে সি ব্ৰহ্মপুৰৰ ৰজা নহয়, তেতিয়ালৈকে তুমি কোৱা কথাখিনি মই বিশ্বাস কৰিব নোৱাৰোঁ। লাগিলে যিয়েই হওক, মোৰ কি আহে যায়? মোক দিয়া প্ৰতিশ্ৰুতি তুমি যাতে কেতিয়াও পাহৰি নোযোৱা।" ইফালে সিফালে চাই স্থূলকায়ে কথাখিনি ব্ৰহ্মদণ্ডীক ক'লে।

ব্ৰহ্মদণ্ডী, স্থূলকায়ৰ এই কথোপকথনেই নহয়, তাৰ আগৰ কথাবোৰো শ্ৰাণকৰ্ণীৰদ্বাৰা নিযুক্ত গুপ্তচৰে পাথৰৰ কাষত লুকাই শুনি আছিল। কেশৰ আৰু তাৰ দুই বন্ধুক গৰুড়-মুখীয়া চৰ্দাৰৰ মানুহে ধৰি নিয়াৰ পাছৰেপৰা সকলো কথা সিহঁতে নিজৰ চৰ্দাৰক জনাই আছিল।

কেশৰ আৰু তাৰ বন্ধুহঁত গুহাত সোমোৱাৰ লগে লগে জুই ওলোৱা সিংহ পলাই গৈছিল। এই কথা শুনাৰ লগে লগে বিড়ালী শ্ৰাণকৰ্ণীয়ে গম পাইছিল যে গুহালৈ যোৱাত কোনো বিপদ নাই। তেওঁ গুহাত প্ৰবেশ কৰিলে। তেওঁ সেই পাথৰৰ গদাটো দেখিলে, যিটো জংঘলী গোমাংগই এৰি থৈ গৈছিল। তাৰপাছত সিহঁতৰ পদচিহ্ন চাই চাই গুহাৰ ছিদ্ৰইদি বাহিৰত যি যি হৈছিল, সেই সকলোবোৰ চাই আছিল।



"ইমানবোৰ মানুহক তেওঁলোকৰ নিজৰ ঠাইতে হৰুৱা ঠিক নহ'ব। ইয়াৰ মাজতে সিহঁতে কেশৰ আৰু তাৰ বন্ধুহঁতক মাৰিও পেলাব পাৰে," বিড়ালীয়ে ক'লে।

শ্ৰাণকৰ্ণীয়ে নিজৰ পূৰ্বপুৰুষৰ গদাটো নিজৰ চকুৰ ওচৰলৈ আনি ক'লে, "এতিয়া আমাৰ জাতিৰ ক'তো পৰাজয় নঘটিব। তিনিও মিত্ৰক ৰক্ষা কৰা আমাৰ কৰ্তব্য। তাৰপাছত তেওঁ-লোকৰ সহায় লৈ পাখিলগা মানুহখিনিক সমূলঞ্চে নিধন কৰিম।"

"তেওঁলোকক ৰক্ষাৰ ভাৰ মোৰ ওপৰত এৰি দিলেই হ'ল। পাখিলগা মানুহবোৰৰ দেৱতাৰ বাবে আমাৰ মানুহক বলি সাজি পঠিওৱাৰ সময়ত, এওঁলোক তিনিওজনে আমাক সহায় কৰিছিল। তুমি কি ভাবা?" বিড়ালীয়ে সুধিলে।

বিড়ালীয়ে এই প্ৰশ্ন সোধাৰ লগে লগে

শ্ৰাণকৰ্ণীয়ে মূৰ লৰাই নিজৰ জাতিৰ মানুহটোক মতাই আনি ক'লে, "তুমি আন্ধাৰ হোৱাৰ লগে লগে ছিদ্ৰইদি বাহিৰ ওলাবা। তাত পৰি থকা পাখিলগা মানুহৰ পাখি উঠাই ল'বা। তাৰ-পাছত নিজকে পাখিলগা মানুহ বুলি দেখুৱাই, গৰুড়মুখীয়া চৰ্দাৰৰ ওচৰলৈ যাবা, কেশৱহঁত কি অৱস্থাত আছে, জানি আহিবাগৈ।"

"অ' তোমাৰ দেখিছো ভাল বুদ্ধি। বৰ ভাল কথা। তুমি তোমাৰ জাতিৰ এটাক পঠিওৱা। তেতিয়া ভাল হ'ব।" বিড়ালীয়ে ক'লে। শ্ৰাণকৰ্ণীয়ে সেই কথা মানি ল'লে।

অলপ সময়ৰ পাছত সূৰ্যাস্ত হ'ল। লাহে লাহে আন্ধাৰ নামি আহিল। শ্ৰাণকৰ্ণী আৰু বিড়ালী গোটৰ দুজন মানুহ, সুৰংগৰ পৰা চুচৰি চুচৰি বাহিৰ ওলাল। তাত পৰি থকা পাখি তুলি ল'লে। এই পাখিবোৰ দুপৰীয়া পাখিলগা মানুহবোৰে যুদ্ধৰ অনুশীলনীৰ সময়ত এৰি থৈ গৈছিল।

ৰাস্তাত কোনেও সিহঁতক সন্দেহ কৰা নাছিল। কোনেও আনকি সিহঁতক ৰ'বলৈয়ো কোৱা নাছিল। এটা এটাকৈ টম্বু পাৰ হৈ তেওঁলোক সেইটো টম্বুৰ ওচৰ পাইছিলগৈ য'ত ব্ৰহ্মদণ্ডী আৰু স্থূলকায় আছিল। জোৰৰ ৰশ্মিত সিহঁতে দুয়োকে চিনি পালে। সিহঁতে অনুমান কৰিলে, ইয়াতে নিশ্চয় কেশৱ আৰু তাৰ বন্ধুহঁত থাকিব। সিহঁতৰ অনুমান সঁচা প্ৰমাণিত হ'ল। চাৰি খোজমান আগলৈ গৈ সিহঁতে দেখা পালে জিত আৰু শক্তিয়ে তৰোৱাল লৈ পহৰা দি আছে। ভিতৰত কেশৱ, জয়মল্ল আৰু জংঘলী গোমাংগই মাটিৰ ওপৰৰ শৰ্যাত বহি কথা পাতি আছে।

দুই জংঘলী একেলগে জিত আৰু শক্তি-বাৰ্মাৰ ওচৰলৈ গ'ল। "ৰাস্তা এৰি দিয়া। গৰুড়মুখীয়া চৰ্দাৰে আদেশ দিছে ইহঁত তিনিও দুষ্টকে যাতে তেওঁৰ ওচৰলৈ লৈ যোৱা হয়।

জিত আৰু শক্তিয়ে জোৰৰ পোহৰত জংঘলী লোকদুজনৰ চেহেৰা ভালকৈ চালে। তাৰপাছত সিহঁতক ৰাস্তা এৰি দিলে। তেনেতে জিতবাৰ্মাৰ কিবা সন্দেহ হ'ল। "ইহঁত পাখিলগা মানুহৰ জাতিৰ নহয়। আন কোনোবা জংঘলী জাতিৰ মানুহ যেনহে পাইছো।"

"অঁ অঁ মোৰো একেটা সন্দেহেই হৈছে।" এইবুলি কৈ শক্তিবাৰ্মাই তৰোৱাল উলিয়াই ল'লে। "ঐ, তোমালোক কোন? ৰ'বা।" এইবুলি চিঞৰি শক্তিবাৰ্মা আগবাঢ়ি গ'ল।

(আগলৈ)

চাৰি কাৰ্যদক্ষ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল, গছৰ ওপৰৰ পৰা মৰাশটো নমাই নিজৰ কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশানৰ ফালে আগবাঢ়িল। তেতিয়া শটোৰ ভিতৰৰ পৰা বেতালে মাত লগালে, "ৰজা, এই শ্মশানত ভূত প্ৰেত ঘূৰি ফুৰে। কিবা অদ্ভুত শক্তি পাবৰ বাবে এইবোৰলৈয়ো ভয় নকৰাকৈ অহৰহ পৰিশ্ৰম কৰি আছা। তুমি যি কোনো প্ৰকাৰৰে বিপদৰ মুখামুখি হ'বলৈও সংকল্পবদ্ধ। তুমি এই কথা জনা উচিত যে এনে শক্তি লাভ কৰাৰ পিছতো উচিত সময়ত সেইবোৰ কামত নাহে আৰু ওলোটাই সেয়াই তোমাৰ শত্ৰু হিচাবে তোমাৰ বিৰুদ্ধে কাম কৰিবলৈ ধৰিব আৰু ফলত তোমাৰ বিপদ আহিব। উদাহৰণ স্বৰূপে তোমাক সেই চাৰি কাৰ্যদক্ষৰ কাহিনী শুনাম, যাৰ এনে

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

যাক পোৱা যায় কেৱল দিৰসবঞ্চপুৰত। কিন্তু এই ঔষধ লৈ অনা এটা অসাধ্য কাম।" দীঘলকৈ উশাহ টানি তেওঁ ক'লে।

"এই দিৰসবঞ্চপুৰ ক'ত?" তাত থকা হেমানন্দই সুধিলে।

"বঙ্গোপসাগৰৰ পৰা এশ ক্ৰোশ আঁতৰত মচুৰ দ্বীপৰ মাজত তাক পোৱা যায়। মই তাৰ খবৰ তাল পত্ৰ পঢ়ি গম পালো। এই বিষয়ে আৰু বেছি মই নাজানো।" বৈদ্যই ক'লে।

"নিজৰ প্ৰাণলৈও ভয় নকৰি মই তালৈ যাম আৰু সেই বনৌষধ লৈ আহিম।" হেমানন্দই দৃঢ়স্বৰে ক'লে।

"সেই বনৌষধ লৈ আহিলে কেৱল প্ৰত্যুষাকেই নহয়, এন ৰোগৰ দ্বাৰা পীড়িত হোৱা সকলোকে আমি বচাব পাৰিম। মই তোমাকো আশীৰ্বাদ দিছো আৰু ভগৱানক প্ৰাৰ্থনা জনাইছো যে এই কামত তুমি সফল হোৱা।" বৈদ্যই ক'লে।

হেমানন্দৰ লগত তেওঁৰ মিত্ৰ শিৱনাথ আৰু বৈদ্যৰ শিষ্য সঞ্জীৱ ৰায় আগবাঢ়িল। এই কথা গম পাই কপৰ্দি নামৰ আৰু এজন যুৱকেও তেওঁলোকৰ লগত যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে আৰু তেওঁলোকৰ অনুমতি লৈ তেওঁ দলটোত ভৰ্তি হ'ল।

চাৰিও সমুদ্ৰৰ পাৰ পালেগৈ আৰু নাৱত বহি লৈ সমুদ্ৰ যাত্ৰা আৰম্ভ কৰিলে। পাঁচ দিনলৈকে তেওঁলোকৰ যাত্ৰাত কোনো বিঘিনি ঘটা নাছিল। ষষ্ঠ দিনা দহটা হাতীৰ ওজনৰ এটা তিমিমাছ সমুখলৈ আহিল আৰু নেজেৰে নাৱত কোবালে। ফলত নাও বতাহত উৰি গৈ দূৰত টুকুৰা টুকুৰ হৈ পৰিলগৈ।

দশা হৈছিল।" এইবুলি বেতালে সেই কাহিনী শুনাবলৈ ধৰিলে:

মাণিক্যপুৰৰ বজ্ৰাৰ বেপাৰী পদ্মনাভৰ একমাত্ৰ কন্যা আছিল প্ৰত্যুষা। তাই সাবালিকা হোৱাৰ পিছত পদ্মনাভে বিচাৰিছিল তেওঁৰ বাল্যবন্ধুৰ পুত্ৰ হেমানন্দৰ লগত প্ৰত্যুষাৰ বিবাহ কৰাব। কিন্তু বিবাহৰ কেইদিনমানৰ আগতে প্ৰত্যুষা এটা অচিন ৰোগৰ চিকাৰ হ'ল। তাই কথা ক'ব নোৱৰা হ'ল আৰু প্ৰায়ে অচেতন হৈ পৰে। দুখ আৰু চিন্তাত ভাগৰুৱা পদ্মনাভে নানান বৈদ্যৰ হতুৱাই জীয়েকৰ চিকিৎসা কৰোৱালে। কিন্তু, একো লাভ নহ'ল। অৱশেষত কৃপাল নামৰ সুপ্ৰসিদ্ধ বৈদ্যাই প্ৰত্যুষাৰ পৰীক্ষা কৰি ক'লে, "ই নাড়ীৰ সৈতে সম্পৰ্ক থকা ৰোগ। ইয়াৰ চিকিৎসাৰ বাবে দশমূল নামৰ ঔষধৰ প্ৰয়োজন,

হেমানন্দ বুৰিবলৈ ধৰিছিল, তেনেতে শিৱনাথে নাৱৰ এটা টুকুৰা তেওঁৰ ফালে আগবঢ়াই দি ক'লে, "এই টুকুৰাৰ সহায়ত পাৰলৈ আহা।"

পাৰত আহি হেমানন্দ, সঞ্জীৱ ৰায় আৰু কপৰ্দিয়ে শিৱনাথৰ বাবে বাট চাবলৈ ধৰিলে। কিন্তু তেওঁৰ কোনো শুংসূত্ৰ নাই। দুখমনেৰে তেওঁলোক আগবাঢ়িল। তিনিদিন ধৰি তেওঁলোক গৈ থাকিল। তাৰপিছত গৈ গৈ তেওঁলোকে পৰ্বতমালা দেখা পালে আৰু এক পৰ্বতৰ শিখৰত তেওঁলোক বহি পৰিল।

অলপ সময়ৰ পিছত তেওঁলোকে আকাশত এক বিচিত্ৰ ৰথ দেখা পালে। তেওঁলোকে সেইফালে চাই থাকিল। অলপ সময়ৰ ভিতৰতে সেইখন সিহঁতৰ সমুখত আহি বৈ দিলে। তাত অত্যন্ত বৃদ্ধ লোক এজনক সিহঁতে দেখা পালে। তিনিও সেই বৃদ্ধক সুধিলে, ককাদেউতা, আপুনি জানেনে দিৰসবঞ্চপুৰ পাবলৈ কোনফালেদি যাব লাগে।"

"সেই ঠাই পৰ্বতৰ মাজত আছে। কিন্তু তালৈ খোজকাঢ়ি যাব নোৱাৰি। এই ৰথত উঠিহে তালৈ যাব পাৰি। ইয়াৰ বাহিৰে আন কোনো পথ নাই। ল'ৰালিৰ পৰাই আকাশত উৰাৰ মোৰ প্ৰবল ইচ্ছা আছিল। তাৰ বাবে মই বহুত চেষ্টা কৰিলো। বিদেশৰ পৰা যন্ত্ৰ সামগ্ৰীও অনালোঁ। অৱশেষত আকাশত উৰাৰ এই বায়ু ৰথ নিৰ্মাণ কৰিলো। মোৰ বয়স এশৰো অধিক। জীৱনত কোনো ধৰণৰ সুখেই মই অনুভৱ কৰা নাই। এতিয়া মোৰ আশা হৈছে। তোমালোকৰ কোনো এজনে যদি নিজৰ যৌৱন মোক দিব খোজা, তেন্তে মই তোমালোকক এই ৰথ দিবলৈ ৰাজী আছো।



ইয়াত বহি তোমালোক দিৰচনবঞ্চপুৰলৈ যাব পাৰিবা।" বুঢ়াই ক'লে।

সঞ্জীৱৰায়ে নিজৰ যৌৱন দিবলৈ আগবাঢ়িল। হেমানন্দই তেওঁক বাধা দিওঁতে তেওঁ ক'লে, "অদ্ভুত ঔষধ অনাৰ এই যজ্ঞত যদি মই কিবা ত্যাগ কৰিবলৈ পাওঁ, তাতকৈ ডাঙৰ ভাগ্য আৰু মোৰ বাবে কি হ'ব পাৰে? মোক বাধা দিবলৈ চেষ্টা নকৰিবা।"

ইয়াৰ পিছত বৃদ্ধৰ কথা অনুসৰি সঞ্জীৱৰায়ে মন্ত্ৰ পঢ়িলে, সেই মন্ত্ৰৰ দ্বাৰা বৃদ্ধ যুৱক হৈ পৰিল আৰু সঞ্জীৱৰায় হৈ পৰিল বৃদ্ধ। কিন্তু বৃদ্ধ হৈয়েই সঞ্জীৱ ৰায় অচেতন হৈ পৰিল।

এতিয়া সেই যুৱক বৃদ্ধই তেওঁক সেই বায়ু ৰথ চলোৱাৰ উপায় শিকাই দি ক'লে, "নিজৰ মিত্ৰৰ বিষয়ে তোমালোক দুয়ো নিশ্চিন্ত থাকা। তেওঁৰ যত্ন মোৰ ওপৰত এৰি দিয়া।"



দুয়ো বন্ধুৱে সঞ্জীৱৰায়ৰ অৱস্থা দেখি চিন্তিত হৈ উঠিল। কিন্তু তেওঁলোকে কৰেইবা কি। হেমানন্দ আৰু কপৰ্দি সেই বায়ু ৰথত যাত্ৰা কৰি দিৱসবঞ্চপুৰ পালেগৈ। তেওঁলোতে তাত দেখিলে যে নগৰৰ গলিবোৰত জন্তুৰ মূৰ আৰু মানুহৰ শৰীৰৰ বিচিত্ৰ প্ৰাণী ঘূৰি ফুৰিছে। তেওঁলোকে বায়ু ৰথখন জোপাহাৰ আঁৰত লুকাই দিলে। আৰু দুয়ো এটা জুপুৰীত সোমাই পৰিল। তাত এজনী বুঢ়ীয়ে তেওঁলোকক দেখিলে, কিন্তু কোন সেয়া চিনি নাপালে।"

"আইতা, আমি পৰদেশী। দশমূল নামৰ ঔষধি বিচাৰি আহিছো। ইয়াত থকা প্ৰাণীবিধ মানুহ নে জন্তু?" হেমানন্দই সুধিলে। "যি ঔষধৰ বিষয়ে তুমি সুধিছা, সেয়া দুৰ্গৰ উদ্যানবনত আছে। তোমালোকে যি দেখিছা, সকলো মানব। মই যদি অলপ বহলাই কওঁ, তেতিয়া তোমালোকে মোৰ কষ্ট সামান্য দূৰ কৰিব পাৰিবানে?" সেই বৃদ্ধাই সুধিলে।

"আইতা, কোৱাচোন, এওঁলোকৰ এই দুৰৱস্থা কেনেকৈ হ'ল? আমি বহুতো বিদ্যা জানোঁ। যিমান পাৰোঁ আমি নিশ্চয়কৈ সহায় কৰিম।" কপৰ্দিয়ে ক'লে।

"আমাৰ দেশৰ ৰাণী ব্ৰহ্মনন্দিনী অতিপাত সুন্দৰী। মহাদন্ত নামৰ এজন তান্ত্ৰিক তেওঁৰ সৌন্দৰ্যত মুগ্ধ হ'ল আৰু ৰাজকুমাৰৰ বেশত আহি তেওঁক বিবাহৰ প্ৰস্তাৱ দিলেহি। আমাৰ দেশৰ পৰম্পৰা অনুসৰি মহাৰাণী আজীৱন কুমাৰী হৈয়েই থাকিব লাগে। অন্তিম অৱস্থাত আৰু এগৰাকী কুমাৰীক মহাৰাণীৰ বাবে বছা হয়। এই নিয়মৰ উলংঘন কৰিলে দেশৰ প্ৰজাৰ অহিত হয়।

"সেয়ে তেওঁ তান্ত্ৰিকৰ প্ৰস্তাৱত ক্ৰোধান্বিত হৈ উঠিল। তান্ত্ৰিকৰো খং উঠিল আৰু নিজৰ আচল ৰূপত ধৰা দিলে। তেওঁ দেশৰ চিপাহী আৰু বৃদ্ধ সকলক এৰি সকলোকে বিচিত্ৰ ৰূপলৈ সলনি কৰিলে। এতিয়াও তেওঁ কষ্ট দি থাকে। তেওঁ ভাবে যে এনে কৰিলে ৰাণীয়ে তেওঁৰ প্ৰস্তাৱত মান্তি হ'ব। তেওঁ তাৰ বাবেই বাট চাই আছে।" বৃদ্ধাই ক'লে।

"তান্ত্ৰিকক বীৰ্যহীন কৰাৰ কিবা উপায় আছেনে?" কপৰ্দিয়ে সুধিলে।

"অদ্ভুত শক্তিৰে ভৰা এক মন্ত্ৰদণ্ড তেওঁৰ হাতত আছে। শুনামতে সেয়াই তেওঁৰ শক্তি।" যেতিয়া বৃদ্ধাই এইকথা তেওঁলোকক কৈ আছিল, তেতিয়া সেই তান্ত্ৰিক তেওঁৰ সমুখত আৱিৰ্ভাৱ হ'ল আৰু সুধিলে, "তোমালোক কোন? ইয়ালৈ কেনেকৈ আহিলা?"

"আমি তোমাৰ অত্যাচাৰ অন্ত পেলাবলৈ অহা বীৰ।" কপৰ্দিয়ে ক'লে।

"জানানে মই তান্ত্ৰিক," এইবুলি মহাদম্ভই মন্ত্ৰদণ্ড ওপৰলৈ উঠাব খোজাতেই কপৰ্দিয়ে মাতৰ সুৰ সলাই ক'লে, "জানানে, মই মহা তান্ত্ৰিক।" তেওঁৰ মাত শুনি মহাদম্ভই ভয় খালে, আৰু হাতৰ মন্ত্ৰদণ্ড মাটিত সৰি পৰিল। কপৰ্দিয়ে ততালিকে জাঁপ মাৰি সেইডাল তুলি ল'লে। তাকে দেখি তান্ত্ৰিক অবাক হৈ পৰিল।

তেনেতে তাত আহি ওলোৱা মহাৰাণীয়ে সৈনিকক আজ্ঞা দিলে যাতে তান্ত্ৰিকক গ্ৰেপ্তাৰ কৰে। তান্ত্ৰিক গ্ৰেপ্তাৰ হোৱাত ৰাণী অত্যন্ত তৃপ্ত হ'ল আৰু সিহঁত দুয়োৰে প্ৰতি কৃতজ্ঞতা জনালে। তেওঁ দুয়োকো দশমূল ঔষধৰ পুলি দিলে। মন্ত্ৰদণ্ড নাশ কৰিলে তাৰ প্ৰজাৰ প্ৰকৃত ৰূপ ঘূৰাই পোৱা যাব কিন্তু কপৰ্দিয়ে ক'লে যে নগৰৰ চাৰিসীমা পাৰ হোৱাৰ পিছত মন্ত্ৰদণ্ড নাশ কৰা হ'ব।

তাৰ পিছত দুয়ো যুৱক সেই ঠাইলৈ গ'ল, য'ত তেওঁলোকে বায়ুৰথখন লুকাই থৈছিল। নগৰৰ চাৰিসীমা পাৰ হোৱাৰ পিছত হেমানন্দই সেই মন্ত্ৰদণ্ড নাশ কৰাৰ কথা ক'লে। তেতিয়া কপৰ্দিয়ে ক'লে, "মই যি যাদু শিকিছিলো, তাৰদ্বাৰা মহাদম্ভৰ গৰ্ব চূৰ্ণ কৰিলোঁ। কিন্তু মন্ত্ৰদণ্ডডাল ভৱিষ্যতে আমাৰ কামত আহিব। তাক আমাৰ লগতে ৰাখিম।" তথাপিও, চাৰিসীমা পাৰ হোৱাৰ লগে লগেই নগৰৰ প্ৰজাই নিজৰ প্ৰকৃত চেহেৰা ঘূৰাই পালে।

বায়ুৰথৰপৰা এই দৃশ্য দেখি হেমানন্দ অত্যন্ত সুখী হ'ল। তাৰ পিছত পৰ্বত শ্ৰেণী পাৰ হোৱাৰ পিছত সঞ্জীৱৰায়ক শ্ৰদ্ধাঞ্জলি জনা-

বলৈ হেমানন্দ ৰথৰ পৰা তললৈ নামিল। তাত সঞ্জীৱৰায় আৰু শিৱনাথক দেখি তেওঁলোক অত্যন্ত সুখী হ'ল।

"সেই বৃদ্ধ দয়ালু। নিজৰ মন সলনি কৰি তেওঁ মোৰ যৌৱন মোক ঘূৰাই দিলে।" সঞ্জীৱ ৰায়ে ক'লে।

"সমুদ্ৰৰ পৰা আমি কোনোবাফালে পাৰ পালো, সেয়েহে ইয়ালৈ অহা দেৰী হ'ল" শিৱনাথে ক'লে। পিছত চাৰিও বায়ুৰথত বহি মাণিক্যপুৰী পালেগৈ। সেই ঔষধি প্ৰত্যুষাক দিয়া হ'ল। এতিয়া তেওঁ সম্পূৰ্ণ সুস্থ হৈ পৰিল। প্ৰত্যুষাৰ বিবাহ হেমানন্দৰ লগত ধুমধামেৰে হৈ গ'ল।

সেই দিনাই সুন্দিয়া কপৰ্দিয়ে যাদুৰ প্ৰদৰ্শনীৰ আয়োজন কৰিলে। কপৰ্দিৰ আশা আছিল যে তেওঁৰ সফলতাত মানুহে তেওঁৰ খুব প্ৰশংসা

কৰিব আৰু মূল্যৱান বস্তু উপহাৰস্বৰূপে দিব। তেওঁ তান্ত্ৰিকৰ মন্ত্ৰদণ্ডৰ প্ৰয়োগ কৰিব খুজিলে। কিন্তু ওলোটাই সেই মন্ত্ৰদণ্ডই কপৰ্দিক খুব মাৰ পিট কৰিলে। অপমানিত কপৰ্দিয়ে মন্ত্ৰদণ্ড ভাঙি পেলালে আৰু লাজত জৰ্জৰিত হৈ তাৰপৰা গুচি গ'ল।

বেতালে এই কাহিনী কৈ উঠি নিজৰ সন্দেহ প্ৰকাশ কৰি বিক্ৰমাদিত্যক সুধিলে, "হেমানন্দৰ লগত যোৱা কপৰ্দিয়ে তান্ত্ৰিকক হৰুৱালে আৰু ঔষধি পাবৰ বাবে তেওঁক হৰুৱালে। তান্ত্ৰিকৰ মন্ত্ৰদণ্ড নাশ নকৰাকৈ নিজৰ লগত ৰাখিলে। কিন্তু সেই মন্ত্ৰদণ্ড পিছত তেওঁৰ কামত কিয় নাহিল। এই কথাই ইয়াকে প্ৰমাণ নকৰেনে যে অদ্ভুত শক্তিত বিশ্বাস কৰিলে কেতিয়াবা সেই শক্তিয়ে এদিন নহয় এদিন ওলোটাই বিশ্বাস কৰা জনকে দণ্ড দিব পাৰে। মোৰ এই সন্দেহৰ সমাধান তুমি যদি জানিও নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি ছিৰাছিৰ হ'ব।"

ৰজা বিক্ৰমাদিত্যই ক'লে, "বনৌষধিৰ বাবে ওলোৱা হেমানন্দক তিনিও সহায় কৰিছিল। সেই চাৰিও অতি কৰ্মদক্ষ আছিল। হেমানন্দ যেতিয়া পানীত ডুবিছিল, তেতিয়া শিৱনাথে কাঠৰ টুকুৰা দি তেওঁৰ প্ৰাণ বচাইছিল আৰু বন্ধুত্বৰ দায়িত্বও পালন কৰিলে।

নতুন বনৌষধিৰ দ্বাৰা মানৱ জাতিৰ কল্যাণ হ'ব, তাকে ভাবি সঞ্জীৱৰায়ে নিজৰ যৌৱন ত্যাগ কৰিলে। তান্ত্ৰিকক বীৰ্যহীন কৰাত চতুৰতা আৰু সামৰ্থ্য দেখুৱালে কপৰ্দিয়ে। কিন্তু, মন্ত্ৰ-দণ্ড হাতলৈ অহাৰ পিছত তেওঁ স্বাৰ্থপৰ হৈ পৰিল আৰু তেওঁৰ চিন্তাধাৰাতো পৰিৱৰ্তন আহিল। সেই মন্ত্ৰদণ্ডৰ বলত তেওঁ লাভ পাব খুজিলে। মন্ত্ৰদণ্ডৰ সঁচাকৈয়ে অদ্ভুত শক্তি আছিল। কিন্তু সি মহাদন্তৰ কণ্ঠস্বৰৰ প্ৰভাৱতহে কাম কৰিছিল। যি সেইডাল পাইছিল, তেওঁৰেই সহায় সি কৰিছিল। যি মন্ত্ৰদণ্ডৰ তিৰস্কাৰ কৰিছিল, তেওঁৰ একো সহায় সেই দণ্ডই নকৰিছিল। সেয়েহে কপৰ্দিৰ স্বাৰ্থসিদ্ধি নহ'ল। সেয়ে বেচেৰাই লাজত ম্ৰিয়মান হৈ তাৰপৰা গুচি যাব লগা হ'ল।"

ৰজাৰ মৌনতা ভংগত সফল হৈ বেতালে শটোৰ সৈতে অদৃশ্য হৈ পৰিল আৰু পুনৰ গছজোপাত গৈ উঠি থাকিলগৈ।

(কাশীৰাম শাস্ত্ৰীৰ ৰচনাৰ আধাৰত)



বিচিত্ৰ ভাৰত

বিজয়ীৰ বাবে তীখাৰ তৰোৱাল

ৰজা পুৰু আৰু দিগ্বিজয়ী বীৰ আলেকজেণ্ডাৰৰ মাজত হোৱা কথোপকথনৰ কথা মানুহৰ মুখে মুখে শুনা যায়। তেওঁৰপৰা কেনে ব্যৱহাৰ বিচাৰে বুলি যেতিয়া আলেকজেণ্ডাৰে সুধিছিল, তেতিয়া পুৰুৱে উত্তৰ দিছিল, "ৰজাৰ দৰে।" দিগ্বিজয়ী বীৰ ভাৰত এৰাৰ আগতে, ৰজা পুৰুৱে তেওঁক এটা উপহাৰ দিব খুজিছিল। উপহাৰটো আছিল তীখাৰ এখন তৰোৱাল। সেই সময়ত পাশ্চাত্যৰ দেশবোৰত তীখাৰ প্ৰচলন নাছিল। বিশ্বাস কৰা হয় যে পুৰনি ভাৰতৰ কিছুমান গাঁৱত তীখা উৎপাদন কৰা হৈছিল! দুহেজাৰ বছৰৰো আগতে এই লোহাৰ তৰোৱালখন আলেকজেণ্ডাৰক উপহাৰ স্বৰূপে দিয়া হৈছিল।

ভাৰতত প্ৰথম ছপাকাৰ্য

আজিৰেপৰা ৪৫০ বছৰৰ আগতে ভাৰতত ছপা কৰা প্ৰথমখন কিতাপ নৱেম্বৰ ৬ তাৰিখে উন্মোচন কৰা হৈছিল। এই ঐতিহাসিক ঘটনাৰ সোঁৱৰণতেই ২০০৬ চনত ভাৰতক ফ্ৰেংকফৰ্ট বিশ্ব গ্ৰন্থ মেলাত সন্মানীয় অতিথি দেশৰ মৰ্যাদা দিয়া হৈছিল। ভাৰতত প্ৰচলিত বিভিন্ন ভাষাত, খ্ৰীষ্টান মিছনেৰীসকলে পবিত্ৰ বাইবেল প্ৰকাশ কৰিব খুজিছিল। ১৫৪২ চনত স্পেইনৰ পৰা অহা ফ্ৰেঞ্চিছ জেভিয়াৰ নামৰ এজন খ্ৰীষ্টান মিছনেৰীয়ে তামিলনাডুৰ তৰংগমবাড়িত (ত্ৰেংকুইবাৰ) বাইবেলৰ শিক্ষা দিছিল। তেওঁ ভাৰতলৈ এটা ছপা মেছিন পঠিয়াবলৈ পৰ্তুগালৰ ৰজাক অনুৰোধ কৰিছিল। কেইজনমান ইহুদি মিছনেৰীয়ে অনা মেছিনটো ইতিমধ্যেই গোৱাত আছিল। পশ্চিম উপকূলত বাস কৰা লোকৰ ভাষা কংকনীত বাইবেল ১৫৫৬ চনত ছপা কৰা হৈছিল।

“মই সদায়ে ভাল পাই অহা আৰু আন বহুতো শিশুক ক'বলৈ ভাল পোৱা এটা সৰু কাহিনী ক'বলৈ ওলাইছো।” আজিৰেপৰা প্ৰায় ২০ বছৰৰ আগতে “মোৰ প্ৰিয় কাহিনী” শৃংখলালৈ এটা লেখা বিচাৰি চান্দমামাই কৰা অনুৰোধৰ প্ৰত্যুত্তৰত তেনেকৈ লিখিছিল ড.হৰিন্দ্ৰনাথ চট্টোপাধ্যায়ে। নিজৰ ভগ্নী সৰোজনী নাইডুৰ দৰে সমানেই সুখ্যাতি লাভ কৰা হৰিন্দ্ৰনাথ আছিল এজন মঞ্চ আৰু কথাছবি অভিনেতা, চিত্ৰশিল্পী তথা বাগ্মী। তেওঁৰ কোনো আনুষ্ঠানিক ডিগ্ৰী নাছিল, তথাপি কেম্ব্ৰিজ ইউনিভাৰ্চিটিয়ে তেওঁক পি.এইচ্চ.ডিৰ বাবে নামভৰ্তিৰ সুবিধা দিছিল। “জীৱন আৰু মই” শীৰ্ষক গ্ৰন্থকে ধৰি তেওঁ কেইবাখনো কিতাপ লিখিছিল। তেওঁক ১৯৭০ চনত পদ্মভূষণ সন্মান প্ৰদান কৰা হয়। “মই আটাইতকৈ বেছি ভালপোৱা কাহিনী” নামৰ চলিত শৃংখলাৰ বাবে পৰৱৰ্তী কাহিনীলৈ অপেক্ষা কৰি থাকোতেই আমি ভাবিলো এজন বহুমুখী প্ৰতিভাসম্পন্ন লেখকৰ কলমৰপৰা ওলোৱা এটা কাহিনীকে আজিৰ বাঢ়ি অহা প্ৰজন্মক পঢ়িবলৈ দিয়া যাওক। *- সম্পাদক*

পৃথিৱীৰ সবাতোকৈ সুন্দৰ নাৰীগৰাকী

নীলাভ আকাশৰ তলতে আছে কৃষকৰ সেই গাঁওখন। জনবসতি থকা এলেকা পাৰ হৈ বিয়পি আছে গাঁওখনৰ পৰিধি। গাঁওখনৰ শ্যামল পথাৰবোৰে গৌৰৱ কৰি আছে নিজৰ শ্যামল বৰণৰ বাবে, আকাশৰ নীলাৰ সৈতে তুলনা কৰিব পৰা সৌন্দৰ্যৰ বাবে।

প্ৰকৃতি সুন্দৰ কিন্তু পথাৰত মূৰৰ ঘাম মাটিত পেলাই পৰিশ্ৰম কৰা কৃষকৰ বাবে সেই সৌন্দৰ্যৰ কোনো অৰ্থ নাই, যদিহে প্ৰকৃতিয়ে শস্য পকাত আৰু পথাৰখনক প্ৰাচুৰ্যৰ হাঁহি মৰাত সহায় কৰিব নোৱাৰে। শিশুসকল, তোমালোকে বিশ্বাস নকৰিবা যে শস্যৰ ভাল উৎপাদনত কেৱল বৰষুণেহে সহায় কৰে, কৃষকৰ দেহৰপৰা বাগৰি অহা ঘামৰ টোপালবোৰৰ কথা তোমালোকে কেতিয়াও পাহৰি যাব নোৱাৰিবা। এই হাড়ভগা পৰিশ্ৰমৰ বাবে এটা ভাল পুৰস্কাৰ তেওঁলোকৰ প্ৰাপ্য।

বাৰু যি কি নহওক, এতিয়া মোক মনত পেলাবলৈ দিয়া এটা কাহিনী যিটো পঢ়ি প্ৰতিটো অকণ অকণিয়ে খুব ভাল পাব আৰু সদায় মনত পেলাব বুলি মই আশা কৰিছো।

এদিন বিয়লি সূৰ্যটো গোটেই দিনটো কৃষকে কৰাৰ দৰে কঠোৰ পৰিশ্ৰম কৰি উঠি অস্ত যাবলৈ সাজু হৈছিল। সঁচাকৈয়ে, সূৰ্যটোক আকাশৰ অকলশৰীয়া কৃষক বুলিয়েই ক'ব পাৰি, কিয়নো ৰাতি এমুঠি তৰা চপাই আনিবলৈকে সূৰ্যই দিনৰ দিনটো পৰিশ্ৰম

কৰে। সূৰ্য সেইদিনা অস্ত গৈছিল। বন্ধুসুলভ সহযোগিতাৰে সিচা শস্য চপাই কৃষক পুৰুষ আৰু নাৰী সেইদিনা নিজ নিজ জুপুৰীলৈ ঘূৰি গৈছিল; ঘৰমুৱা কৃষক দলটোত আছিল মাকৰ হাতত ধৰি নিৰাপদ অনুভৱ কৰা আৰু আনন্দে দৰে গীত গাই যোৱা সৰু সৰু ল'ৰা ছোৱালী।

তাৰে এটা অকণমানি ল'ৰা মগ্ন আছিল পখিলা খেদাত। কিছুমান পখিলাৰ আছিল ক'লা বগা দাগ থকা বিশাল সুন্দৰ পাখি; আন কিছুমানৰ পাখিৰ ৰঙ আছিল সুমথিৰা আৰু বগা, কিছুমানৰ পাখিত আছিল মাজে মাজে ৰঙা পটী থকা গাখীৰৰ দৰে বগা পাখি। কি যে অভাৱনীয় সৌন্দৰ্য এই পখিলাবোৰৰ! ঠিক যেন এক মন সন্মোহিত কৰা কবিতাৰ দৰে! যেন উৰি ফুৰা একোপাহ ফুল! কৃষক-সকল পথাৰৰপৰা ঘূৰি গৈছিল কেইমাইলমান দূৰৈত থকা নিজ নিজ জুপুৰীলৈ। মাইলৰ পিছত মাইল খোজ কঢ়াত কৃষকসকল অভ্যস্ত আছিল, তেওঁলোকৰ ভৰিৰ চাপ নাপালে যেন ৰাস্তাবোৰৰ অশান্তিহে হয়।

পিছে পখিলাৰ পাছে পাছে দৌৰি ফুৰা সেই সৰু ল'ৰাটোৱে হঠাতে আৱিষ্কাৰ কৰিলে যে সিতো বহু দূৰলৈ গুচি আহিল। তাৰ মাক যে ওলোটা দিশত গুচি গৈছে, ল'ৰাটোৱে গমেই নাপালে। ল'ৰাটোৱে ভয়তে চিঞৰি দিলে, "মা! মা!" ইফালে সূৰ্যটো একেবাৰে লুকাই গৈছে। দশোদিশ অন্ধকাৰ।

বতাহত ল'ৰাটোৰ চিঞৰৰ প্ৰতিধ্বনি শুনা গ'ল, "মা! মা!" তাৰ উচুপনিৰ শব্দ ভাহি আহিল। নিৰ্জন ৰাস্তা, নিৰ্জন পথাৰ, কেউফালে কেৱল ভয়লগা নীৰৱতা।

সৌভাগ্যবশতঃ বিপৰীত দিশৰপৰা আহিল পকা আপেল বৰণীয়া এজন হৃষ্ট পুষ্ট কৃষক। তেওঁৰ গম্ভীৰ মাতটোৱে কথা ক'লে দশোদিশ ৰজনজনাই গৈছিল। "তুমি কান্দিছা কিয়, মোৰ সোণটো?" মানুহজনৰ কণ্ঠত আছিল প্ৰত্যয় আৰু সহানুভূতিৰ সুৰ।

"মই মোৰ মাক বিচাৰিছো।" উচুপি উচুপি কথাষাৰ কওঁতে ল'ৰাটোৰ দুখতে উশাহ বন্ধ হোৱাৰেই উপক্ৰম হৈছিল।

"তোমাৰ মানো দেখিবলৈ কেনেকুৱা?" অচিনাকি কৃষকজনে সুধিলে।

Statement about Ownership of CHANDAMAMA (Assamese)
Rule 8 (FormVI), Newspaper (Central) Rules, 1956

1. **Place of Publication**
JVL Plaza, Block-A, 6th Floor
626, Anna Salai, Teynampet
Chennai-600018
2. **Periodicity of Publication**
MONTHLY
1st of each calendar month
3. **Printer's Name**
B. VISWANATHA REDDI
Nationality
INDIAN
Address
JVL Plaza, Block-A, 6th Floor
626, Anna Salai, Teynampet
Chennai-600018
4. **Publisher's Name**
B. VISWANATHA REDDI
Nationality
INDIAN
Address
JVL Plaza, Block-A, 6th Floor
626, Anna Salai, Teynampet
Chennai-600018
5. **Editor's Name**
B. VISWANATHA REDDI
(Viswam)
Nationality
INDIAN
Address
JVL Plaza, Block-A, 6th Floor,
626, Anna Salai, Teynampet,
Chennai-600018
6. Name and Address of individuals who own the newspaper
Chandamama India Ltd.
Board of Directors:
1. Kiran Kulkarni
2. Prashant Mulekar
3. B. Viswanatha Reddi
JVL Plaza, Block-A, 6th Floor
626, Anna Salai, Teynampet
Chennai-600018

I, B. Viswanatha Reddi, *do hereby declare that the particulars given above are true to the best of my knowledge and belief.*

(Sd.) B. VISWANATHA REDDI
1st March 2008 *Publisher*

"তেওঁ খুব সুন্দৰ!" ল'ৰাটোৱে উত্তৰ দিলে।

"চিন্তা নকৰিবা!" পকা আপেল বৰণীয়া কৃষকজনে ক'লে, হঠাতে ৰাস্তাত এগৰাকী সুন্দৰ নাৰী আৰ্বিভাৱ হ'ল।

"এওঁৱেই নেকি তোমাৰ মা? এওঁতো দেখাত খুব সুন্দৰ!"

"নহয়! নহয়! মোৰ মা এই পৃথিৱীৰ ভিতৰতে সবাতোকৈ সুন্দৰ নাৰী!"

সোনকালেই আৰু এগৰাকী সুন্দৰ নাৰী ৰাস্তাইদি পাৰ হৈ গ'ল। "সেয়া নেকি তোমাৰ মা!"

ল'ৰাটো অধৈৰ্য হৈ উঠিছে, "নহয়, নহয়! কৈছো নহয়, মোৰ মা এই পৃথিৱীৰ ভিতৰতে সবাতোকৈ সুন্দৰ নাৰী!"

আচৰিত কথা, পাৰ হৈ যোৱা নাৰীসকলৰ এগৰাকী আগৰগৰাকীতকৈ বেছি সুন্দৰ আছিল। কিন্তু অস্থিৰ ল'ৰাটোৱে দুখ আৰু ভয়ত ভাবিবলৈ বাধ্য হৈছিল সি তাৰ মাকক আকৌ দেখা নাপাবও পাৰে।

পিছে এটা কথা। বিশ্বাস থাকিলে প্ৰেম কেতিয়াও ব্যৰ্থ হ'ব নোৱাৰে।

ল'ৰাটোৱে দেখিলে এগৰাকী নাৰী তাৰ ফালেই আহি আছে। আনন্দত উত্ৰাৱল হৈ ল'ৰাটোৱে জঁপিয়াই দিলে আৰু তাৰ কণ্ঠই বলে পাৰে মানে সি চিঞৰিলে। "সৌৱা মোৰ মা! মা আহিছে, অৱশেষত মা আহিল!"

পকা আপেল বৰণীয়া কৃষকজনে হাঁহিৰ গৰ্জন তুলিলে, আৰু সৰগত যেতিয়া সেই হাঁহিৰ প্ৰতিধ্বনি উঠিল, সৰগবাসীয়ে ভাবিলে পৃথিৱীত হৈছে কি!

ল'ৰাটোৰ মাক দেখাত তেনেই সাধাৰণ এগৰাকী কৃষক নাৰী আছিল। তেওঁ আনকি এটা চকু হেৰুৱাইছিল আৰু তেওঁৰ মুখখন সূৰ্যৰ প্ৰখৰ তাপে ডেই পুৰি নিছিল।

"তোমাৰ মা? হে ভগৱান! এওঁৱেই নেকি তুমি কোৱা পৃথিৱীৰ ভিতৰতে সবাতোকৈ সুন্দৰ নাৰী?" অচিনাকি কৃষকজনে অট্ট-হাস্য কৰিলে।

"হয়, তেওঁৱেই পৃথিৱীৰ ভিতৰতে সবাতোকৈ সুন্দৰ নাৰী, মোৰ মা!" ল'ৰাটোৰ মাতত আছিল শৈশৱৰ বসন্তত ফুলা আটাইবোৰ ফুলৰ সুবাস।

বিছ বছৰতে ডক্তৰেট

তথাগত অৱতাৰ তুলসী নামৰ এটা ল'ৰা। এই ল'ৰাটোৱে মাত্ৰ ১০ বছৰ বয়সত বি.এচচি.ডিগ্ৰী লৈছিল; দুবছৰৰ পাছত তেওঁ লাভ কৰিছিল এম.এচচি ডিগ্ৰী আৰু এতিয়া ২০ বছৰ বয়সত তেওঁ বাংগালোৰৰ ইণ্ডিয়ান ইনষ্টিটিউট অৱ চায়েন্সৰপৰা পি.এইচ.ডি. পোৱা কনিষ্ঠতম ব্যক্তি হ'বলৈ ওলাইছে। তথাগতৰ যেতিয়া তিনি বছৰ বয়স হৈছিল, তেতিয়া তেওঁ এখন নিয়মীয়া স্কুললৈ যাব খোজা নাছিল, কাৰণ তেওঁ গোটেইটো পাঠ্যক্ৰম জানেই। তেওঁ হাইস্কুল শেষ কৰে ৬ বছৰ বয়সত। তেওঁৰ অভাৱনীয় স্মৰণ শক্তি আছে যেতিয়া তেওঁৰ ৮ বছৰ বয়স হৈছিল তেতিয়া তেওঁক ষষ্ঠ শ্ৰেণীত নামভৰ্তি কৰা হৈছিল। একে সময়তে তেওঁ ষষ্ঠ শ্ৰেণীৰপৰা দশম শ্ৰেণীৰ পাঠ্যপুথিবোৰ পঢ়ি পেলাইছিল। ১৯৯৭ চনত দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা শেষ কৰাৰ সময়ত তেওঁৰ বয়স হৈছিল মাত্ৰ ১০ বছৰ।

চেগুণ কাঠৰ ধ্বজদণ্ড

কেৰালাৰ ইটুমানুৰ মহাদেৱ মন্দিৰত সোনকালেই চেগুণ কাঠৰ এডাল নতুন ধ্বজদণ্ড হ'ব। ইয়াৰ বাবে এজোপা চেগুণ গছ ইমান সাৱধানে কটা হৈছিল যে গছজোপাৰ কোনো অংশই মাটিত পৰা নাছিল। ক্ৰেনৰ সহায়ত এই কাম কৰাটো সম্ভৱ হৈছিল। দুশ বছৰীয়া চেগুণ গছজোপাত ঘৰ পাতি বহা আত্মাবোৰক আহ্বান কৰি কৰা এভাগ পূজাৰে এই কাম আৰম্ভ কৰা হৈছিল। মন্দিৰৰ ধ্বজাদণ্ড নিৰ্মাণৰ দায়িত্বত থকা কাঠমিস্ত্ৰী-সকলৰ নেতাজনে এই পূজা সম্পন্ন কৰে। ইয়াৰ পাছত গছজোপা কাটিবলৈ বৃক্ষ ৰজাৰ অনুমতি বিচাৰি আৰু এভাগ পূজা কৰা হৈছিল। মুখ্যকাঠমিস্ত্ৰীজনে তাৰপাছত আনুষ্ঠানিকভাৱে কুঠাৰখন তুলি দিছিল এজন খৰিকটীয়াৰ হাতত। খৰিকটীয়াজনে প্ৰথমে পূবৰ ফালে মুখ কৰি থকা গছজোপাৰ শিপাবোৰ কাটিছিল। কটাৰ পাছত চেগুণ জোপাৰ বৃহৎ কাঠৰ টুকুৰাটো মন্দিৰলৈ শোভাযাত্ৰা কৰি লৈ যোৱা হৈছিল।

মাজ নিশা

নাৰায়ণপুৰৰ জমিদাৰ ধনঞ্জয় পৰিশ্ৰমী খেতিয়ক আছিল। তেওঁৰ পুত্ৰ প্ৰসাদ বুদ্ধিমান আছিল। কিন্তু সি মহা এলেহুৱা আছিল। ধনঞ্জয়ে পুতেকক বুজাই কয়, "বহি বহি খাই বৈ থাকিলে পৰ্বতো গলি যায়। কপালৰ ঘাম মাটিত পেলাই কাম নালাগে। কিন্তু অন্ততঃ অইনৰ লগততো লাগিব পাৰ।" কিন্তু প্ৰসাদে খেতি পথাৰলৈ যোৱাৰ নামেই নলৈছিল। বহুত জোৰ কৰাত গৈছিল যদিও কাম কৰা মানুহবোৰৰ সৈতে খুট খাটকৈ লাগি থাকিছিল। সিহঁতৰ কামতো অশান্তি কৰিছিল। তাৰ প্ৰশ্ন বোৰৰো কোনো অৰ্থ নাছিল। গাঁৱত যাকেই সি দেখা পাইছিল, তাকেই সি এনে ধৰণৰ প্ৰশ্ন কৰিছিল, যাৰ ফলত সেইজন মানুহ বিৰক্ত হৈ উঠিছিল। সেয়ে প্ৰসাদক দেখিয়েই মানুহ দূৰতে পলাইছিল।

এবাৰ সি ঘৰৰ লগুৱা লচ্ছুৰ লগত মেলা চাবলৈ বুলি ৰাজবৰলৈ গ'ল। তাৰপৰা আহোঁতে আহোঁতে সন্ধিয়া লাগিবৰ হ'ল। লৰালৰিকৈ গাঁৱলৈ বুলি আহোঁতে তাৰ বাট হেৰাল। সি গাঁৱলৈ কেনেকৈ আহিব ভাবি নাপালে। তেনেতে সি দূৰত পোহৰৰ বেঙনি দেখিলে।

ওচৰ চাপি গৈ সি দেখিলে এটা জুপুৰীত এজন বৈৰাগী বহি আছে। তেওঁক দেখিয়েই প্ৰসাদে সুধিলে, "ইয়াত তো কোনো এজন দ্বিতীয় ব্যক্তি মই দেখা নাই। এই হাবিত অকলে অকলে কি কৰিছে? কেনেকৈ আছে? গাঁৱৰ পৰা আঁতৰি আহিলেই সকলো সমস্যা দূৰ হৈ যায়নে? ইয়াততো খাবলৈয়ো একো পোৱা নাযায়। আপুনি সঁচাকৈয়ে বৈৰাগী নে পাৰিবাৰিক কষ্ট সহ্য কৰিব নোৱাৰি ইয়ালৈ পলাই আহিছে? এনেকুৱা তো নহয় যে অপৰাধ কৰি নিজকে বচাবৰ বাবে ইয়াত লুকাই আছা?" এইদৰে অভ্যাসবশতঃ প্ৰশ্নৰ উপৰি প্ৰশ্ন সুধি গ'ল।

বৈৰাগীয়ে মিচিকিয়াই হাঁহি ক'লে, "তুমি

কাশীৰাম শাস্ত্ৰী

দেখিছো বৰ ভাগৰুৱা। এই কলটো খাই লোৱা আৰু আৰামেৰে শুই যোৱা। পুৱা তোমাৰ সকলো সন্দেহ দূৰ কৰিম।"

প্ৰসাদে কলটো খালে আৰু সেই জুপুৰীটোত শুই পৰিল। লচ্ছুও তাৰ অলপ আঁতৰত শুই পৰিল।

ইতিমধ্যে প্ৰসাদে কিছুমান দীঘল দীঘল গছ দেখা পাইছিল। তাত তো আন্ধাৰ নাছিল। একেবাৰে দিনৰ দৰে লাগিছিল। প্ৰসাদে খৰধৰকৈ গৈ তাত ওলালগৈ। প্ৰসাদক দেখিয়েই কিছুমান ওখ ওখ মানুহ গছৰপৰা নামি আহিল। সকলোবোৰে আহি তাক ঘেৰি ধৰিলে। তাৰে এজনে প্ৰসাদক নমস্কাৰ জনাই ক'লে, "মহোদয়, মোৰ নাম মোৰী। দীৰ্ঘদিনৰ অন্তত ইয়ালৈ আজি অতিথি আহিছে। এই গাঁৱৰ হৈ মই আপোনাক স্বাগতম জনাইছো। আমাৰ আতিথ্য স্বীকাৰ কৰক।"

"আপোনালোকে সকলো গছৰপৰা নামিছে। আপোনালোকৰ ঘৰ ক'ত?" প্ৰসাদে আচৰিত হৈ সুধিলে।

"আমাৰ ঘৰ গছৰ ওপৰতে।" এইবুলি মোৰীয়ে ওপৰলৈ দেখুৱালে।

ওপৰলৈ চাই প্ৰসাদে দেখা পালে যে সেই ওখ ওখ গছবোৰত খেৰৰ সুন্দৰ ঘৰ। তাকে দেখি আচৰিত হৈ প্ৰসাদে সুধিলে, "মই জনাত এতিয়া মাজৰাতি। কিন্তু ইয়াত যে পোহৰ। একেবাৰে দিন যেন। এয়া তো আচৰিত কথা।"

তেতিয়া মোৰীয়ে ক'লে, "আমি সূৰযপুৰ গাঁৱৰ। ইয়াত সূৰ্যাস্ত নহয়। আমাৰ পূৰ্বপুৰুষসকলে কৈছিল যে ইয়ালৈ যিয়েই আহে,



তেওঁৰে আতিথ্য কৰিবা। বয়স্কসকলে যি নিয়ম প্ৰচলন কৰিবলৈ কয়, সেয়া কৰাটো আমাৰ প্ৰথম কৰ্তব্য। তাকে নকৰিলে সূৰ্য্য অস্ত যাব আৰু ইয়াত আন্ধাৰে ঢাকি ধৰিব। অতিথিৰ বাবে বিশেষভাবে এটা সুন্দৰ অতিথি গৃহৰো ব্যৱস্থা কৰা হৈছে।"

"সেই অতিথি গৃহ ভূমিত আছে নে এই গছৰ ওপৰতে আছে?" প্ৰসাদে সুধিলে।

"সেই অতিথি গৃহ এইবোৰ গছতকৈও ওখ এজোপা গছত আছে," এইবুলি তেওঁ প্ৰসাদক এজোপা দীঘল গছৰ ওপৰত তৈয়াৰ কৰা অতিথি গৃহটো দেখুৱালে।

"মই গছৰ ওপৰত উঠিব নাজানো," প্ৰসাদে ক'লে। "আপুনি এই বিষয়ে নিশ্চিত থাকক। আমি ইয়াৰ ব্যৱস্থা কৰিম।" এইদৰে কৈ মোৰীয়ে প্ৰসাদৰ ভৰিত চকৰি বান্ধি

দীৰ্ঘদিনৰ পিছত অতিথিৰূপে আমাৰ ইয়ালৈ আপুনি আজি আহিছে। সেয়েহে আমি উৎসৱ পালন কৰিছোঁ।" মেৰীয়ে ক'লে।

তলত নৃত্য গীত কৰাসকলে প্ৰসাদক তললৈ আহিবলৈ ইঙ্গিত দিলে। প্ৰসাদে পুনৰ ভৰিত চকৰি বান্ধি তললৈ নামিল। প্ৰসাদে দেখিলে যে মানুহবোৰে বাঁহৰ পাত্ৰত কিবা ৰস পান কৰিছে। তাৰে এটাই প্ৰসাদকো এটা ৰসভৰা পাত্ৰ দিলে। সেই ৰস পান কৰি প্ৰসাদে ক'লে, "অতি ৰুচিকৰ। কিন্তু এই কথা কওকচোন যে যি দুজন লোকে বাঁহৰ পাত্ৰত এই ৰস ভৰাই আছে, তেওঁলোক মৌন কিয় আৰু তেওঁলোকক ইমান দুখী যেন কিয় লাগিছে"

"সেই দুজন মৌন স্বামীয়েই এই সুন্দৰ ৰস তৈয়াৰ কৰিছে। তেওঁলোকে অৰ্থহীন প্ৰশ্ন কৰি সকলোৰে সময় নষ্ট কৰিছিল। অৰ্থহীন প্ৰশ্ন কৰি আমাক বিৰক্ত কৰাসকলৰ জিভা আমি কাটি দিছোঁ, যাতে সিহঁতে আৰু প্ৰশ্ন কৰি আমাক বিৰক্ত কৰিব নোৱাৰে। আৰু এই ৰস তৈয়াৰ কৰাৰ দায়িত্বও তেওঁলোকক সঁপিলো। এনে লোকক আমি এনেধৰণৰ দণ্ডই দিওঁ।" এজন ওখ মানুহে বিৱৰণ দিলে।

দিলে। সেই চকৰিৰ সহায়ত প্ৰসাদ গৈ গছৰ ওপৰত থকা অতিথি গৃহ পালেগৈ। তাৰ পিছে পিছে বাকীবোৰ আহিল আৰু বাঁহেৰে সজা এখন সুন্দৰ সিংহাসনৰ ওপৰত তাক বহুৱালে।

প্ৰসাদে দেখিলে যে তাত শিলৰ চৌকাৰ চাৰিওফালে এটা ক'লা মেকুৰী ইফালে সিফালে ঘূৰি আছে। মেকুৰীটোৰ ফালে ট ট কৈ চাই থকা প্ৰসাদলৈ চাই মেৰীয়ে ক'লে, "যি সকল এলেহুৱা লোক, পৰিশ্ৰম কৰিব নোখোজে, আৰু বহি শুই খাব খোজে, সেইসকলক দণ্ড-স্বৰূপে আমি ক'লা মেকুৰীলৈ পৰিণত কৰোঁ আৰু সিহঁতৰ দ্বাৰা সকলোৰে বাবে খাদ্য ৰন্ধাওঁ।" তাকে শুনি প্ৰসাদ কঁপি উঠিল।

ইতিমধ্যে তলত কোৰহল শুনি প্ৰসাদে তললৈ জুমি চালে। কিছুমানে নাচ গান কৰি আছিল।

প্ৰসাদ ভয়ত বিতত হৈ পৰিল। তাৰ সৰ্বশৰীৰ ঘামত তিতি গ'ল। ইতিমধ্যে তাত জুইৰ বৰষুণ হ'বলৈ ধৰিলে। মানুহবোৰে জুইৰ বৰষুণত আনন্দমনে নাচ গান কৰিবলৈ ধৰিলে।

"আপুনি অহাৰ বাবেই জুইৰ এই বৰষুণ হৈছে। আপোনাৰ ওচৰত আমি ঋণী।

এতিয়া কওক, আপোনাক কি লাগিব? আমি আপোনাৰ ইচ্ছা অৱশ্যে পূৰা কৰিম।" এজন বৃদ্ধ লোকে ক'লে।

"মোক সোনকালে গাঁৱত থৈ আহক। মোক আৰু একো নালাগে। অন্যথা কোনোবা এজোপা গছত ওলমি আত্মহত্যা কৰিম।" প্ৰসাদ কান্দি কান্দি ক'লে।

"তেনে কাম নকৰিব। আপুনি বিচৰা দৰেই আপোনাক গাঁৱত থৈ আহিম।" এইবুলি চাৰিটা মানুহে প্ৰসাদক ঘূৰাই ঘূৰাই দলিয়াই দিলে।

প্ৰসাদে শূন্যতে জঁপিয়াই জঁপিয়াই "বচোৱা, বচোৱা" বুলি চিঞৰিবলৈ ধৰিলে।

ওচৰতে শুই থকা লচ্ছুৱে প্ৰসাদক জগাই ক'লে, "কি হ'ল ককাইদেউ? কিবা সপোন দেখিছিল নেকি?"

চকু মেলি প্ৰসাদে ক'লে, "অঁ সপোন দেখিছিলোঁ।" এইবুলি দীঘলকৈ উশাহ ল'লে। "এটা বৰ বিচিত্ৰ আৰু অসম্ভৱ সপোন দেখিছিলো।"

ইয়াৰ পিছত সি আৰু শুব নোৱাৰিলে। জুপুৰীৰ পৰা বাহিৰলৈ ওলাই আহিল। সেই কঁপনি উঠা জাৰত, গাত কাপোৰ এখনো নোলোৱাকৈ, কেৱল এটা ভৰিৰ ওপৰত থিয় দি থকা বৈৰাগীক দেখি সি স্তম্ভিত হ'ল। চকু মেলাৰ লগে লগেই বৈৰাগীৰ ভৰিত পৰি প্ৰসাদে প্ৰণাম কৰিলে।

বৈৰাগীয়ে মিচিকিয়াই হাঁহি প্ৰসাদক তুলি ধৰি ক'লে, "তোমাৰ সন্দেহ দূৰ হ'লনে পুত্ৰ?"

প্ৰসাদে 'হয়' বুলি মূৰ লৰালে।

"সময় দৈৱ স্বৰূপ। এলাহ অতি নিকৃষ্ট স্বভাৱ। অনাৱশ্যক কথা কৈ সময় খৰচ নকৰিবা। সময়ৰ সৎ ব্যৱহাৰ কৰিবা।" এইদৰে কৈ বৈৰাগীয়ে তাক আশীৰ্বাদ দিলে।

লগুৱা লগত লৈ গাঁৱলৈ ঘূৰা প্ৰসাদে সেই দিনাৰ পৰা অনাৱশ্যক প্ৰশ্ন সোধা অভ্যাস বাদ দিলে। এলাহ ত্যাগ কৰিলে আৰু খেতি পথাৰত গৈ পৰিশ্ৰম কৰিবলৈ ধৰিলে। পিতাকৰ কথা মতে কাম কৰিবলৈ ল'লে আৰু পিতাককো প্ৰতিটো কামতে সহায় কৰিবলৈ ধৰিলে। শান্ত আৰু গম্ভীৰ স্বভাৱৰ প্ৰসাদ এতিয়া সকলোৰে প্ৰিয়পাত্ৰ হৈ পৰিল।

মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-২৭

নিজৰ অসৌজন্যতা কেনেকৈ ঢাকিছিল মাৰ্ক টোৱেইনে

মাৰ্ক টোৱেইন হ'ল ছেমুৱেল লাংহৰ্ন ক্লেমেনচৰ (১৮৩৫-১৯১০) ছদ্মনাম। *দ্য এডভেঞ্চাৰ অৱ টম ছয়েৰ* আৰু *দ্য এডভেঞ্চাৰ অৱ হাকলবেৰী ফিন* আদি প্ৰখ্যাত গ্ৰন্থৰ লেখক, এই আমেৰিকান লেখকজন তেওঁৰ কৌতুক-পূৰ্ণ মন্তব্য আৰু কামৰ বাবে বিখ্যাত আছিল।

জীৱনৰ আগ বয়সত, যেতিয়া তেওঁ এজন লেখক হিচাপে আনকি নিজৰ অঞ্চলতো পৰিচিত হোৱা নাছিল, তেতিয়াৰ কথা। এদিনাখন, এটা গ্ৰন্থালয় থকা বুলি গৰ্ব কৰি থকা এজন ধনী প্ৰতিবেশীক তেওঁ এবাৰ সুধিছিল যে তেওঁৰ পৰা কেতিয়াবা এখন

দুখন কিতাপ নিব পাৰিব নেকি? প্ৰতিবেশী জনে সন্মতি দিলে, কিন্তু লগতে ক'লে, "তুমি ইচ্ছানুসৰি কিতাপ ল'ব পাৰা, কিন্তু সেই কিতাপ তুমি মোৰ ঘৰতেই পঢ়িব লাগিব। মই সেয়া লৈ যাবলৈ নিদিওঁ। এই নিয়ম মই কঠোৰভাৱে পালন কৰোঁ।"

মাৰ্ক টোৱেইনে এই চৰ্ত মানিবৰ বাবে ৰাজী নাছিল। তেওঁ সেয়া ক'লে, "ধন্যবাদ," আৰু তাৰপৰা গুচি গ'ল।

কেইমাহমানৰ পিছত সেই প্ৰতিবেশীজনে মাৰ্ক টোৱেইনৰ চ'ৰাঘৰলৈ জুমি চালে আৰু সম্ভাষণ জনাই ক'লে, "মোৰ ঘাঁহনি চাফা কৰা মেচিনটো বেয়া হৈ আছে। তোমাৰটো নিব পাৰোঁনে?"

"আপুনি সেইটো নিব পাৰিব। কিন্তু সেইটো আপুনি কেৱল মোৰ চোতালতহে ব্যৱহাৰ কৰিব পাৰিব। মই সেইটো বাহিৰলৈ নিবলৈ দিব নোৱাৰোঁ। এই নিয়ম মই কঠোৰভাৱে পালন কৰোঁ।" শান্তভাৱে মাৰ্ক টোৱেইনে ক'লে।

আনকি যদিও এই ঘটনাটো মাৰ্ক টোৱেইনৰ জীৱনৰ বুলি কোৱা হয়, এই কথা প্ৰকৃততে সঁচা হয় নে নহয় কোনেও ক'ব নোৱাৰে। কিন্তু এইবাৰ আমি আন এটি ঘটনা উল্লেখ কৰিব খুজিছো। যিটো ঘটনাৰদ্বাৰা গম পোৱা যায় যে এই মহান লেখকজনো সামান্য পৰিমাণে অস্বাভাৱিক আছিল।

এবাৰ তেওঁ 'আঙ্কল টম্‌চ কেবিন'ৰ লেখক শ্ৰীমতী হেৰিয়েট বীচ্চাৰ ষ্টৌ'ৰ ওচৰলৈ গৈছিল। ঘৰলৈ ঘূৰি অহাৰ পিছত তেওঁৰ পত্নীয়ে ভীষণ উদগ্ৰীৱ হৈ তেওঁক নিৰীক্ষণ কৰিবলৈ ধৰিলে।

"কি হ'ল?" মাৰ্ক টোৱেইনে সুধিলে।

তুমি বাৰু ইমান অশোভনীয় ভাবে কিয় সাজ পাৰ কৰি গৈছিলা?" পত্নীয়ে কঠোৰ-ভাৱে ক'লে।

মাৰ্ক টোৱেইনে এখন আইনাৰ সমুখত থিয় দি ভালদৰে চালে। কিন্তু তেওঁৰ সাজ পোচাকত অশোভনীয় একো দেখা নাপালে। তেওঁ পত্নীলৈ প্ৰশ্ন বোধক দৃষ্টিৰে চালে।

"তুমি বাৰু তেনে এগৰাকী বিশিষ্ট মহিলাৰ ওচৰলৈ গলাবান্ধ নলগোৱাকৈ কেনেকৈ যাব পাৰিলা। তেওঁ বাৰু তোমাৰ কথা কি ভাবিছে?" তেওঁৰ পত্নীয়ে ক'লে।

মাৰ্ক টোৱেইনে একো নামাতিলে। কিন্তু তেওঁ হঠাতে এটা টোপোলা বন্ধাত ব্যস্ত হৈ পৰিল।

তেওঁৰ পত্নীয়ে পিছতহে গম পালে তেওঁ সেয়া কিহৰ টোপোলা বান্ধিছিল। তেওঁ নিজৰ গলাবান্ধখন এটা টোপোলা কৰি শ্ৰীমতী ষ্টৌলৈ পঠিয়াই দিলে। লগতে এইবুলি লিখি দিলে।

"আপোনাৰ ওচৰলৈ মই গলাবান্ধ নমৰাকৈ যোৱাৰ বাবে মোৰ পত্নী অসন্তুষ্ট হৈছে। সেই মূল্যৱান বস্তুটো মই পঠাই দিছোঁ। মই খুব সম্ভৱ আপোনাৰ ওচৰত আধা ঘন্টা সময় আছিলো। এই বস্তুটিও সেয়ে সিমান সময়ৰ বাবে আপোনাৰ ওচৰত ৰাখিব। তাৰ পিছত আপুনি সেইটো মোলৈ পঠাই দিব পাৰে। কিয়নো মোৰ গলাবান্ধ এডালেই আছে। মই পঠোৱা মানুহজন অপেক্ষা কৰিব। মোক শোভনীয় কৰাত আপোনাৰ এইৰূপ সহযোগিতাৰ বাবে ধন্যবাদ।"

-মনোজ দাস

চান্দমামা ভাৰত কুইজ-১২ (জানুৱাৰী ২০০৮)

আমাৰ অসমীয়া সংস্কৰণৰ কোনো প্ৰৱিষ্টিতে আটাইবোৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। আমাৰ পাঠকসকলৰ সুবিধাৰ্থে, কুইজ-১২ৰ উত্তৰসমূহ ৪১ পৃষ্ঠাত দিয়া হৈছে। চান্দমামা কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা-৬

মুক্ত বৃষভৰজা

শ শ বছৰৰ আগতে, এখন বণিকৰ জাহাজ মাল লৈ স্বদেশ অভিমুখে আহি আছিল। ধীৰে ধীৰে বতাহ বলি আছিল। পৰিৱেশ খুব প্ৰশান্ত আছিল। হঠাতে হাজাৰ হাজাৰ সৰু সৰু নাৱে জাহাজখন ঘেৰি ধৰিলে। জাহাজৰ কেপ্তেইন আৰু বিষয়াসকল সচকিত হৈ উঠিল। তেওঁলোকে এইটো জানিবলৈ চেষ্টা কৰিলে আচলতে হৈছেনো কি, কিন্তু বিজুলী বেগত নাৱৰপৰা মানুহবোৰ জাহাজত জঁপিয়াই পৰিল হাতত যি পাৰে তাকে লৈ। চাওঁতে চাওঁতে এটা হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হ'ল। বেপাৰীসকলে ভয়তে চিঞৰিবলৈ ধৰিলে, "কি হৈছে, হৈছে কি।"

প্ৰাচীন কালত কলিংগ ৰাজ্য নামেৰে প্ৰসিদ্ধ বৰ্তমানৰ উৰষ্যাক ব্ৰিটিছে ১৭ শতিকাত নিজৰ বেপাৰ কেন্দ্ৰ কৰি লৈছিল। কিন্তু উপকূলীয়া এজন ৰজাই এই কথা একেবাৰে পছন্দ কৰা নাছিল যে কোনোবা বিদেশী তেওঁৰ ৰাজ্যত প্ৰৱেশ কৰক আৰু তাৰ মূল্যৱান বস্তু তথা পুঁজি বলপূৰ্বকভাৱে লৈ যাওক। এবাৰ নহয়, দুবাৰ নহয় বহু বাৰ ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কম্পেনীৰ বেপাৰী জাহাজবোৰত এইজন ৰজাৰ অনুচৰে লুটপাত কৰি গুচি গৈছিল। তেওঁলোকৰ এই কাম ইংৰাজ বেপাৰীবোৰ বৰ বেয়া পালে আৰু নিজৰ অসহায়তা দেখি ইংৰাজসকল ক্ৰোধান্বিত হ'ল। সমৃদ্ধ ভাৰতৰ এই ভূ ভাগত তেওঁলোকে নিষ্কন্টকভাৱে বেপাৰ কৰি আছিল আৰু তেওঁলোকে এই ঠাইখনক নিজৰ বাণিজ্য কেন্দ্ৰ হিচাপে গঢ়ি তুলিছিল। ডকাইত এনেকৈ হঠাতে আহি লুটপাত কৰি নিয়া কথাটো তেওঁলোকে পছন্দ নকৰিলে। তেওঁলোকে ঠিক কৰিলে যিকোনো মূল্যৰ বিনিময়ত হ'লেও এইজন ৰজাক গ্ৰেপ্তাৰ কৰিব লাগিব যিজনে এই লুটপাতত উৎসাহ প্ৰদান কৰি আহিছে। পিছে তেওঁ থাকে ক'ত?

সমুদ্ৰৰ উপকূলত বিভিন্ন জন্তুৰে ভৰা এটা সুন্দৰ দ্বীপ আছিল। দ্বীপটো হাবিৰে ভৰা আছিল। আকাৰত সৰু এই দ্বীপটোৰ নাম আছিল পাৰাদ্বীপ। দ্বীপটো আছিল কুজাংগ নামৰ এখন সৰু ৰাজ্যৰ ৰাজধানী। এফালে বঙ্গোপসাগৰ আৰু আনকেইটা দিশত মহানদী তথা তাৰ উপনৈ এয়াই আছিল ৰাজ্যখনৰ চাৰিসীমা। প্ৰাকৃতিক



সৌন্দৰ্যৰে ভৰা এই প্ৰশান্তি প্ৰদেশতে আছিল চন্দ্ৰধ্বজ ৰজাৰ ভৱন। সেইজন ৰজায়ে সাহসী নাৱিকসকলক যুদ্ধবিদ্যাৰ প্ৰশিক্ষণ দিছিল। এই সাহসী নাৱিকসকলেই ওচৰলৈ অহা ব্ৰিটিছৰ বেপাৰী জাহাজবোৰত লুটপাত চলাইছিল।



চন্দ্ৰধ্বজৰ আৰু এটা আচৰিত নাম আছিল। তেওঁক ষান্ধাৰজা (বৃষভৰজা) নামেৰেও জনা গৈছিল। কিয় তেওঁৰ এই নাম হৈছিল সেই বিষয়ে এটা সুন্দৰ কাহিনী আছে। কোৱা হয়, বহুদিন আগেয়ে কুজাংগৰ ৰজা পবিত্ৰ তীৰ্থস্থান পুৰীলৈ গৈছিল। নগৰৰ গলীয়েদি যেতিয়া তেওঁ খোজকাঢ়ি গৈ আছিল, তেতিয়া তেওঁ পিন্ধি থকা ৰঙ বিৰঙৰ কাপোৰ দেখি এটা প্ৰকাণ্ড ষাড়গৰুৱে তেওঁৰ ফালে চোঁচা লৈছিল।

ৰজাৰ ইফালে সিফালে থকা আটাইবোৰ অনুচৰে ভয়তে ফৰিঙছিটিকা দিলে। কিন্তু ৰাজবংশৰ এজন যুৱকে, ৰজাক নিজৰ পিতা বুলি জ্ঞান কৰি, এই ষাড়টোৰ খড়গৰ দৰে শিঙ দুটা ধৰি পেলালে, আৰু তাৰ সৈতে তয়ামিয়া ৰণ কৰি তাক মাৰি পেলালে।

কুজাংগ ৰজাক আতিথ্য প্ৰদানকাৰী পুৰীৰ মহাৰাজে নিজৰ ভৱনৰ ওপৰৰপৰা এই চমৎকাৰ দৃশ্য চাই আছিল। অদ্ভুত বল আৰু পৰাক্ৰমৰ অধিকাৰী এই যুৱকক পুৰীৰ মহাৰাজে ষান্ধা (ষাড়তকৈয়ো বেছি বলৱান) উপাধি প্ৰদান কৰিলে। কুজাংগ ৰজা নিসন্তান আছিল। নিজৰ প্ৰাণ ৰক্ষা কৰোতা সেই সাহসী যুৱকজনক তেওঁ তোলনীয়া পুত্ৰ কৰি ল'লে আৰু তেওঁৰ সিংহাসনৰ উত্তৰাধিকাৰী বুলি ঘোষণা কৰিলে। এই যুৱকৰ পৰাই বৃষভৰজাসকলৰ বংশ আৰম্ভ হয়।

বৃষভ বংশৰ চন্দ্ৰধ্বজক কোনেও পৰাজিত কৰিব পৰা নাছিল, সেয়েহে তেওঁ "জংঘলী ষাড়ৰ" খিতাপ লাভ কৰিছিল। চন্দ্ৰধ্বজক যিহেতু ব্ৰিটিছ বিষয়াসকলে ধৰিব পৰা নাছিল সেয়েহে তেওঁলোকে গুপ্তচৰ পঠিয়াইছিল এই কথা জানিবলৈ যে তেওঁনো কোন আৰু থাকে ক'ত?

চন্দ্ৰধবজ কেৱল অদ্ভুত পৰাক্ৰমীয়েই নাছিল, তেওঁ এজন আধ্যাত্মিক চিন্তাবিদ আছিল আৰু ধ্যানৰ প্ৰতি তেওঁ বিশেষভাৱে মনোযোগ দিছিল। সূৰ্যোদয়ৰ আগতে আৰু সূৰ্যাস্তৰ পাছত তেওঁ য'তেই নাথাকক কিয়, সদায়ে ধ্যানমগ্ন হৈ আছিল। গভীৰ অৰণ্যত তেওঁ বাস কৰিছিল আৰু তেওঁৰ অতিশয় বিশ্বাসী কেইজনমান অনুচৰৰ বাহিৰে আন কোনেও এই কথা জনা নাছিল। এদিন প্ৰাতঃকাল তেওঁ ধ্যানমগ্ন হৈ থাকোতে বিট্ৰিছ সৈনিকে ষড়যন্ত্ৰ কৰি তেওঁক গ্ৰেপ্তাৰ কৰিলে। শক্ৰৱে এই কথা জানিলে কেনেকৈ যে তেওঁ গভীৰ অৰণ্যৰ এই অংশত থাকে? ধনৰ

প্ৰলোভনৰ চিকাৰ হৈ ৰজাৰ এজন বন্ধুৱে এইদৰে বিশ্বাসঘাটকতা কৰিলে।

সাহসী আৰু বীৰ এই কুজাংগ ৰজাৰ বিষয়ে "এ স্কেচ্ছ অৱ হিষ্টৰী অৱ ইণ্ডিয়া" নামৰ গ্ৰন্থত ব্ৰিটিছ ইতিহাসবিদ জি.টয়েনবীয়ে এইদৰে লিখিছে, "এই পৰগণাৰ তিনিখন প্ৰধান নগৰ যেতিয়া ব্ৰিটিছৰ অধীনলৈ আহিল, তেতিয়া প্ৰথম আঁচনি অনুসাৰে কিছুমান সৈনিক মেজৰ ফৰ্চৰ নেতৃত্বত বাৰ্মূল ঘাটীলৈ পঠিওৱা হৈছিল। কৰ্ণেল হাৰকোৰ্ডৰ নেতৃত্বত আৰু অলপ সেনা কুজাংগৰ ওপৰত আক্ৰমণ কৰিবলৈ ওলাল। ইয়াৰ আগতেই ব্ৰিটিছ বিষয়াসকলে এই ৰহস্যৰো সন্দেহ পাইছিল যে এই প্ৰান্তৰ ৰজাই, ব্ৰিটিছ শাসনৰ বিৰুদ্ধে খৰ্ব হোৱা নিজৰ সুৰক্ষাৰ বাবে অঞ্চলটোৰ আন আন ৰজাৰ সৈতে চিঠিৰ বিনিময় কৰি আছে।

ইতিহাসবিদজনে আৰু লিখিছে, "কুজাংগ ৰজা পলাই গ'ল। কিন্তু সোনকালেই তেওঁ ধৰা পৰিল আৰু তেওক কটক দুৰ্গত বন্দী কৰি থোৱা হ'ল। তেওঁৰ দুৰ্গ ধ্বংস কৰি দিয়া হয়। তাত এটা টোপ পোৱা গৈছিল যিটো পিছত কটকলৈ পঠিওৱা হৈছিল। তাত ইষ্ট ইণ্ডিয়া কম্পেনীৰ মোহৰ থকা পিতলৰ দুটা নতুন বন্দুক দেখা গৈছিল। ৰজাৰ হাতত এইবোৰ কেনেকৈ পৰিল জনা নাযায়। জাহাজ ডুবাৰ পাছত বা সমুদ্ৰ ডকাইতৰ দ্বাৰা সম্ভৱ এইবোৰ ৰজাই লাভ কৰিছিল।"

ৰজাক মহানদীৰ পাৰৰ ঐতিহাসিক নগৰ কটকৰ কৰাৱতী দুৰ্গত বন্দী কৰি থোৱা হৈছিল। নমহলীয়া এই ভৱন ১৪ শতিকাত নিৰ্মাণ কৰা হৈছিল। তাৰ মুখ্যদ্বাৰ বৰ বিশাল আছিল। তাৰ চাৰিওফালে বিছ গজ বহল খাৱৈ আছিল।

বন্দী চন্দ্ৰধ্বজ ৰজাই জানিছিল যে শত্ৰুৰ চকুত ধূলি দি পলাই যোৱা অসম্ভৱ, তথাপি তেওঁ একেবাৰে শান্ত হৈ আছিল। সেই যুৱৰজাজন উৎসাহ আৰু মৈত্ৰী স্বভাৱে ব্ৰিটিছ বিষয়া সকলৰ হৃদয় জয় কৰিছিল। তেওঁলোকে যুৱৰজাজনক বৰ ভাল পাইছিল। আমাৰ দেশৰ মল্লযুদ্ধ আৰু অন্য যুদ্ধকলা-বোৰো ব্ৰিটিছ বিষয়সকলে তেওঁৰ পৰাই শিকি লয়। লাহে লাহে ব্ৰিটিছে তেওঁক শত্ৰু নহয়, মিত্ৰ জ্ঞান কৰিবলৈ ধৰিলে। তথাপি তেওঁৰ ওপৰত সদায়ে শেনচকু ৰখা হৈছিল। এইদৰে এবছৰ পাৰ হৈ গ'ল। ব্ৰিটিছ জাহাজৰ ওপৰত আক্ৰমণৰ ঘটনাও প্ৰায় নোহোৱা হ'ল। এদিন আবেলি ব্ৰিটিছ বিষয়া-সকলে এটা অদ্ভুত দৃশ্য দেখিলে।

ময়ূৰৰ আকৃতিৰ এখন বৃহৎ নাও নদীৰ পাৰৰ-ফালে আহি আছে। ৰঙেৰে অলংকৃত সেই নাওখন হাঁহৰ দৰে সাঁতুৰি আহি আছিল। সন্ধ্যাৰ মুনিচুনি পোহৰত দৃশ্যটো অত্যন্ত মনোৰম হৈছিল। ব্ৰিটিছ বিষয়াসকলে নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাছিল। নাও চলোৱা চৌৰিবছজন নাৱিকৰ ভিতৰত এজন মানুহ গহীন গম্ভীৰ হৈ থিয় দি আছিল। বিষয়াসকলে সুধিলে, "এই নাওখন তোমাৰেই নেকি?"

"নহয়। এই সুন্দৰ নাওখন এটা ৰাজ-বংশৰ। দুৰ্ভাগ্যবশতঃ সেই ৰাজ পৰিয়াল আৰ্থিক সমস্যাত ভাৰাক্ৰান্ত হৈছে। সেয়েহে তেওঁলোকে এইখন বেচিবৰ বাবে মোৰ হাতত গতাই দিছে।" মানুহজনে গম্ভীৰ সুৰত কথাখিনি ক'লে।

"ইয়াৰ দাম কিমান?" এজন বিষয়াই আগ্ৰহেৰে সুধিলে।

সেই মানুহজনে কোৱা দাম শুনি ব্ৰিটিছ বিষয়াসকলৰ চকু কপালত উঠিল। তেওঁ-লোক এনেকৈ আচৰিত হোৱা দেখি সেই মানুহজনে ক'লে, "বন্ধুসকল, ৰজা আৰু ৰাণীয়েহে এনেকুৱা নাও ব্যৱহাৰ কৰে। আপোনা লোকৰ মাজত এনেকুৱা কোনোবা আছে যদি তেওঁকে দেখুৱাওক। তেওঁ যি দাম কয় সেই দামতে নাওখন দি দিম।"

প্ৰস্তাৱটো বিষয়াসকলে ভাল পালে। কিন্তু তেওঁলোকে এনেকুৱা এজন মানুহ আনে ক'ৰপৰা? হঠাতে তেওঁ-লোকৰ মনত খেলালে চন্দ্ৰধ্বজ ৰজাই ইয়াৰ উচিত মূল্যটো ক'ব পাৰিব। ৰজাক তৎক্ষণাৎ তালৈ অনা হ'ল। ৰজাই পাৰৰপৰা নাওখন আৰু তেওঁক নমস্কাৰ কৰা মানুহ-জনক ভালকৈ চালে। পিছে ৰজাৰ ওঁঠত বিৰিঙি উঠা হাঁহিটো সেই মানুহজনৰ বাহিৰে আন কোনেও মন নকৰিলে।

ৰজাই নাওখন চাই থাকিল, সেই মানুহ-জনক ইটোৰ পিছত সিটোকৈ প্ৰশ্ন সুধি থাকিল আৰু লাহে লাহে তেওঁৰ কাষ চাপি আহিল। ব্ৰিটিছ বিষয়সকলে বিশ্বাস কৰিছিল যে ৰজাই নাওখনৰ সঠিক মূল্য ঠিক কৰিব পাৰিব। ইতিমধ্যে সূৰ্যাস্ত হৈছিল। ৰজাই সেই মানুহজনৰ লগত কথা পাতি পাতি নাৱৰ ভিতৰত প্ৰৱেশ কৰিলে, যেন তেওঁ নাওখন তন্ন তন্নকৈ চাবহে খুজিছে। চাওঁতে চাওঁতে চৌৰিবছজন নাৱিকে বঠা মাৰি নাওখন বিজুলী বেগেৰে চলাই লৈ গ'ল। নদীৰ পাৰত থিয় হৈ থকা ব্ৰিটিছ বিষয়সকলে কি হৈছে জনাৰ আগতেই নাওখন আনফালে মূৰ কৰি দৃষ্টিৰ আঁৰ হৈ পৰিল।

নাওখন লৈ অহা মানুহজন আন কোনো নাছিল, ৰজাৰ বিশ্বাসভাজন মন্ত্ৰী পট্টা যোশী আছিল। ৰজাক পলুৱাই লৈ যাবলৈকে তেওঁ এই অদ্ভুত পৰিকল্পনা কৰিছিল আৰু তাত সফলো হৈছিল।

সেই আচৰিত উদ্ভিদ

কেইবছৰমানৰ আগতে, দুজন বিজ্ঞানী কেৰালাৰ অগস্ত্য পৰ্বতৰ অৰণ্যৰ মাজেদি গৈ আছিল। আপুৰুগীয়া গছ গছনিৰ সন্ধানত তেওঁলোকে এটা অভিযান চলাইছিল। তেওঁ-লোকৰ লগত গৈছিল মালান কানি। তেওঁ আছিল কানি জনজাতিৰ আৰু ওচৰৰে এটা এলেকাত তেওঁ থাকিছিল। এই অৰণ্যৰ গছ গছনিবোৰ তেওঁ ভালদৰেই চিনি পাইছিল। সেয়েহে তেওঁ বিজ্ঞানী দুজনক বাট দেখুৱাই নিছিল।

সেইদিনা অতিশয় গৰম আছিল আৰু বিজ্ঞানী দুজন সোন-কালেই ভাগৰি পৰিছিল। কিন্তু মালান কানি গৈয়েই আছিল। কেৱল মাজে মাজে এখন্তেক ৰৈ এটা দুটা গছৰ গুটি ছিঙি খাইছিল। তেওঁৰ উদ্যম দেখি বিজ্ঞানী দুজন আচৰিত হৈছিল। "তেওঁ সদায়েই এনেকুৱা নে তেওঁ মাজে মাজে ছিঙি খোৱা গছৰ গুটিবোৰেই তেওঁক এনে শক্তি দিছে?" তেওঁলোকে ভাবিছিল।

এই কৌতূহলে তেওঁলোকৰ লগ নেৰিলে। সেয়ে তেওঁলোকে মালানৰ পৰা দুটামান গুটি লৈ খালে। তেওঁলোক আচৰিত হ'ল যে সেই গুটি কেইটা খোৱাৰ পিছত তেওঁলোকে হঠাতে বহুত সজীৱ অনুভৱ কৰিলে।

বিজ্ঞানী দুজন উদগ্ৰীৱ হৈ পৰিল। নানান ধৰণৰ চিন্তাই তেওঁলোকৰ মনত পাকঘূৰণি খাবলৈ ধৰিলে। তেওঁলোকে ভাবিলে যে এই গুটি যদি নগৰত মানুহৰ বাবে সহজলভ্য কৰি দিব পৰা যায়, তেন্তে কিমান বঢ়িয়া হ'ব। তাতোকৈয়ে, ইয়াৰপৰা ঔষধ তৈয়াৰ কৰি বজাৰত উলিয়াব পৰা যায়, তেন্তে মানুহৰ কিমান উপকাৰ হ'ব। সকলো মানুহৰ বাবেই ই এক মঙ্গলময় কথা হ'ব।



চান্দমামা ভাৰত কুইজ-১২ জানুৱাৰী ২০০৮ৰ উত্তৰ সমূহঃ

১.১৯২৮; ২.জয়পুৰৰ দ্বিতীয় জয়সিঙ; ৩.চৈধ্য; ৪.বাদামী; ৫.সপ্তম; ৬.কিলা ৰায় পিথ'ৰা; ৭.উত্তৰ প্ৰদেশ

বিজ্ঞানী দুজনে মালান কানিক সেই বিশেষ গুটিৰ গছজোপা দেখুৱাবলৈ অনুৰোধ কৰিলে। কিন্তু মালানে এই ক্ষেত্ৰত বৰ আগ্ৰহ নেদেখুৱালে। তেওঁ ক'লে যে এনে ধৰণৰ উদ্ভিদ অতি পবিত্ৰ আৰু ইয়াৰ বিষয়ে ক'ব নোৱাৰি, বিশেষকৈ অচিনাকী মানুহৰ আগত। জনজাতীয় লোকৰ ল'ৰা ছোৱালীক সৰুতে এই শিক্ষা দিয়া হয়। তেওঁ ক'লে যে তেওঁ বয়সস্থ সকলৰ লগত আলোচনা কৰিব লাগিব। কিয়নো, এই বিষয়ে তেওঁলোকেহে সিদ্ধান্ত ল'ব পাৰিব। তাৰপিছত তেওঁ বিজ্ঞানী দুজনক তেওঁৰ অঞ্চলৰ বয়সস্থ লোকসকলৰ ওচৰলৈ লৈ গ'ল।

সেই সম্প্ৰদায়ৰ সকলো লোককে মতাই পঠোৱা হ'ল। এখন সভা পাতি এই বিষয়টো আলোচনা কৰা হ'ল। বহুতে ভাবিলে যে যদি তেওঁলোকে গছবিধৰ নাম জানিবলৈ দিয়ে, তেন্তে তেওঁলোকৰ বাবে ই অশুভ হ'ব। বিজ্ঞানীদুজনে সেয়ে তেওঁলোকক পতিয়ন নিয়ালে যে এই কথাৰ বাবে কানি সকলৰ একো বিপদ নহয়।

আনহাতে, তেওঁলোকে এইবুলিও কথা দিলে যে যদি সঁচাকৈয়ে গছবিধৰ কিবা ঔষধি গুণ আছে, আৰু ইয়াক সঁচাকৈয়ে বজাৰত উলিয়াব পৰা যায়, তেন্তে ইয়াৰ লাভৰ অংশ সেই সম্প্ৰদায়কো দিয়া হ'ব।

অৱশেষত বয়সস্থ কানিসকলে সেই বিশেষ গুটিলগা গছবিধৰ নাম ক'বলৈ মান্তি হ'ল। মালান কানিয়ে বিজ্ঞানী দুজনক সেই গুটিলগা গছবিধ য'ত গজে সেই ঠাইলৈ লৈ গ'ল। অৰণ্যৰ মাজৰ এটা সৰু গলিয়েদি গৈ সেই বিশেষ ঠাইটুকুৰা পালেগৈ। গছবিধৰ নাম আছিল আৰুজিপ্পাচা।

সেইদিনা, বিজ্ঞানীদুজনে তেওঁলোকৰ প্ৰতিষ্ঠানলৈ সেই গছজোপাৰ নমুনা লৈ গ'ল আৰু তেওঁলোকৰ গৱেষণাগাৰত নি তাক পৰীক্ষা কৰিলে।

পৰীক্ষা কৰি দেখা গ'ল যে এই গুটিটোৰ প্ৰকৃততে ঔষধি গুণ আছে আৰু ই অৱসাদ দূৰ কৰে। গছজোপাক চিনাক্ত কৰা হ'ল। তাৰ বৈজ্ঞানিক নাম হ'ল ত্ৰিকোপাচ জিলেনিকাচ ত্ৰেভানকৰিকাচ। পৰীক্ষা নিৰীক্ষাত গম পোৱা গ'ল যে এই বিশেষ গছবিধ পৃথিৱীৰ ভিতৰত কেৱল কেৰালাত আৰু তামিলনাড়ুৰ কেতবোৰ অঞ্চলত পোৱা যায়।

বহুতো গৱেষণাৰ অন্তত আৰু বহু-বছৰৰ পিছত, এই উদ্ভিদৰ পৰা এবিধ ঔষধ তৈয়াৰ কৰা হ'ল। বিজ্ঞানী দুজনৰ

সপোন বাস্তৱত পৰিণত হ'ল। ঔষধবিধ বজাৰত ওলাল আৰু অৱসাদ দূৰ কৰাত ইয়াত ব্যৱহাৰ কৰা হ'ল।

আৰু সকলোতকৈ সুখৰ কথাটো হ'ল এয়ে যে কানি জনজাতিক দিয়া সেই প্ৰতিশ্ৰুতি বিজ্ঞানী দুজনে ৰাখিলে।

এই ঔষধবিধো জনজাতিৰ লোকসকলৰ অনুমতি সাপেক্ষেহে তৈয়াৰ কৰা হৈছিল। এই ঔষধ বিক্ৰী কৰি পোৱা আয়ৰ একাংশ তেওঁ-লোককো দিয়া হ'ল।

কানিসকল একগোট হৈ এই গছবিধৰ ৰক্ষণা-বেক্ষণৰ দায়িত্ব ল'লে আৰু এই কামত সহায় কৰিবলৈ কথা দিলে।

ঘটনাক্ৰমে, এই গছবিধ গজা সেই হাবিখন বন বিভাগৰ দ্বাৰা পৰিচালিত হৈছিল। সেই নিয়ম অনুসৰি, জনজাতীয় লোকসকলেও বাণিজ্যিক উদ্দেশ্যে এই গুটি ছিঙিব নোৱাৰিছিল।

এতিয়া, কানিসকলে বনবিভাগৰ বিষয়াসকলৰ অনুমতি ল'ব লগা হৈছিল। কাৰণ বৃহৎ হাৰত এই গুটি ছিঙিলে অৰণ্যখন ধ্বংস হৈ যাব পাৰে।

আন বহু জনজাতিৰ লোকৰ দৰেই কানি-সকলো বহুত জ্ঞানী আছিল। আৰুজিপ্লাচাৰ বিষয়ে থকা তেওঁলোকৰ জ্ঞানেৰে এই পৰম্পৰাগত জ্ঞান কিমান যে অমূল্য তেওঁলোকে বুজি পাইছিল। আৰু ইয়াক ব্যৱহাৰত লগালে পাব পৰা সুফলৰ বিষয়েও তেওঁলোকে জানিছিল।

এই কথাই তেওঁলোকক নিজৰ জ্ঞানৰ গুৰুত্বৰ বিষয়ে শিকালে আৰু তেওঁলোকে এই কথাও বুজি পালে যে এয়া তেওঁলোকৰ নিজৰ ভালৰ বাবেই ইয়াক ব্যৱহাৰ কৰা হ'ল। আৰু লগতে এই কথাই কেনেকৈ আনৰদ্বাৰা শোষিত নোহোৱাকৈ থাকিব পাৰি সেয়াও শিকালে।

– সীমা ভাট

ভাৰতৰ বিষয়ে জানি লোৱা

এই মাহৰ প্ৰশ্নবোৰ আমাৰ দেশৰ হস্তশিল্প বিষয়ক:

১. 'পাশ্মিনা'ক কিয় সেই নামেৰে জনা যায়।

২. উত্তৰ প্ৰদেশৰ কোনখন চহৰ কাঁহৰ সামগ্ৰীৰ বাবে বিখ্যাত?

৩. ভাৰতৰ ক'ত সৰ্বশ্ৰেষ্ঠ হাতেৰে তৈয়াৰী কাৰ্পেট পোৱা যায়?

৪. পঞ্চধাতুৰ মূৰ্ত্তিবোৰত ব্যৱহাৰ হোৱা পাঁচটা ধাতু কি কি?

৫. 'মুগা পাট' ক'ৰপৰা আহে?

(উত্তৰ ৭৪ পৃষ্ঠাত)

চান্দমামা কুইজ-২

Co-sponsored by
Infosys FOUNDATION, Bangalore

আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টি পঠিওৱাজনক দিয়া হ'ব* নগদ ২৫০ টকাৰ পুৰস্কাৰ।

এই মাহত, কুইজৰ বিষয়বস্তু হ'ল, হিন্দু কিংবদন্তিত থকা বিশিষ্ট চৰিত্ৰসমূহ। ইংগিতবোৰৰপৰাই ইয়াৰ প্ৰতিটো চৰিত্ৰক তোমালোকে চিনি পাব পাৰিবা।

**এটাতকৈ বেছি আটাইবোৰ শুদ্ধ উত্তৰৰ প্ৰৱিষ্টি থাকিলে, এনে প্ৰতিগৰাকী সফল প্ৰতিযোগীক দিয়া হ'ব ৫০ টকাকৈ।*

তুমি কি কৰা উচিত: ১.এখন কাগজত উত্তৰবোৰ লিখা, ২.তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে সম্পৰ্ণ ঠিকনা উল্লেখ কৰিবা; ৩.লেফাফাৰ ওপৰত লিখা **চান্দমামা কুইজ-২**; ৪. মাৰ্চ ৩১, ২০০৮ ৰ আগতে আমাৰ হাতত পৰাকৈ তোমাৰ প্ৰৱিষ্টি ডাকত দিয়া। উত্তৰবোৰ দিয়া হ'ব মেই ২০০৮ সংখ্যাত।

১. ভগৱান বিষ্ণুৰ বাসস্থান বৈকুণ্ঠৰ দুজন দ্বাৰৰক্ষীৰ নাম কি? ভগৱান বিষ্ণুৰ তিনিটা অৱতাৰৰ সময়ত বেলেগ জন্ম ল'বলৈ তেওঁলোক অভিশপ্ত হৈছিল।
২. এজন ঋষি হৈ উঠাৰ আগতে তেওঁ এটা ডকাইত আছিল। তেওঁ কোন আছিল?
৩. পুণ্যাত্মা ৰজা অম্বৰীশক এজন ঋষিয়ে এইবুলি অভিশাপ দিছিল যে তেওঁক কৃষ্ণৰ সুদৰ্শন চক্ৰই অশান্তি কৰিবহি। সেই ঋষিজনৰ নাম কি আছিল?
৪. দেৱতাসকলৰ মাতৃ বুলি কাক ধৰা হয়?
৫. দেৱতা আৰু অসুৰসকলৰ গুৰু কোন?
৬. সপ্তৰ্ষি কোন?
৭. পদ্মাৱতীক বিবাহ কৰিবলৈ ভগৱান শ্ৰীনিবাসক কোনে ধন ধাৰলৈ দিছিল?
৮. চিত্ৰগুপ্ত কোন?
৯. মহীষাসুৰ, নৰকাসুৰ আৰু তাটকাক কোনে বধ কৰিছিল?
১০.কাক 'একদন্ত' বুলিও জনা যায়?

বিহাৰৰ এটা লোককাহিনী

চিপজৰী কাৰ বাবে?

এসময়ত এজন ঋষি আছিল। তেওঁৰ গুৰুকুল অতি বিখ্যাত আছিল। সেয়ে দেশৰ বিভিন্ন অঞ্চলৰ পৰা তেওঁৰ ওচৰলৈ শিষ্য আহিছিল। শিষ্যসকলৰ ভিতৰত ৰাজকুমাৰো আছিল। কিন্তু তেওঁলোকো গুৰুকূলত আন শিষ্য-সকলৰ দৰেই আছিল। ৰাজকুমাৰ বুলি কোনো বিশেষ সুবিধা নিবিচাৰিছিল, ঋষিজনেও শিষ্যসকলৰ মাজত কোনো ভেদ ভাৱ নাৰাখিছিল।

ঋষি সত্যানন্দই এবাৰ তেওঁৰ এজন শিষ্য প্ৰতাপক সুধিলে যে তেওঁ গুৰুৰ লগত মন্দিৰলৈ আৰু ৰাজপ্ৰাসাদলৈ যাবলৈ বিচাৰে নেকি যাতে তেওঁ শাসকসকলক ৰাজ্যশাসন সম্পৰ্কে পৰামৰ্শ দিব পাৰে, পোন্ধৰ বছৰীয়া প্ৰতাপে আৰু অলপদিন গুৰুৰ লগত থাকিব পাৰিব বুলি ভাবি আনন্দেৰে সন্মতি দিলে।

গুৰু শিষ্য দুয়ো একেলগে যাত্ৰা আৰম্ভ কৰিলে। ৰীতিমতে, যাত্ৰাৰ সময়ত তেওঁলোকে কেতিয়াও কথা নাপাতে। যাত্ৰা পথত দৃষ্টি আকৰ্ষণ কৰা যিকোনো বস্তুকে শিষ্যই নিৰীক্ষণ কৰাটো নিয়ম আছিল। আৰু যেতিয়াই তেওঁলোকে জিৰণি লৈছিল, তেতিয়া মনত উদয় হোৱা যিকোনো ধৰণৰ কৌতূহলৰ বিষয়ে গুৰুক সুধিব পাৰিছিল।

নাইবা গুৰুৱে নিজৰ শিষ্যক প্ৰশ্ন সুধি তাৰ উত্তৰৰ বাবে অপেক্ষা কৰিছিল। জিৰণিৰ সময়ছোৱা গুৰু শিষ্য দুয়ো উপভোগ কৰিছিল। এই জিৰণি কেতিয়াবা অৰণ্য বা কেতিয়াবা পথৰ দাঁতিত হৈছিল।

যেতিয়া তেওঁলোক গৈ এটা মন্দিৰত উপস্থিত হ'লগৈ, তেওঁলোক এখন গাঁৱত দুৰাতি থাকি গঞ্জাৰ আতিথ্য গ্ৰহণ কৰিলে। তেওঁলোক এখন ৰাজ্যৰ মাজেদি পাৰ হৈ যাওঁতে সেই ৰাজ্যৰ ৰজাক লগ কৰিলে। ঋষিয়ে ৰজাৰ লগত ৰাজ্যশাসন সম্পৰ্কে কথা পাতিলে আৰু সদায় কৰাৰ দৰেই প্ৰাসাদত থাকিবলৈ কৰা অনুৰোধ প্ৰত্যাখ্যান কৰিলে। তাৰ পিছত তেওঁলোকে পুনৰ তেওঁলোকৰ যাত্ৰা আৰম্ভ কৰিলে।

এদিনাখন গুৰু শিষ্য দুয়ো বোধপুৰী ৰাজ্যৰ মাজেদি গৈ আছিল। ৰাজপ্ৰাসাদৰ ওচৰ পাওঁতে, আলিবাটত লগ পোৱা মানুহৰ পৰা তেওঁলোকে গম পালে যে সেই ৰাজ্যৰ শাসক এজন মূৰ্খ মানুহ। তেওঁ বৰ আচৰিত কাম কৰিছিল। তেওঁ মূৰ্খ কিছুমানক মন্ত্ৰীৰ পদত নিযুক্ত কৰিছিল আৰু তেওঁলোকক বহুত বেতন দিছিল।

ৰাজসভাৰ জ্ঞানী লোকসকলক যি দৰমহা দিয়া হৈছিল সেয়াৰে তেওঁলোকৰ পৰিয়াল চলাবলৈ কঠিন হৈছিল। সেয়ে স্বাভাৱিকতে তেওঁলোকে কেতবোৰ অসৎ কামত প্ৰবৃত্ত হৈছিল যিবোৰ ৰজাই ধৰা পেলাব নোৱাৰিছিল। ৰজাই আদেশ দিছিল যে শাক পাচলি, ঘৰৰ আচবাব পাতি, কাপোৰ কানি চেন্দেল ইত্যাদি সকলোবোৰ বস্তু একে দামতে বিক্ৰী হ'ব লাগে। দৰিদ্ৰ সকলৰ ওপৰত তেওঁলোক মূৰ্খ বুলি এক কৰ আৰোপ কৰা হ'ল। আৰু একেদৰেই অসুস্থ হৈ কাম কৰিব নোৱৰা সকলৰ ওপৰতো কৰ জাপি দিয়া হ'ল।

এই সকলোবোৰ শুনি, ৰাজপৰিয়ালৰ পৰা অহা প্ৰতাপে সেই ৰজাক সাক্ষাত কৰাত অনীহা প্ৰকাশ কৰি গুৰুক ক'লে, "গুৰুদেৱ, মোৰ সন্দেহ হৈছে যে সেই ৰজাক লগ কৰি আমি কিবা বিপদতো পৰিব পাৰোঁ। তাৰ পৰিবৰ্তে আমি ইয়াৰপৰা ঘূৰি যাওঁ আৰু অন্য এফালে আমাৰ যাত্ৰা আৰম্ভ কৰোঁ।"

সেই ঋষিয়ে অৱশ্যে কথাটো অন্য ধৰণে ভাবিছিল। তেওঁ ক'লে, "আমি কেনেকৈ জানিম যে আমি শুনা সকলো কথা সঁচা হয়নে নহয়। প্ৰকৃত সত্যটো আমি নিজে বিচাৰি উলিয়াব লাগিব।"

ৰাজপ্ৰাসাদৰ প্ৰৱেশ দ্বাৰৰ ওচৰ পোৱাৰ লগে লগে দ্বাৰপালে তেওঁলোকক ক'লে যে ৰজা ৰাজসভাতে বহি আছে, গতিকে তেওঁলোকে গৈ ৰজাক লগ কৰিব পাৰে। ৰাজসভাৰ অনচৰসকলে তেওঁলোকক গুৰু শিষ্য বুলি গম পাই ভিতৰলৈ যাবলৈ দিলে।

তেওঁলোকে দেখা পালে যে দুগৰাকী মহিলা ৰজাৰ সমুখত থিয় হৈ কিবা অনুৰোধ জনাইছে।

এগৰাকীয়ে কৈছে, "মহাৰাজ, আমাৰ স্বামী চোৰ আছিল। এবাৰ তেওঁলোকে এজন ধনী সদাগৰৰ ঘৰত তেওঁ নাথাকোতে সোমাবলৈ চেষ্টা কৰিছিল। তেওঁলোকে ঘৰটোত সোমাবলৈ বুলি বেৰত ফুটা কৰোঁতে বেৰখন ভাঙি থাকিল..." মহিলা গৰাকী শোকত ভাঙি পৰিল আৰু উচুপি উচুপি কান্দিবলৈ ধৰিলে।

আনগৰাকী মহিলাই তেতিয়া কথাষাৰ

সম্পূৰ্ণ কৰিলে। "আৰু বেৰখন ভাঙি পৰি তেওঁলোকৰ মৃত্যু হ'ল। যদি ঘৰটো ভালকৈ মেৰামতি কৰা হ'লহেঁতেন, তেতিয়া তেওঁলোকৰ মৃত্যু নহ'লহেঁতেন। সেয়ে ঘৰটো মেৰামতি নকৰাৰ অপৰাধত সেই সদাগৰক দণ্ড দিয়া উচিত। আমাৰ স্বামীৰ প্ৰাণ লোৱাৰ অপৰাধত সেই সদাগৰজনে আমাক ক্ষতিপূৰণ দিয়া উচিত।"

এইবুলি কৈ দ্বিতীয় গৰাকী মহিলায়ো প্ৰথম গৰাকীৰ লগত কান্দোনত যোগ দিলে। তেনেতে ৰজাই আদেশ দিলে "সেই সদাগৰজনক ইয়াত হাজিৰ কৰোঁৱা।"

সোনকালেই সদাগৰক তালৈ অনোৱা হ'ল। তেওঁ ক'লে, "মহাৰাজ, সেয়া মোৰ দোষ নাছিল। যোৱা বছৰ মই ৰাজমিস্ত্ৰী মতাই বেৰখন মেৰামতি কৰাইছিলো। কিন্তু তেওঁ কামটো ভালকৈ নকৰিলে। গতিকে বেৰখন ভাঙি পৰাটো ৰাজমিস্ত্ৰীৰহে দোষ।"

"ৰাজমিস্ত্ৰীক তুৰন্তে ইয়াত হাজিৰ কৰোঁৱা।" ৰজাই আদেশ দিলে। যেতিয়া তেওঁ আহিল, ততালিকে ৰজাৰ ভৰিত পৰি ক'লে, মহাৰাজ, মোৰনো কি দোষ? পানী কঢ়িওৱা মানুহটোৱে মই নোচোৱাত ইমানে বেছিকৈ পানী ঢালিলে যে দেৱালখন মজবুত নহ'ল। এয়া সম্পূৰ্ণকৈ পানী অনা মানুহটোৰ দোষ।"

ৰজাই আদেশ দিলে "সেই দুষ্ট পানী অনা মানুহটোক ধৰি আনা!" অলপ সময় পিছত যেতিয়া সি আহিল, তেতিয়া আৰু ৰজাৰ তাৰ কথা শুনাৰ ধৈৰ্য নাছিল। তেওঁ আদেশ দিলে, "ইয়াক ফাঁচী কাঠত ওলোমোৱা।"

সভাকক্ষত থকা সকলো কঁপি উঠিল।

"কেনে অন্যায়!" মানুহবোৰে কোৱাকুই কৰিলে। কিন্তু ভাগ্যক্ৰমে মানুহবোৰৰ ফুচফুচনি ৰজাৰ কাণত নপৰিল।

প্ৰতাপে ইমানসময়ে ৰাজসভাৰ কাণ্ড কাৰখানা দেখি অতীষ্ঠ হৈ পৰিছিল। তেওঁ গুৰুৰ কাণত সৰু সৰুকৈ ক'লে, "গুৰুদেৱ, আমি যাওঁ ব'লক। ইয়াৰ পিছত ৰজাই কি কৰিব ভগৱানেহে জানে।"

"ওহো, প্ৰতাপ" ঋষিয়ে ক'লে, "যদি এই ৰজাক মই সামান্যও বিবেকশীল কৰিব নোৱাৰো তেন্তে মোৰ কৰ্তব্য অসম্পূৰ্ণ হৈ ৰ'ব।"

ঋষি এইবাৰ ৰজাৰ ফালে আগবাঢ়িল। তেওঁ ৰজাক সম্বোধন কৰিলে, "মহাৰাজ, এক মুহূৰ্তৰ বাবে ভাবি চাওকচোন, সেই পানী কঢ়িওৱা মানুহটোৰ প্ৰতি আপুনি অন্যায় কৰা নাইনে?"

ৰজা অলপ তভক খোৱাৰ দৰে হ'ল। "মই

ন্যায় কৰিছো নে অন্যায় কৰিছো সেয়া ক'বলৈ আপুনি কোন?" আপোনাৰ এই ধৃষ্টতা মই সহ্য নকৰোঁ। পানী কঢ়িওৱা মানুহটোৰ পৰিবৰ্তে এওঁক ফাঁচী কাঠত ওলমোৱা।" ৰজাই আদেশ দিলে।

দুজন প্ৰহৰী আগবাঢ়ি আহিল আৰু ঋষিক টানি নিবলৈ ধৰিলে। তেওঁৰ শিষ্যয়ো গুৰুৰ লগতে খোজ মিলালে আৰু গুৰুৰ কাণত ফুচফুচাই কিবা এটা ক'লে। হঠাতে, গুৰুৱে ৰজাৰ ফালে ঘূৰি চাই ক'লে, "মোক ফাঁচী দিয়াৰ আগতে অনুগ্ৰহ কৰি মোৰ শেষ অনুৰোধ শুনি লোৱা।"

"কি কওক? মই এজন ৰজা। মই সেয়া ৰাখিম," ৰজাই ক'লে।

"মহাৰাজ, মই মোৰ শিষ্যৰ লগত অকণমান কথা পাতিব পাৰোঁনে।" ৰজাই মূৰ লৰাই সন্মতি দিলে।

ঋষিয়ে ক'লে, "মহাৰাজ, মোৰ শিষ্যৰ দিব্যদৃষ্টি আছে। তেওঁ ভগৱানক ৰথত নামি অহা দেখিছিল। তেওঁ মোৰ শিষ্যক ক'লে, "তোমাৰ গুৰুদেৱ নিৰ্দোষ। সেয়ে মই তেওঁক নিবলৈ আহিছোঁ," গতিকে মহাৰাজ যদি আপুনি মোক ফাঁচী দিয়ে, মই আনন্দেৰে মৰিব পাৰিম।"

ৰজাৰ খং উঠিল। "ভগৱান আপোনাৰ ওচৰলৈ আহিল, মোৰ ওচৰলৈ নাহিল কিয়? মই ৰজা, আৰু আপুনি এজন সামান্য ঋষি। গতিকে আপোনাৰ সলনি মই ওলমিম ফাঁচীকাঠত। যাতে মই স্বৰ্গত ঠাই পাব পাৰোঁ।" এইবুলি ৰজাই পোনচাটেই গৈ ফাঁচীকাঠত উঠিলগৈ আৰু চিপজৰী পিন্ধোৱা মানুহটোৰ ওচৰত থিয় হ'লগৈ।

কিন্তু এজন মূৰ্খ ৰজা হোৱাতকৈ সেই চিপজৰী পিন্ধোৱা মানুহটো জ্ঞানী আছিল। কঁপা কঁপা হাতেৰে তেওঁ ৰজাক ক'লে, "প্ৰভু, আপোনাৰ মূৰৰ বাবে এই চিপজৰীডাল বৰ সৰু!"

ৰজা বিমৰিষ মনেৰে গৈ সিংহাসনত বহিলগৈ।

ৰজাই শিষ্যৰ ফালে ঘূৰি ক'লে, "প্ৰতাপ, এওঁক শুধৰাবলৈ চেষ্টা কৰি, বা তেওঁক বুজাই একো লাভ নাই। এই পৃথিৱীত কিছুমান জন্মতেই মূৰ্খ হৈ জন্মে, আন কিছুমান পৰিস্থিতিত পৰি মূৰ্খ হয়, আন কিছুমান আকৌ অহম্মক মানুহৰ সঙ্গত পৰি মূৰ্খ হয়। আঁহা, পৃথিৱীত সঁচাকৈয়ে জ্ঞানী লোক আছেনে আমি বিচাৰি চাওঁ।"

গল্পটোৰ বাকীখিনি তোমালোকে কল্পনা কৰি লোৱা।

ভগৱানক দিয়া সুযোগ

লক্ষ্মীপুৰৰ ৰতনে নিজৰ বাগিচাত হোৱা পাচলি বস্তাত ভৰাই চহৰৰ হাটলৈ বেচিবলৈ লৈ গৈছিল। এঠাইত এটা কেঁকুৰিত গাড়ী ঘূৰাওতে তেওঁৰ গাড়ীৰ এটা চকা এফালে হাউলি গ'ল। "হে ভগৱান, মোক বচোৱা," বুলি কৈ তেওঁ গাড়ীৰপৰা নামিল আৰু নিৰাশ হৈ চকাটোৰ ফালে চাবলৈ ধৰিলে। হতাশ হৈ তেওঁ মূৰে কপালে হাত দিলে। প্ৰতিজন দেৱতাৰ নাম লৈ লৈ তেওঁ প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। কিন্তু কোনো ভগৱান নাহিল বা কোনেও আহি তেওঁক সহায় নকৰিলে।

শেষত তেওঁ এটা দৃঢ় সিদ্ধান্ত লৈ থিয় হ'ল আৰু হাউলি যোৱা চকাটো ওপৰলৈ উঠাবলৈ চেষ্টা কৰিলে। গাড়ীৰ চকা যেতিয়া সহজেই সঠিক ঠাইলৈ আহিল তেতিয়া তেওঁৰ নিজৰেই বিশ্বাস নহ'ল এই কাম সম্ভৱ হ'ল কেনেকৈ? তেওঁ পিছলৈ ঘূৰি চাই দেখিলে এজন বলৱান মানুহে তেওঁৰ লগত কান্ধত কান্ধ মিলাই চকাটো উঠাই আছে আৰু সেই কাৰণেই কামটো সম্ভৱ হ'ল। তেওঁ সেই বলৱান মানুহজনক ক'লে, "ভগৱানে যি সহায় নকৰিলে, সেই সহায় সময়মতে আহি আপুনি দিলেহি। ধন্যবাদ।"

"নিজকে বচাবলৈ ভগৱানক প্ৰাৰ্থনা কৰি হাত সাবটি বহি থাকিলে ভগৱানেওনো কি কৰিব পাৰে। চেষ্টা কৰিলেহে ভগৱানেও সহায় কৰাৰ সুযোগ পায়।" এইবুলি কৈ মানুহজনে গছৰপৰা ভাঙি অনা ডালবোৰ মূৰত লৈ যাবলৈ ওলাল। – *অঞ্জনেয় শৰ্মা*



চুঙা চাই সোপা

আকবৰৰ ৰাজসভাৰ কিছুমান কৰ্মচাৰীৰ বীৰবলৰ প্ৰতি বৰ ঈৰ্ষা আছিল। বীৰবল যে খুব বুদ্ধিয়ক সেইকথা সকলোৱে জানিছিল। আকবৰ যেতিয়াই কঠিন সমস্যাৰ সমুখীন হৈছিল, বীৰবলেই তাৰ সমাধানৰ পথ দেখুৱাইছিল। বাদছাহৰ প্ৰীতিৰ পাত্ৰ হোৱাৰ বাবে বীৰবলক মূল্যৱান উপহাৰ দিয়া হৈছিল।

এদিন সভাসদসকল এঠাইত একত্ৰিত হ'ল আৰু নিজৰ ভিতৰতে আলোচনা কৰিলে বীৰবলক কেনেকৈ লঘু কৰিব পৰা যায়। শেষত ডাউদ নামৰ এজন ডাঙৰ বিষয়াই ক'লে যে ইয়াৰ বাবে তেওঁৰ হাতত এটা ডাঙৰ উপায় আছে। বাকী সভাসদসকলেও এই উপায়টোৰ বিষয়ে তেওঁক সুধিলে। ডাউদে তেওঁলোকক ক'লে যে বাদছাহৰ মনত বীৰবলৰ বিৰুদ্ধে সন্দেহ ভাব জাগ্ৰত কৰিব লাগিব।

এজনে সুধিলে, "বাদছাহে বাৰু তোমাৰ কথা বিশ্বাস কৰিবনে?"

"বিশ্বাস নিশ্চয় কৰিব। চাই থাকা।" ডাউদে পৰম প্ৰত্যয়েৰে কথাখিনি ক'লে।

সভাসদসকল বৰ সুখী হ'ল। তেওঁলোকে ডাউদক ক'লে, "বুদ্ধিত তুমি বীৰবলতকৈ কোনো গুণে কম নহয়। এই আঁচনি কাৰ্যৰূপায়িত কৰিব পাৰিলে বাদছাহে মানি ল'ব যে তুমি বীৰবলতকৈ বেছি বুদ্ধিয়ক। তুমি বাদছাহৰ প্ৰীতিৰ পাত্ৰ হৈ উঠিবা।" কথাটো সকলোৱে সমৰ্থন কৰিলে।

ডাউদে কিবা এটা ভাবি ক'লে, "তেন্তে তোমালোকে এটা কাম কৰিব লাগিব।"

কৰ্মচাৰীসকলে উৎসাহেৰে সুধিলে, "সেইটোবা কি?"

"কাইলৈ তোমালোক আনদিনাৰ দৰে ৰাজসভালৈ আহা আৰু নিজৰ নিজৰ আসনত বহি ল'বা। বাদছাহ যেতিয়া আহিব তেতিয়া তোমালোকে দেখিবা মই মোৰ আসনত নাই। তেতিয়া মোৰ বিষয়ে বাদছাহে তোমালোকক সুধিব। তেতিয়া বাদছাহক ক'বা, "ডাউদে এটা অনুচিত অপৰাধ

দেখিছে, যিটো দেকি তেওঁ বৰ দুখ পাইছে। সেই কাৰণেই পলমকৈ আহিবলৈ তেওঁ অনুমতি বিচাৰিছে।" তাৰ পাছত মই ৰাজসভালৈ আহিম আৰু সেই ঘোৰ অপৰাধৰ বিষয়ে বিশদভাৱে কমহি। তাৰপাছত চাবা বীৰবলৰ কি দশা হয়?"

সকলোৱে "হয়, হয়" কৰি মূৰ দুপিয়ালে। বহু পৰলৈকে কথা বতৰা পাতি তেওঁলোক ঘৰাঘৰি গ'লগৈ।

পিছদিনা বীৰবলৰ লগতে সকলো সভাসদ আৰু কৰ্মচাৰী ৰাজসভাত উপস্থিত হ'লহি। কেৱল ডাউদকহে দেখা নগ'ল।

বাদছাহ অহাৰ লগে লগে সকলো উঠি থিয় হ'ল। বাদছাহ সিংহাসনত বহিল। দুই যুৱতী সিংহাসনৰ দুয়োফালে থিয় হৈ বাদছাহক বিচিবলৈ লাগিল।

বাদছাহে সমগ্ৰ ৰাজসভাতে তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰিলে। ৰাজসভাৰ এজন আদহীয়া



সভাসদ উঠি থিয় হ'ল। বাদছাহে তেওঁক সুধিলে, "তুমি কিবা ক'বলৈ আছে নেকি?"

সভাসদজনে মূৰ তললৈ কৰি বাদছাহক চালাম কৰি ক'লে, "ডাউদে কৈ পঠিয়াইছে তেওঁৰ অহাত পলম হ'ব।"

"তাৰ কাৰণ?" নিজৰ মাত ডাঙৰ কৰি বাদছাহে সুধিলে।

"তেওঁ কিবা ঘোৰ অপৰাধ সংঘটিত হোৱা দেখিছে। বাদছাহৰ ৰাজসভাৰ এজন আগশাৰীৰ ব্যক্তিয়ে এই অপৰাধ কৰিছে। তেওঁ নিজেই এইটো দেখিছে আৰু তেওঁ বেদনাত ভাগি পৰিছে।সেই অৱস্থাৰপৰা সকাহ পাবলৈকে তেওঁ ৰাজসভালৈ পলমকৈ অহাৰ অনুমতি বিচাৰিছে জাহাপানা।"

ৰাজসভাৰে কোনোবাই এটা ঘোৰ অপৰাধ কৰিছে বুলি শুনি বাদছাহৰ মন অশান্ত হৈ উঠিল। ৰাজসভাত এটা অস্বাভাৱিক নীৰৱতা দেখা গ'ল। কিছু সময়ৰ পাছত ডাউদ অহাৰ সংকেত পোৱা গ'ল। বাদছাহে তেওঁক ভালকৈ চালে। ডাউদে চালাম কৰিলে।

"মই শুনিছো তুমি হেনো কিবা ঘোৰ অপৰাধ সংঘটিত হোৱা দেখিছা।" বাদছাহে ক'লে।

"হয় বাদছাহ," ডাউদে ক'লে।

"এইটোও শুনিছো যে ৰাজসভাৰে কোনোবাই এই ঘোৰ অপৰাধ কৰিছে। কথাটো সঁচানে বাৰু?" বাদছাহে সুধিলে।

"হয় জাহাপানা, মই সেইটো দেখি স্তম্ভিত হৈছো।" ডাউদে ক'লে।

"কোৱা, সেই অপৰাধী কোন?" ক্ৰোধান্বিত বাদছাহে সিংহাসনৰপৰা থিয় হৈ সুধিলে।

"জাহাপানা, এই ঘটনা পাহৰি যোৱাই সমীচীন হ'ব। নিজৰ সহকৰ্মচাৰীৰ বিষয়ে বেয়া কথা ক'ব পৰা নাযায়।" ডাউদে দুখৰ নাটক কৰি ক'লে।

"কোনো আইনৰ উৰ্দ্ধত নহয়। কোৱা, সেই অপৰাধী কোন?" বাদছাহে সুধিলে।

"আন কোনো নহয় জাহাপানা। স্বয়ঙ বীৰবল।" ডাউদে ক'লে। ৰাজসভাত উপস্থিত সকলোৰে চকু বীৰবলৰ ওপৰত পৰিল।

সকলোৱে এই কথা জানিবলৈ অধৈৰ্য হৈ উঠিছিল যে ডাউদে তেওঁৰ এই অভিযোগ কেনেকৈ প্ৰমাণ কৰিব।

"বীৰবল!" বাদছাহে আচৰিত হৈ সুধিলে। তেওঁৰ স্বৰতে ধৰিব পৰা গ'ল যে বাদছাহে কথাটো বিশ্বাস কৰিব পৰা নাই।

"হয় বাদছাহ, মই কালি বিয়লি ঘৰলৈ গৈ আছিলো। হঠাতে দেখিলো ৰাস্তাৰ কাষত পৰি থকা সোণৰ এডাল হাৰ বীৰবলে হাতত তুলি লৈছে। হাৰডাল তেওঁ নিজৰ কাপোৰত লুকুৱাই থ'লে আৰু খৰখোজেৰে তাৰপৰা গুচি গ'ল। অলপ সময়ৰ পাছত এজন যুৱক তালৈ আহি সুধিবলৈ ধৰিলে, "মোৰ হাৰডাল কোনোবাই দেখিছেনে বাৰু? হাৰডাল সোণৰ আছিল। ৰাস্তাৰ ইয়াতে ক'ৰবাত পৰি গ'ল। "মই সেইজন যুৱকৰ বিষয়ে আৰু বিশদভাৱে জানিব খুজিছিলো, কিন্তু তেওঁ তাৰপৰা গুচি গ'লগৈ।" ডাউদে ক'লে।

"বীৰবল," বাদছাহে কঠোৰ স্বৰেৰে মাতিলে।

"হয় জাহাপানা," বীৰবল উঠি থিয় হ'ল।

"এই কথা সঁচানে বাৰু?" বাদছাহে সুধিলে।

"নহয় জাহাপানা," বীৰবলে ক'লে।

"জাহাপানা, সম্ভৱ সেই মানুহজনক চিনি পাওঁতে ময়েই ভুল কৰিলো," ডাউদে বীৰবলক দয়া কৰাৰ অভিনয় কৰিলে।

"তেন্তে বীৰবল যে নিৰপৰাধী সেই কথা কেনেকৈ প্ৰমাণ কৰিব পৰা যায়?" বাদছাহে সুধিলে।

"জাহাপানা, আপুনি ক্ষমা কৰিব যদি বীৰবল নিৰপৰাধী হয় নে সেই কথা প্ৰমাণ কৰিবলৈ মোৰ এটা পৰীক্ষা আছে।"

"সেই পৰীক্ষাটো বা কি?" বাদছাহে সুধিলে।

"মই জ্বলন্ত এডাল লোহাৰ দণ্ড লৈ আনিম। বীৰবলে সেইডাল নিজৰ হাতত

ল'ব। যদি তেওঁৰ হাতখন জ্বলি নাযায় তেন্তে প্ৰমাণ হ'ব যে তেওঁ নিৰপৰাধী।" ডাউদে ক'লে।

"হয় তুমি ঠিকেই কৈছা।" এইবুলি কৈ বাদছাহে বীৰবলৰ ফালে চাই ক'লে, "তোমাৰ বিৰুদ্ধে এই অভিযোগ উঠিছে। তুমি প্ৰমাণ কৰিব লাগিব যে এই অভিযোগ মিছা। আইনৰ সমুখত সকলো সঁচা।"

"হয় জাহাপানা।" বীৰবলে ভাবিলে তেওঁ বেছ বিপদত পৰিছে। তথাপি তেওঁ তৎক্ষণাৎ ক'লে, "মোৰ আদৰণীয় সহকৰ্মচাৰীজনে যিয়েই পৰীক্ষা ল'ব খোজে, দিবলৈ মই সাজু আছো। কিন্তু..." বীৰবলে কিবা এটা ক'বলৈ লৈ ৰৈ দিলে।

"কোৱাঁ, কি ক'ব খুজিছা?" আকবৰে সুধিলে। "ডাউদে কৈছে যে তেওঁ সঁচা কথা কৈছে। মই তেওঁক বিশ্বাস কৰিছো। কিন্তু মই ভাবো তেওঁ নিজৰ সত্যবাদিতাৰ প্ৰমাণ দিয়া উচিত। তেওঁ সৰু এটা পৰীক্ষা দিলেই হ'ল। তেওঁ কাইলৈ জ্বলন্ত লোহাৰ দণ্ডডাল খালী হাতত লৈ আহক আৰু তাৰপাছত মোৰ হাতত থৈ দিয়ক।" এইবুলি কৈ বীৰবল ৰৈ গ'ল।

ডাউদে মাৰখোৱা কুকুৰৰ দৰে কেঙকেঙাই উঠিল। "সেইটো সম্ভৱ নহয়, সম্ভৱ নহয়। তেওঁ ধৰিব পাৰিলে তেওঁৰ এতিয়া 'লোকলৈ বুলি হুল পুতি নিজে মৰি ফুটি' অৱস্থা হৈছে। ভয়তে কঁপি কঁপি তেওঁ ক'লে, "জাহাপানা, মোক ক্ষমা কৰক। মই যিজন মানুহক দেখিছিলো সেইজন বীৰবল নাছিল। সেই মানুহজন আমাৰ বীৰবলতকৈ অলপ ওখ আছিল। চিনি পোৱাত মোৰে ভুল হ'ল। বীৰবলেনো এনে অসৎ কাম কৰিবনে?" এইবুলি কৈ মানুহজনে বাদছাহৰ সমুখত দীঘল দি পৰিল।

"এই অধম আৰু মিছলীয়া মানুহটোক বন্দীশালত নিক্ষেপ কৰাগৈ। এওঁক কি শাস্তি দিয়া যাব, সেইটো মই পাছত চিন্তা কৰিম।" আকবৰে এনেদৰে হুকুম দি বীৰবলৰ ফালে চাই ক'লে, "খন্তেক সময়ৰ বাবে মোৰ মতিভ্ৰম হৈছিল। মোক ক্ষমা কৰি দিয়া বীৰবল।"

"জাহাপানা, মই সদায় আপোনাৰ প্ৰভুভক্ত হৈ থাকিম। মই যে আপোনাৰ বিশ্বাসৰ পাত্ৰ, সেইটো মোৰ বাবে ডাঙৰ সৌভাগ্য।" বীৰবলে ক'লে।



সময়ৰ পৰীক্ষাত উত্তীৰ্ণ অলিম্পিক

অলিম্পিকৰ আদৰ্শ

ক্ষিপ্রতৰ, উচ্চতৰ, শক্তিশালী—এই অৰ্থ বহন কৰা তিনিটা লেটিন শব্দক আধুনিক অলিম্পিকত (১৮৯৬ চনৰ পৰা) আদৰ্শ হিচাপে বাচনি কৰে আধুনিক অলিম্পিকৰ প্ৰতিষ্ঠাপক বেৰন পিয়েৰে দ কুবাৰটিনৰ বন্ধু হেনৰী ডিডনে।

অলিম্পিকৰ প্ৰতীক

ভীষণ জনপ্রিয় ইটোৰ ভিতৰত সিটো সোমাই থকা পাঁচটা ৰিঙক অলিম্পিক প্ৰতীক হিচাপে চিনাক্ত কৰা হয় ১৯১৩ চনত। অলিম্পিক পতাকাৰ বাবে বগা পৃষ্ঠভূমিত এই ৰিঙকেইটা দেখুওৱা হয়। এই পাঁচটা ৰিঙে আফ্রিকা, আমেৰিকা, এচিয়া, অষ্ট্ৰেলিয়া আৰু ইউৰোপ এই পাঁচখন মহাদেশৰ প্ৰতিনিধিত্ব কৰে।

প্ৰথম আৰু শেষ

অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণকাৰী দেশসমূহে ইংৰাজী বৰ্ণমালাৰ আখৰবোৰৰ ক্ৰম অনুসাৰে শোভাযাত্ৰাত ভাগ লয়। ইয়াৰ অৱশ্যে দুটা ব্যতিক্ৰম থাকে। প্ৰাচীন অলিম্পিক প্ৰথমে আৰম্ভ হোৱা দেশ গ্ৰীচে শোভাযাত্ৰাৰ নেতৃত্ব বহন কৰে। আয়োজক দেশখনৰ দলটো একেবাৰে শেষত ষ্টেডিয়ামত প্ৰবেশ কৰে।

প্ৰথমজন খেলুৱৈ

প্ৰথম অলিম্পিক চেম্পিয়ন (পুৰণি অলিম্পিক) হ'ল ক'ৰিবাচ যিজনে একমাত্ৰ প্ৰতিযোগিতাত বিজয়ী হৈছিল। সেইটো আছিল ১৯২ মিটাৰ দৌৰ প্ৰতিযোগিতা। এই খেলটোৰ নাম আছিল *ষ্টেড।* ক'ৰিবাচ পেছাত এজন ৰান্ধনী আছিল। অলিম্পিক চলি থকাৰ সময়ছোৱাত গ্ৰীচৰ ৰাজ্যসমূহৰে মাজত কোনো যুদ্ধ চলা নাছিল। কাকো হাতত অস্ত্ৰ লৈ যাবলৈ দিয়া হোৱা নাছিল।

কেৱল পুৰুষ

গ্ৰীচত অনুষ্ঠিত পুৰণি অলিম্পিকত পুৰুষ প্ৰতিযোগী-সকল আটাইবোৰ প্ৰতিযোগিতাত নগ্ন হৈ ভাগ ল'ব লাগিছিল। সেয়েহে কোনো মহিলা প্ৰতিযোগী নাছিল। মহিলাক অলিম্পিকৰ প্ৰতিযোগিতাত ভাগ ল'বলৈ দিয়া হয় কেৱল ১৯০০ চনৰ (পেৰিচত) অলিম্পিকৰ পৰাহে, তাকো কেইটামান বচা বচা খেলত।



জ্ঞানোদয়

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়াৰ দিনত বোধিসত্ত্ব তাত আছিল এজন কৃষকৰ পুত্ৰ। বোধিসত্ত্বৰ নাম আছিল তেতিয়া—কমল।

সৰুৰেপৰাই কমলে আচৰিত আচৰিত কাম কৰিছিল। কমলে কৰা কামবোৰো আচৰিত আছিল। কমলক তাৰ মাকদেউতা-কে যিমানেই মৰম নকৰক, কমলে তাৰ ককাককহে বেছি ভাল পাইছিল।

কমলৰ ককাক আছিল অতি বৃদ্ধ মানুহ। তেওঁ কোনো কাম বন কৰিব নোৱাৰিছিল। তেওঁক তেওঁৰ বিভিন্ন কামত সকলোৱে সহায় কৰিবলগীয়া হৈছিল। ককাকৰ এই বাৰ্দ্ধক্যজনিত অৱস্থা দেখি কমল বেদনাগধুৰ হৈছিল। এই বুঢ়াৰ আলপৈচান ধৰি ধৰি কমলৰ মাকো বিৰক্ত হৈ পৰিছিল আৰু নিজৰ কষ্টৰ সোনকালে অৱসান ঘটক বুলি বুঢ়া কেতিয়া যে ঢুকাব তালৈকেহে অধীৰ আগ্ৰহেৰে বাট চাইছিল।

এদিন অতিপাত বিৰক্ত হৈ কমলৰ মাকে তেওঁৰ স্বামীক ক'লে, "তোমাৰ দেউতাৰাৰ মই আৰু আলপৈচান ধৰিব নোৱাৰিছোঁ, মই একেবাৰে জ্বলা কলা দেখিছোঁ। এফালে ঘৰৰ কাম বন, আন ফালে তেওঁৰ সেৱা যত্ন। এয়েনে মোৰ জীৱন? কিবা এটা ব্যৱস্থা কৰিব লাগে।"

"শুনা, দেউতাৰনো আৰু কেইদিন? জীয়াই থকালৈকে তুমি আৰু মই লগলাগি এই কষ্টফেৰা কৰিবই লাগিব। মানুহৰ জীৱনৰ এয়ে নিয়ম।"

"এওঁৰ মৃত্যু নাই--নহয় নেকি? মই একেবাৰে অতিষ্ঠ হৈ উঠিছোঁ।" কমলৰ মাকে ক'লে।

"চোৱা, তুমি বা মই বা কোনোবাই ক'লেই কাৰোবাৰ মৃত্যু হ'বনে? আচলতে আয়ু চাউল বোলা কথা আছে। কি কৰিবা? দেউতাক মাৰি পেলাব নোৱাৰোঁ নহয়?" কমলৰ দেউতাকে ক'লে।

'জাতক কাহিনী'

"মাৰি পেলালেও বা কি ক্ষতি? তেওঁ জীয়াই থকাত তুমিও কিবা শান্তিত আছানে?" কমলৰ মাকে ক'লে।

বৃদ্ধক মাৰি পেলোৱাৰ প্ৰস্তাৱ পোনতে হাঁহি উৰাই দিলেও, পাছত সঘনে এই একেই কথা কোৱাত, পৰিবাৰৰ মুখৰপৰা একেবোৰ শুনি শুনি কমলৰ দেউতাকেও এদিন ভাবিলে: দেউতাক এইদৰে জীয়াই ৰখাৰ কোনো অৰ্থ নাই। সঁচা কথা, এইদৰে, দিনে নিশাই তেওঁৰ আলপৈচান ধৰাৰ বাবেহে আমাৰ জন্ম হৈছিলনে?

জীৱনত সুখ শান্তি বোলা কিবা এটা কথাওতো থাকিব লাগে। এনেবোৰ কথা ভাবি এদিন কমলৰ দেউতাকে বৃদ্ধক মাৰি পেলাবলৈ খাটাং কৰিলে। মনতে এটা আঁচনি পাঙি কমলৰ দেউতাকে তেওঁৰ দেউতাকক ক'লে, "দেউতা, চুবুৰীয়া গাঁৱৰ এজন মানুহৰপৰা অলপ মুদ্ৰা ধাৰলৈ ল'ম। কিন্তু তুমি নগ'লে তেওঁ ধাৰ নিদিয়ে। পিছে, মোৰ ধনৰ খুব প্ৰয়োজন হৈছে। যদি পাৰা--মোৰ লগত ব'লা।"

পুতেকৰ অনুৰোধ দলিয়াই পেলাব নোৱাৰি বৃদ্ধ ৰাওণা হ'ল। বৃদ্ধই গাড়ীত উঠাৰ লগে লগে কমলো গাড়ীত উঠিলগৈ। কমলক নিষেধ কৰা সত্ত্বেও বহি থাকিল। গৈ গৈ অৰণ্যৰ কাষত কমলৰ দেউতাকে গাড়ীখন ৰখালে আৰু ইয়াত অলপ কাম আছে বুলি কৈ গাড়ীৰপৰা নামি অৰণ্যৰ ভিতৰলৈ গুচি গ'ল। যাওঁতে কমলৰ দেউতাকে কোৰ এখন হাতত লৈ গ'ল।

লগে লগে কমলেও তাৰ ককাকক ক'লে, "ককা, মোৰো ইয়াত অলপ কাম

আছে।" এইবুলি কৈ সিও কোৰ এখন হাতত লৈ দেউতাকৰ পিছে পিছে অৰণ্যৰ ভিতৰলৈ গুচি গ'ল।

কমলে তাৰ দেউতাকক কোৰেৰে গাঁত খান্দি থকা দেখি সিও গাঁত খান্দিবলৈ ধৰিলে। কমলৰ দেউতাকে কমলক সুধিলে, "তইনো গাঁত খান্দিছ কেলেই?" কমলে ক'লে, "দেউতা, যি কাৰণে তুমি খান্দিছা, ময়ো গাঁত ঠিক সেই একে কাৰণতে গাঁত খান্দিছোঁ।"

"দেউতাৰ মৃত্যু হ'লে তেওঁক সমাধিস্থ কৰিম বুলি মই গাঁত খান্দিছোঁ। কিয়নো, পুত্ৰ হিচাপে পিতৃক কৰাৰ সমাধিস্থ দায়িত্ব মোৰ।" কমলৰ দেউতাকে ক'লে।

"কিন্তু দেউতা, তুমি এইবোৰ কেনে অমংগলীয়া কথা কৈছা? মোৰ ককা দেখোন এতিয়াও জীয়াই আছে।" কমলে অবাক হৈ ক'লে। "মৰা নাই, সঁচা। সেই বুলি—নমৰাকৈ নাথাকে নহয়? এদিন নহয় এদিন মৰিবই। সেয়েহে আগতীয়াই গাঁত খান্দি থৈছোঁ।" কমলৰ দেউতাকে ক'লে।

"মোৰ দেউতা মৰিলেও পুত্ৰ হিচাপে মইহে সমাধিস্থ কৰিম। ময়ো আগতীয়াকৈ গাঁত খান্দি থৈছোঁ। মই বাৰু ঠিকেই কৰিছো নে, দেউতা?" কমলেও ক'লে।

তেতিয়া, ভয় খাই, লাজ পাই কমলৰ দেউতাকে গাঁত খন্দা বন্ধ কৰি কমলক ক'লে, "ব'ল, ঘৰলৈ উভতি যাও ব'ল।"

ঘৰলৈ উভতি আহি কমলৰ দেউতাকে সকলো কথা কমলৰ মাকক ভাঙি পাতি ক'লে। কমলেও তাৰ দেউতাকৰ সমাধিৰ কাৰণে গাঁত খন্দাৰ কথা শুনি খঙে দুখে কমলৰ মাকে কৈ উঠিল, "তাক আমি ইমান আদৰ যত্ন কৰি ডাঙৰ দীঘল কৰিছোঁ--আৰু সি তোমাৰ সমাধিৰ কাৰণে গাঁত খান্দিবলৈ গৈছিল! আজিৰেপৰা তাৰ আৰু মুখদৰ্শন নকৰোঁ মই।"

"শুনা, খং জাৰিলেই তো নহ'ব। মোকো দেউতাই আদৰ যত্নেৰে ডাঙৰ দীঘল কৰা নাছিল জানো? তাকনো দূষিম কেনেকৈ? কমলেই মোক পিতৃহত্যাৰ পাপৰপৰা ৰক্ষা কৰিলে। তাৰ প্ৰতি আমি দুয়ো কৃতজ্ঞ থকাহে উচিত।" কমলৰ দেউতাকৰ এই কথা শুনিহে কমলৰ মাকৰো জ্ঞানোদয় হ'ল।

তেতিয়াৰে পৰা কমলৰ মাকে কেতিয়াও বৃদ্ধৰ প্ৰসংগ উত্থাপন কৰা নাছিল।





ৰামায়ণ

তাৰাই লক্ষ্মণক বাধা দি ক'লে, "খৰখেদা কৰি সুগ্ৰীৱক নিন্দা নকৰিবা। তেওঁ ৰামৰ কামৰ প্ৰতি আওকাণ কৰা নাই। সুগ্ৰীৱই ঘোষণা কৰাই দিছে যে সকলো বান্দৰেই যেন পোন্ধৰ দিনৰ ভিতৰতে কিষ্কিন্ধালৈ ঘূৰি আহে। সুগ্ৰীৱৰ এই নিৰ্দেশ অমান্য কৰা বান্দৰসকলক মৃত্যুদণ্ড বিহা হ'ব বুলি ঘোষণা কৰা হৈছে। আজিহে সেই পোন্ধৰ দিনৰ সীমা শেষ হৈছে। বহুদিন ধৰি কষ্ট ভোগ কৰা সুগ্ৰীৱ আজি ভোগ বিলাসত মত্ত আছে। সেই কথা সঁচা। কিন্তু ই ইমান ডাঙৰ অপৰাধ নহয় আৰু এই কথাৰ বাবে তুমি তেওঁক মাফ কৰি দিয়া উচিত। তেওঁ নিজৰ জীৱনত এতিয়ালৈকে কষ্টই ভোগ কৰিলে। দুখৰ পাছত সুখৰ আশা কৰাটো স্বাভাৱিক কথা। তুমি ক্ৰোধান্বিত নহবা।" তাৰাৰ কথা শুনি লক্ষ্মণৰ ক্ৰোধ কিছু কমিল। তাকে দেখি মুখলৈ পানী অহা সুগ্ৰীৱই ক'লে, "লক্ষ্মণ, ৰামে মোক যিমানখিনি সহায় কৰিলে তাৰ বাবে মই কৰা যিকোনো কামেই যথেষ্ট নহ'ব। মই যদি অজানিতে ৰামৰ কাম সম্পন্ন কৰাত কিবা গাফিলতি কৰিছো তেন্তে মোক ক্ষমা কৰা। ৰামৰ কোনো আদেশেই পালন কৰিবলৈ অস্বীকাৰ কৰাৰ ধৃষ্টতা মোৰ নাই।"

লক্ষ্মণে ক'লে, "সুগ্ৰীৱ, তোমাৰপৰা পোৱা সহায় আমাৰ বাবে দেৱতাৰপৰা পোৱা সহায়ৰ সমান। তুমি নিজেই গৈ শোকবিহ্বল ৰামক সহায়ৰ আশ্বাস দিয়া উচিত। তুমি ৰামক দিয়া আশ্বাস অনুসাৰে কাম নকৰাৰ বাবে হোৱা ৰামৰ দুখ দেখি মই ক্ৰোধান্বিত হৈ পৰিছিলো। মোক ক্ষমা কৰা।"

সুগ্ৰীৱই হনুমানৰ ফালে মুখ কৰি ক'লে, “বান্দৰসকলক মতাই আনিবলৈ মই ইতিমধ্যেই দূত প্ৰেৰণ কৰিছো। এতিয়া আৰু অলপ বান্দৰ পঠিয়াই পৰ্বতত, সমুদ্ৰ উপকূলত আৰু অৰণ্যত থকা বান্দৰবোৰক তৎক্ষণাৎ মতাই অনাৰ ব্যৱস্থা কৰা। তেওঁলোকক আনিবলৈ সম্ভৱপৰ সকলো প্ৰচেষ্টা চলোৱা। যি বান্দৰ দহ দিনৰ ভিতৰত নাহে, তেনে বান্দৰক প্ৰাণদণ্ড বিহা হ'ব। এইটো মোৰ আজ্ঞা। এই ঘোষণা কৰোৱাই দিয়া।” এই আজ্ঞা অনুসাৰে হনুমানে বহুত বান্দৰক বিভিন্ন দিশত প্ৰেৰণ কৰিলে।

লাহে লাহে বান্দৰৰ জাক কিষ্কিন্ধালৈ আহিবলৈ ধৰিলে। ক'লা বান্দৰ, হালধীয়া বান্দৰ, বগা বান্দৰ, ভয়ংকৰ ৰঙা ৰঙা বান্দৰ, সকলো ধৰণৰ বান্দৰ আহিল। বান্দৰ বোৰে নিজৰ নিজৰ লগত বিভিন্ন ধৰণৰ ফল আৰু সুগন্ধিযুক্ত ফুল আনিলে। সেইবোৰ বান্দৰসকলে সুগ্ৰীৱক উপহাৰ স্বৰূপে দিলে। ইমান বৃহৎ মাত্ৰাত আয়োজন কৰা সুগ্ৰীৱৰ ওপৰত লক্ষ্মণৰ এতিয়া বিশ্বাস জন্মিল। লক্ষ্মণে স্নেহৰ বশৱৰ্তী হৈ সুগ্ৰীৱক তেওঁলোকৰ থকা ঠাইলৈ আমন্ত্ৰণ জনালে।

এই আমন্ত্ৰণ স্বীকাৰ কৰি সুগ্ৰীৱই এখন পাল্কী অনাৰ নিৰ্দেশ দিলে। তাত নিজে উঠাৰ লগতে সুগ্ৰীৱে লক্ষ্মণকো উঠাই ল'লে। তাৰপাছত তেওঁলোক দুয়ো ৰামৰ নিবাস অভিমুখে আগবাঢ়িল। বান্দৰসকলে দুয়োৰে ওপৰত শ্বেত ছাতি ধৰি, বিচনীৰে বিচি, শঙ্খ বজাই, বাদ্য বজাই লগে লগে গ'ল। হাজাৰ হাজাৰ বান্দৰ এনেকৈ পাল্কীৰ লগে লগে গৈ থাকিল।

প্ৰস্ৰৱণ পৰ্বতত থকা গুহাৰ ওচৰত পাল্কী



গৈ পালেগৈ। লক্ষ্মণৰ সৈতে সুগ্ৰীৱ পাল্কীৰপৰা নামিল। ৰামৰ ওচৰলৈ আহি সুগ্ৰীৱে হাত ওপৰলৈ কৰি নমস্কাৰ কৰিলে আৰু আন আন বান্দৰবোৰেও সেই ধৰণে নমস্কাৰ কৰিলে। বান্দৰহঁতৰ হাতবোৰ ৰামে পদুমৰ ঠাৰিৰ দৰে দেখিছিল। সুগ্ৰীৱৰ ওচৰলৈ আহি ৰামে তেওঁক আলিঙ্গন কৰিলেহি।

আনুষ্ঠানিকভাৱে ৰামে সুগ্ৰীৱৰপৰা সহায় বিচাৰিলে। তেতিয়া সুগ্ৰীৱই ক'লে, "হে ৰাম, আপোনাৰ সহায়ৰ বলতেই মই এটা নতুন জীৱন লাভ কৰিলো, সেয়েহে মই আপোনাৰ ওচৰত চিৰকৃতজ্ঞ। কেইদিনমানৰ কাৰণে মই সুখ আৰু আনন্দৰ সাগৰত ডুব গৈ আছিলো, সেয়েহে মোৰ কৰ্ত্তব্য পালনত কিছু বিলম্ব হ'ল। আপোনাৰ কষ্ট আৰু মোৰ কৰ্ত্তব্যৰ কথা মই নজনা নহয়। লক্ষ্মণে গৈ মনত পেলাই দিয়াৰ আগতেই মই বিভিন্ন দিশৰপৰা বান্দৰবোৰ মতাই অনাৰ ব্যৱস্থা কৰিছো। মই আপোনাৰ উপকাৰৰ কথা কেতিয়াও নাপাহৰো আৰু নিজৰ মৈত্ৰী ধৰ্ম পালনৰ স্বাৰ্থত মই প্ৰয়োজন হ'লে প্ৰাণকে ত্যাগ কৰিম। মোৰ দূতসকলে কোৱাৰ লগে লগে সংসাৰৰ চুকে কোণে থকা লাখ লাখ পৰাক্ৰমী বান্দৰ আহি পাইছেহি। তেওঁলোকে ৰাৱণক বধ কৰি, সীতাক আপোনাৰ ওচৰলৈ লৈ আহিব পাৰে।"

ৰামে এইকথা শুনি সন্তুষ্ট হৈ ক'লে, "সুগ্ৰীৱ, তোমাৰ দৰে বীৰৰ সহায় লৈ মই ৰাৱণক মাৰি সীতাক লৈ আহিব পাৰিম। সেই কথাত মোৰ এতিয়া অলপো সন্দেহ নাই।"

কিষ্কিন্ধাৰ ওচৰ পাজৰে তেতিয়াও ধূলি

উৰি আছিল। ভূমি কঁপি আছিল, বান্দৰ অহা যোৱা কৰি আছিল। তাৰাৰ পিতাক সুষেণ লগত দহ হাজাৰ কোটি বান্দৰ লৈ আহিল। সুগ্ৰীৱৰ মামাক ৰুপৰ পিতাক তাৰ আহিল লগত লাখ লাখ বান্দৰ লৈ। হনুমানৰ পিতাক কেচৰী লগত একৈছ হাজাৰ আঠশ সত্তৰ বান্দৰ লৈ আহিল। লংগুৰৰ ৰজা গবাক্ষ হাজাৰ কোটি লংগুৰ লগত লৈ আহিল। এইদৰে পৱন, নীল, গৱয়, দৰীমুখ, অশ্বিনী দেৱতাসকলৰ ল'ৰা ভেন্দব্দিদ, গজ, জাম্বৱন্ত, ৰুমাৰন্ত, গন্ধমাদন, অংগদ আদিয়েও অসংখ্য সেনা আনিলে। এই বান্দৰসকলক বনত, জুৰিৰ পাৰত থকা পাহাৰৰ ওপৰত থাকিবলৈ দিয়া হ'ল। ইমানবোৰ সেনা ৰামৰ হাতত গতাই দি সুগ্ৰীৱই ক'লে, এই সেনাসকলক ৰামে যি ধৰণেৰে ইচ্ছা কৰে নিজৰ কামত লগাব পাৰে।

এই অসংখ্য বান্দৰ সেনা দেখি ৰাম বহুত সুখী হ'ল। তেওঁৰ বিশ্বাস হ'ল এই বিশাল সেনাবাহিনীয়ে নিশ্চয় ৰামক বিচাৰি উলিয়াব পাৰিব। সুগ্ৰীৱৰ মৈত্ৰীৰ ওপৰতো ৰামৰ কোনো সন্দেহ নোহোৱা হ'ল। এতিয়া তেওঁৰ দৃৰ বিশ্বাস হ'ল যে সুগ্ৰীৱে নিশ্চয় মৈত্ৰীধৰ্ম পালন কৰিব আৰু সীতাক বিচাৰি উলিয়াব।

ৰাৱণক মাৰি সীতাক ঘূৰাই অনাৰ কামতো তেওঁ নিজেই কৰিব পাৰিব। তাত তেওঁৰ কোনো সন্দেহ নাছিল। তাৰপিছত ৰামে কিবা এটা ভাবি সুগ্ৰীৱক ক'লে, "সুগ্ৰীৱ, প্ৰথমতেই আমি দুটা কথা ঠিক কৰি ল'ব লাগিব। প্ৰথমতে আমি জানি ল'ব লাগিব, সীতা জীৱিত অৱস্থাত আছেনে নাই। তাৰপাছত জানিব লাগিব ৰাৱণৰ নিবাস স্থল আছে ক'ত? এই দুয়োটা কথা জনাৰ পাছতহে ভৱিষ্যতে কি কৰিব লাগিব সেই কথা ভাবিব পৰা যাব। এই দুটা কথা মই বা লক্ষ্মণে জানিব নোৱাৰিম। এই কাম কৰাটো তোমাৰ পক্ষেহে সম্ভৱ।" তেতিয়া সুগ্ৰীৱে বিনত নামৰ বান্দৰ নেতাক মতাই আনি ক'লে, "তুমি এক লাখ বান্দৰ লৈ পূব দিশে যোৱা। ৰাৱণৰ নিবাসস্থলৰ কথা জানি, সীতা কেনে আছে ইত্যাদি কথাবোৰ জানি আহাঁগৈ। এই কামত পঠিওৱা কোনোবা যদি এমাহৰ ভিতৰতে ঘূৰি নাহে, তেন্তে তেওঁক মৃত্যুদণ্ড বিহা হ'ব।" সুগ্ৰীৱই ক'লে।

তাৰপাছত সুগ্ৰীৱই নীল, হনুমান, মহাবল জাম্বুৱন্ত, মহোত্ৰ, শ্বৰাৰী, শ্বৰগুল্মণ, গজ, গৱাক্ষ, গৱযুণ, বৃষভ, মৈইন্দ, দ্বিবিদ, বিজয়, গন্ধমাদন, উল্কামুখ, অসংগ, অংগদ, আদি বীৰক দক্ষিণ দিশে বিচাৰি যাবলৈ কৈ ক'লে, "তোমালোক দক্ষিণৰ দেশবোৰ তন্ন তন্নকৈ চোৱাগৈ। তোমালোকে দক্ষিণৰ সমুদ্ৰৰ ওচৰ পাই, সেই সমুদ্ৰ পাৰ হৈ যোৱাৰ কিবা উপায় চিন্তা কৰাগৈ। কাৰণ সমুদ্ৰত এশ যোজন দূৰত্বতে লংকা আছে। ৰাৱণৰ নিবাসস্থল সেয়াই। সীতাক তাত ভালকৈ বিচাৰি চোৱা। সমুদ্ৰত আৰু পৰ্বত আছে। দক্ষিণৰ দেশবোৰত যদি আৰু কিবা ৰহস্যপূৰ্ণ প্ৰদেশ আছে, তেন্তে সেইবোৰো চাই আহাগৈ। এমাহৰ ভিতৰতে যিয়েই মোৰ ওচৰলৈ কয়হি যে তেওঁ "সীতাক দেখিছে" মই তেওঁক মোৰ ভোগ ভাগ্যৰ সমানে ভাগ দিম আৰু মই তেওঁক নিজৰ প্ৰাণতকৈয়ো বেছি ভাল পাম।"

এইদৰে সুগ্ৰীৱে পশ্চিম ফালে তাৰাৰ পিতাক সুষেণ আদিক দুই লাখ বান্দৰৰ লগত

পঠিয়ালে। এক লাখ বান্দৰৰ সৈতে শতবলীক উত্তৰৰ ফালে পঠিওৱা হ'ল।

সুগ্ৰীৱই ইমানবোৰ বান্দৰক ইমান বিভিন্ন দিশত পঠিয়াইছিল যদিও তেওঁৰ সমুদায় আশা আছিল হনুমানৰ ওপৰত। সেয়েহে সুগ্ৰীৱই হনুমানক ক'লে, "তুমি ভূমি, জল আৰু বায়ুত চলাচল কৰিব পাৰা। তুমি তিনিও লোক ভালকৈ জানা। তোমাৰ পিতৃ বায়ু দেৱতাৰ সমান তোমাৰ প্ৰতিভা আছে। সেয়েহে সীতাক বিচাৰি উলিয়াবলৈ তুমিয়েই বেছি কষ্ট কৰিব লাগিব।"

এই কথা শুনিয়েই ৰামে গম পালে হনুমানৰ ওপৰত সুগ্ৰীৱৰ কিমান বিশ্বাস আছে। ৰামেও হনুমানৰ অভাৱনীয় বুদ্ধি, জ্ঞান, শক্তি আৰু বিনম্ৰতাৰ কথা ভালকৈ জানিছিল। বান্দৰৰ ভিতৰত হনুমানকে তেওঁ সবাতোকৈ বেছি প্ৰতিভাশালী আৰু সত্যনিষ্ঠ বুলি ভাবিছিল। ৰামেও আশা কৰিবলৈ ধৰিলে, কেৱল হনুমানেহে এই কাম কৰিব পাৰিব। সেয়েহে ৰামে নিজৰ আঙুঠি খুলি হনুমানৰ হাতত তুলি দিলে, যাতে সেইটো দেখি সীতাই হনুমানক চিনি পায় আৰু তেওঁক বিশ্বাস কৰে।

ৰামে হনুমানক ক'লে, "হনুমান, এই আঙুঠিটো দেখি সীতাই বিশ্বাস কৰিব, তোমাক দেখি ভয় নাখাব।" হনুমানে আঙুঠিটো নিজৰ শিৰত ৰাখি, ৰামক নমস্কাৰ কৰি তাৰপৰা যাবলৈ ওলাল।

"হনুমান! মোৰ সকলো আশা কেৱল তোমাৰ ওপৰতেই আছে। তুমি শক্তিয়ে আটে মানে সীতাক বিচাৰিবলৈ চেষ্টা কৰা।" যোৱাৰ আগে আগে হনুমানক ৰামে কথাখিনি ক'লে।

হনুমানে নিজ দলৰ বান্দৰসকলৰ লগত আগবাঢ়িল আৰু বেলেগ বেলেগ বান্দৰৰ গোট বেলেগ বেলেগ দিশত ওলাই গ'ল।

দলবোৰ এমাহৰ পিছতহে ঘূৰি অহাৰ কথা আছিল, সেয়েহে ৰাম আৰু লক্ষ্মণে প্ৰস্ৰবণ পৰ্বততে সীতাৰ বিষয়ে বাতৰিৰ প্ৰতীক্ষা কৰি থাকিল। সুগ্ৰীৱৰ এনেকুৱা লাগিল, তেওঁ যেন এটা ডাঙৰ দায়িত্বহে পালন কৰিলে।

সুগ্ৰীৱই পঠিওৱা বান্দৰৰ দলবোৰে চাৰিওটা দিশতে সীতাক বিচাৰি চালে। বান্দৰবোৰে গোটেই দিনটো সীতাক বিচাৰে আৰু ৰাতি কোনোবা বাগিচাত এক গোট হৈ তাতে শুই পৰে। এইদৰে এমাহ সময় পাৰ হ'ল।

মাহ শেষ হোৱাৰ লগে লগে পূব, পশ্চিম, আৰু উত্তৰ দিশৰপৰা বান্দৰবোৰ ঘূৰি আহিল। সকলোৱে সুগ্ৰীৱক আহি জনালেহি যে সীতাৰ কোনো খবৰ পোৱা নগ'ল। এই বাতৰি সুগ্ৰীৱ নিৰাশ হ'ল। কিন্তু দক্ষিণৰ ফালে যোৱা বান্দৰৰ ওপৰত তেওঁ আশা এৰি দিয়া নাছিল। আৰু দক্ষিণ ফালে যোৱা দলটোৰ বান্দৰবোৰে সীতাক বিচাৰি বিচাৰি বিন্ধ্য পৰ্বতৰ ওচৰ পালেহি।

বিন্ধ্য পৰ্বত সাধাৰণ পৰ্বত নহয়। তাত যে কিমান শৃংগ আছে। কিমান যে গুহা আছে। তাৰ ওচৰত কিমান যে নদী আছে। কিমান যে দুৰ্গম অৰণ্য আছে। বান্দৰবোৰে খুব সাৱধানে গোটেই এলেকাটো চালে।

এঠাইত বান্দৰবোৰে এটা ভয়ংকৰ ৰাক্ষস দেখিলে। তাকে ৰাৱণ বুলি ভাবি অংগদে ৰাক্ষসটোক ইমান বেয়াকৈ প্ৰহাৰ কৰিলে যে সি তেজ বমি কৰি মৰি থাকিল। তাৰ ওচৰতে বান্দৰে সীতাক বিচাৰি চালে। পিছে সীতা তাত নাছিল।

শেষত ভাগৰত অৱশ হৈ সকলো বান্দৰ এজোপা বৃক্ষৰ তলত বহি পৰিল। তেতিয়া অংগদে বাকী সকলক ক'লে, "সীতাক বিচাৰি উলিওৱাৰ কাম এতিয়ালৈকে সফল নহ'ল। বহুত দিন হৈ গ'ল। সুগ্ৰীৱই কঠোৰ শাস্তি বিহে। সেয়েহে আমি আৰু কষ্ট কৰিব লাগিব। শুৱলৈয়ো বাদ দিব লাগিব।"

গন্ধমাদনেও অংগদৰ এই পৰামৰ্শত নিজৰ সন্মতি জ্ঞাপন কৰিলে।

বান্দৰসকল তৎক্ষণাৎ উঠিল আৰু বিন্ধ্য পৰ্বতত সীতাক বিচাৰিবলৈ ধৰিলে। বান্দৰবোৰ বিন্ধ্য পৰ্বতত থাকোতেই এমাহৰ সীমা শেষ হ'ল।

গাখীৰৰ বেপাৰ

এখন গাঁৱত শিৱনাথ নামৰ এজন যুৱক আছিল। সি বৰ দুষ্ট আছিল। গাঁৱৰ মানুহে সেয়েহে তাক ভাল পোৱা নাছিল। সি লিখা পঢ়াও কৰিব নোৱাৰিছিল।

এবাৰ সেইখন গাঁৱলৈ এজন বিখ্যাত জ্যোতিষী আহিল। তেওঁ গাঁৱৰ মাজতে থকা এজোপা বৰগছৰ তলতে তেওঁৰ বহা পাতিলে। গাঁৱত এই বাতৰি বিয়পি পৰিল যে মানুহৰ ভৱিষ্যতৰ কথা কোৱাত জ্যোতিষীৰ দক্ষতাৰ তুলনা নাই। শিৱনাথেও নিজৰ ভৱিষ্যতৰ কথা জানিবলৈ জ্যোতিষীক এদিন নিজৰ হাতখনো দেখুৱালে।

জ্যোতিষীয়ে শিৱনাথৰ হাত চাই ক'লে "মই আজিলৈকে মোৰ জীৱনত এনেকুৱা ভাগ্যশালী হাত দেখা নাই। তুমি আনকি মাটি স্পৰ্শ কৰিলেও সেয়া সোণ হৈ যাব।"

এই কথা শিৱনাথে নিজেই বিশ্বাস কৰিব নোৱাৰিলে। গাঁৱৰ মানুহেও কথাটো হাঁহি উৰুৱাই দিলে। তাকে দেখি জ্যোতিষীয়ে মানুহবোৰক বুজালে, "শাস্ত্ৰৰ কথা কেতিয়াও মিছা হ'ব নোৱাৰে। যদি ভাগ্যই লগ দিয়ে তেন্তে মানুহে নিজে কৰা অপৰাধো তেওঁৰ পক্ষে বৰদান হৈ উঠে।"

শিৱনাথে ঠিক কৰিলে যে যিকোনা উপায়েৰে হ'লেও সি ডাঙৰ মানুহ হৈ দেখুৱাব। কিন্তু ডাঙৰ মানুহনো কেনেকৈ হ'ব পাৰি সি জনা নাছিল।

এজন ব্যক্তিয়ে শিৱনাথক এইবুলি পৰামৰ্শ দিলে, "প্ৰথমে তুমি অলপ অচৰপ ধন উপাজন কৰা আৰু তেতিয়া দেখিবা খ্যাতি তোমাক বিচাৰি বিচাৰি নিজে ওলাবহি।" কিন্তু শিৱনাথে ধন উপাৰ্জন কৰাৰ উপায়ৰ কথাও নাজানিছিল। সি কাম বনো কৰিব নোৱাৰিছিল আৰু লিখা পঢ়াও নাজানিছিল।

শিৱনাথে ভাবিলে, গাঁওবাসীৰ যিহেতু তাৰ প্ৰতি ভাল ভাব নাই গতিকে প্ৰথমতে সি এই

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী



গাঁওখন এৰিব লাগিব। এদিন ৰাতিপুৱা সি নিজৰ গাঁও এৰি ওলাই আহিল। অৰণ্যত প্ৰবেশ কৰি সি তৈ থাকিল। এঠাইত এজোপা গছৰ তলত সি এজন মানুহ শুই থকা দেখিলে। তেওঁৰ কাষতে এখন তৰোৱাল আৰু এটা টোপোলা আছিল।

শিৱনাথে টোপোলাটো খুলি চালে। সেইটো সোণৰ মুদ্ৰাৰে ভৰি আছিল। ভাবিবলৈ কিটো আছে, সেই টোপোলাটো আৰু তৰোৱাল খন লৈ সি পলাবলৈ ওলাল।

হঠাতে শুই থকা মানুহজন সাৰ পাই উঠি বহিল। আচল কথাটো গম পাই তেওঁ শিৱনাথৰ পাছে পাছে গ'ল। শিৱনাথে পিছলৈ ঘূৰি চালে। সি ভাবিলে যে এইজন মানুহৰ কবলৰপৰা পলাই সৰাটো অসম্ভৱ। সি বৈ গ'ল। তেনেতে সেই মানুহজন তাৰ ওচৰ পালেহি। শিৱনাথে তৰোৱালখন সেই মানুহজনৰ বুকুত বহুৱাই দিলে। চিৎকাৰ কৰি মানুহজন মাটিত বাগৰি পৰিল।

অলপ সময়ৰ পাছত মানুহজনৰ প্ৰাণবায়ু ওলাই গ'ল। তাকে দেখি শিৱনাথ স্তব্ধ হৈ পৰিল। চুৰিৰ লগতে সি এতিয়া হত্যাৰ অভিযোগো মূৰ পাতি ল'ব লাগিব। সি খৰকৈ খোজ কাঢ়িবলৈ ধৰিলে। এঘন্টামানৰ ভিতৰতে সি হাবিখন পাৰ হৈ বেলেগ এখন গাঁৱত উপস্থিত হ'লগৈ।

সেইখন গাঁৱত যিজন মানুহক শিৱনাথে প্ৰথম দেখিছিল, তেওঁ সুধিলে, "তোমাৰ কাপোৰত তেজ আহিল ক'ৰপৰা।"

তেতিয়ালৈকে শিৱনাথে জনাই নাছিল যে তাৰ কাপোৰত তেজ লাগি আছে। সি আচৈ মাতিলে, "এটা চোৰে মোৰ ধন লুট কৰিব খুজিছিল, মই তাৰ ওপৰত তৰোৱাল চলালো। তাৰে তেজ হ'ব ছাগৈ।"

মুহূৰ্ত্তৰ ভিতৰতে খবৰটো গোটেই গাঁওতে বিয়পি পৰিল। গাঁৱৰ কিছুমান মানুহ শিৱনাথে কোৱা হাবিৰ সেই ঠাইখন পালেগৈ। শেই মৃত ব্যক্তিজন আন কোনো নাছিল, "কালযম" নামৰ এটা কুখ্যাত ডকাইত। গাঁওবাসী বৰ সুখী হ'ল। সকলোৱে শিৱনাথক প্ৰশংসা কৰিলে। ৰজায়ো ঘোষণা কৰিলে যে সেই ডকাইতক মৰা মানুহজনক দহ হাজাৰ সোণৰ মুদ্ৰা পুৰস্কাৰ হিচাপে দিয়া হ'ব। সেই কথা গাঁৱৰ মানুহে শিৱনাথক জনালে আৰু জয়ধ্বনি কৰি তাক মানুহে গাঁৱলৈ লৈ আহিল। শিৱনাথৰ নিজৰ কোনো গাঁও নাই বুলি শুনি সকলোৱে শিৱনাথক সেইখন গাঁৱতে থাকি যাবলৈ অনুৰোধ কৰিলে। সোনকালেই

শিৱনাথে ৰজাৰপৰা পুৰস্কাৰ গ্ৰহণ কৰিলে।

এতিয়া শিৱনাথৰ হাতলৈ বহুত ধন আহিল, কিন্তু ডাঙৰ মানুহ হ'ব পৰাকৈ সেয়া পৰ্যাপ্ত নাছিল। অধিক ধন উপাৰ্জন কৰিব পাৰিম বুলি ভাবি সি কেইবাজনী গাই কিনি গাখীৰৰ বেপাৰ আৰম্ভ কৰিলে। বেছি লাভৰ বাবে সি গাখীৰত পানী মিহলাবলৈ ধৰিলে।

পিছে এই বেপাৰত এটা অসুবিধাই দেখা দিলে, শিৱনাথ যিখন গাঁৱত বাস কৰিবলৈ লৈছিল সেই গাঁওখনত পানীৰ ভাল সুবিধা নাছিল। গাঁওবাসীয়ে দূৰৰ নদীৰপৰা পানী আনিছিল। যিসকল লোকে নিজে পানী আনিব নোৱাৰিছিল তেওঁলোকে আনক মজদুৰী দি পানী অনাই লৈছিল। শিৱনাথে নিজেই পানী কিনিবলগীয়া হৈছিল। তাৰ গাখীৰৰ বেপাৰ বাঢ়ি অহাৰ লগে লগে, প্ৰয়োজন হোৱা পানীৰ পৰিমানো বাঢ়ি আহিল। সি ভাবিলে যে অধিক মজুৰী দি পানী কিনিলে বেপাৰতো লোকচান হ'ব আৰু সি গাখীৰত পানী মিহলোৱা কথাটো সকলোৱে গম পাব।

সেয়েহে শিৱনাথে তাৰ পাছ চোতালত এটা কুঁৱা খন্দুৱাবলৈ ঠিক কৰিলে। এই কাম সি মনে মনে ৰাতি ওচৰৰ গাঁৱৰপৰা শ্ৰমিক অনাই কৰোৱালে। ইয়াতো তাৰ ভাগ্য খোল খালে। সেইখন গাঁৱত বহুতো মানুহে কুঁৱা খন্দাইছিল, কিন্তু এটাতো পানী নুলাল। কিন্তু শিৱনাথৰ কুঁৱাত দহ ফুট গভীৰতাতে নিৰ্মল পানী ওলাল। এতিয়া তাৰ পানী কিনাৰ প্ৰয়োজন নোহোৱা হ'ল। কিন্তু সি অলপ পানী তেতিয়াও কিনি থাকিল।

তথাপি শিৱনাথৰ গাখীৰৰ বিষয়ে গাঁও-বাসীৰ সন্দেহ হ'ল। সকলোৱে অভিযোগ কৰিলে যে গাখীৰৰ সোৱাদ আগৰ নিচিনা হৈ থকা নাই। সি ক'লে যে গাইবোৰৰে কিবা দোষ আছে। কিন্তু গাঁওবাসীয়ে তাৰ সেই কথাও মানি ল'লে। তথাপি তেওঁলোকে তাৰ গাইৰ গাখীৰ একেবাৰে ভাল নোপোৱা হ'ল। শিৱনাথৰ সৈতে ফেৰ মাৰিব নোৱাৰি গাখীৰৰ আটাইবোৰ বেপাৰী সেই গাঁও এৰি গুচি গ'লগৈ। গাঁওবাসীয়ে শিৱনাথৰপৰাই গাখীৰ কিনি থাকিবলগীয়া হ'ল।

এনে অৱস্থাত গাঁৱৰে এজন সাহসী যুৱকে ৰজাৰ ওচৰলৈ গৈ শিৱনাথৰ বিৰুদ্ধে অভিযোগ কৰিলে আৰু এইবুলিও অনুৰোধ কৰিলে যে শিৱনাথৰ যিহেতু যথেষ্ট নাম আছে, সেয়েহে তদন্ত গুপ্তভাৱে হোৱা উচিত। ৰজাৰ এজন গুপ্তচৰে শিৱনাথৰ এই ঠগকাৰ্য ধৰা পেলালে।

ৰজাই শিৱনাথক বন্দী কৰিলে। কাঠগড়াত থিয় কৰাই ৰজাই শিৱনাথক সুধিলে, "এইটো প্ৰমাণ হৈছে যে তুমি গাখীৰত বেছি পানী মিহলাই বিক্ৰী কৰা। এই অভিযোগৰ উত্তৰত তুমি কি ক'ব খোজা?"

"মহাৰাজ আপুনিয়েও কওকচোন মইনো ক'ত কি মিলালো?" শিৱনাথে সুধিলে।

"গাখীৰত পানী মিহলাইছা।"

"মহাৰাজ! মই পানীতহে গাখীৰ মিহলাইছো। মই যি পানী বিক্ৰী কৰো তাত গাখীৰৰ তুলনাত পানীয়েই বেছি থাকে।" শিৱনাথে ক'লে।

ন্যায়ালয়ত উপস্থিত সকলো মানুহে হাঁহি দিলে। "এইটোতো আৰু বেছি অন্যায়।" ৰজাই ক'লে।

"মহাৰাজ, মই পানীৰ বেপাৰী, গাখীৰৰ নহয়। আমাৰ গাঁৱৰ মানুহৰ বিশেষ প্ৰয়োজনটো হৈছে পানী, তাৰ বাবেই মানুহখিনিয়ে বহুত ধন খৰচ কৰি আছে।"

শিৱনাথৰ মুখত এইকথা শুনি গাঁৱৰ গাঁওবুঢ়াই ৰজাক ক'লে, "মহাৰাজ এই কথা সঁচা। শিৱনাথ সাধাৰণ ব্যক্তি নহয়। তেওঁৱেই আমাক কালযম ডকাইতবপৰা উদ্ধাৰ কৰিছে। এনেকুৱা মানুহে বস্তু ভেজাল কৰিব, সেই কথা বিশ্বাস কৰিব নোৱাৰি। মোৰ ধাৰণা হৈছে আমাৰ গাঁৱত পানীৰ অভাৱৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈকে তেওঁ এনেকুৱা কৰিছে।"

এই কথা শুনি ৰজা ক্ৰোধান্বিত হ'ল আৰু গৰজি ক'লে, "আজিলৈকে তোমালোকে কি কৰি আছিলা? মোৰ ওচৰলৈ আবেদন পত্ৰ কিয় নপঠিয়ালা?"

"মহাৰাজ! আমি বহুতো আবেদন পত্ৰ পঠিয়াইছিলো, কিন্তু আপোনাৰ বিষয়সকলে জনতাৰ অপৰাধৰ বিচাৰতহে বেছি মনোযোগ দিয়ে জনতাৰ প্ৰাৰ্থনাৰ প্ৰতি মনোযোগ নিদিয়ে।" গাঁওবুঢ়াই ক'লে।

ৰজাই শিৱনাথক মুক্তি দিলে। তেওঁক পুৰস্কৃত কৰিলে। তেওঁ নদীৰপৰা গাঁওখনলৈ এটা খাল খন্দোৱালে। শিৱনাথৰ কৃপাতেই এই খাল লাভ কৰিলে বুলি গাঁওবাসীয়ে ভাবিলে। শিৱনাথে নাম আৰু খ্যাতিৰ লগতে কোটি কোটি টকা উপাৰ্জন কৰিলে। অসৎ কাম কৰি ধন উপাৰ্জন কৰাৰ অভ্যাস এৰি দিলে আৰু বিয়া বাৰু কৰাই আৰামেৰে জীৱন কটাবলৈ ধৰিলে।

চিত্ৰ : গান্ধী অয্যা 24
অপৰাজেয় গৰুড়
পাহাৰীয়া গুহাত, নৰেন্দ্ৰদেৱে নিজৰ পুতেক ৰবীন্দ্ৰদেৱক কয় যে তেওঁ যাতে তুৰন্তে বজ্ৰপৰীলৈ যায় আৰু তাৰ ৰজাক চন্দ্ৰপুৰী আক্ৰমণ কৰিবৰ বাবে উচটনি দিয়ে। ইতিমধ্যে আদিত্য আৰু ধীৰসেন সূৰ্যপৰীৰ সেনাৰ সহায়ত বজ্ৰপুৰী ঘেৰি লয়।
বজ্ৰপুৰীত...
সেনাধ্যক্ষ ধীৰসেনে এজন দূত পঠিয়ায়।
ৰক্ষক যোৱাৰ পিছত...
তেওঁক ভিতৰলৈ পঠিয়াই দিয়া।
পুষ্পৰাজ, তুমি তেওঁৰ লগত কথা পাতা!
দূতে আসন গ্ৰহণ কৰে।
ৰাজকুমাৰ আদিত্যই বিচাৰে যে বজ্ৰপুৰী, চন্দ্ৰপুৰীৰ সীমাৰ পৰা নিজৰ সেনাক মতাই পঠায়।
...আৰু এয়াও যে ৰবীন্দ্ৰদেৱক সূৰ্যপুৰীৰ সেনাৰ হাতত গতাই দিয়ে।
ৰাজকুমাৰক গৈ জনোৱাগৈ যে আমি দুয়ো লগত সন্মত আছো।
দূতে বিদায় লয়।
পুষ্পৰাজ, তুমি ধীৰসেনক লগ ধৰি শান্তি বাৰ্তা আৰম্ভ কৰা।
মই ভবাই নাছিলো যে ধীৰসেনে আমাৰ শত্ৰুৰ লগত লাগিব।
যেতিয়া তুমি শান্তি বাৰ্তা কৰিবা, তেতিয়া মই ৰবীন্দ্ৰদেৱক গুপ্ত পথেৰে পলায়ন কৰাত সহায় কৰিম।
এয়া প্ৰকৃত ৰণনীতি মহাৰাজ!

বজ্ৰপুৰী দুৰ্গৰ বাহিৰৰ শিবিৰত।
ৰাজকুমাৰ আদিত্যৰ বাবে চন্দ্ৰপুৰীৰ পৰা এজন বাৰ্তাবাহক আহিছে।
চন্দ্ৰপুৰী? তেওঁক ভিতৰলৈ লৈ আহাঁ।
বাৰ্তাবাহক ভিতৰলৈ আহে। আদিত্যই তেওঁক চিনি পায়।
প্ৰতাপ তুমি? কি হ'ল?
ৰামসিংহই বিচাৰে যে আপুনি ৰজাক আদৰিবলৈ মন্দিৰলৈ ঘূৰি যায়।
ৰামসিংহক কোৱা যে তেওঁ বজ্ৰপুৰীৰ সেনাক আত্ম সমৰ্পণৰ বাবে কয়।
মই তেওঁক এই কথা কওঁগে ৰাজকুমাৰ।
ধীৰসেনে শিবিৰৰ বাহিৰত আদিত্যক লগ কৰে।
ধীৰসেন, মই ইয়াৰ আশা কৰা নাছিলো। আমি ৰজাক কেৱল অভিষেক অনুষ্ঠানৰ বাবে মাতিব খুজিছিলোঁ। মই গম পোৱা নাই তেওঁ তালৈ আগতে কিয় গুচি গ'ল।
যদি ৰজাই তোমাক তাত বিচাৰে তেন্তে তুমি তেওঁৰ ওচৰত নিশ্চয় থকা উচিত।
মই দুদিনতে ঘূৰি যাম। তুমি বজ্ৰপুৰীৰ ওপৰত দাবী তুলি থাকিবা।
আদিত্য মন্দিৰ স্থল পায়গৈ আৰু ৰাজগুৰুক কেইজনমান নিৰ্মাণকাৰীৰ লগত দেখা পায়।
আদিত্য, মই সূৰ্যপুৰীলৈ এজন বাৰ্তাবাহকক পঠাইছোঁ।
সূৰ্যপুৰীৰ সেনাই বজ্ৰপুৰীৰ দুৰ্গক ঘেৰি ৰাখিছে। মই ধীৰসেনৰ লগত আছিলোঁ, সেয়েহে বাৰ্তাবাহকে মোক তাতে লগ কৰিলে।
তুমি ঠিক সময়তে আহিছা। ৰজা যিকোনো সময়তে ইয়ালৈ আহিব পাৰে।

শীঘ্রেই দুখন পাল্কী তাত পায়হি। আদিত্য আৰু ৰাজগুৰু ৰজাৰ আদৰণিৰ বাবে আগবাঢ়ে।
মানবেন্দ্ৰ, পুনৰুদ্ধাৰৰ কাম সম্পূৰ্ণ হৈছে।
মই এই কথা গম পাই সুখী হৈছো। কিন্তু মই এটা বিশেষ কামত আহিছো।
সেয়া কি মহাৰাজ।
আমাৰ জ্যোতিষীয়ে কৈছে যে অৰুণাৰ লগত তোমাৰ বিবাহত বিলম্ব হোৱা উচিত নহয়।
জ্যোতিষী ভিৰৰ পৰা ওলাই তালৈ আহে।
হয়, ৰাজকুমাৰ! গ্ৰহ অনুকূল। আৰু কাইলৈৰ দিনা মঙ্গলময়।
আপোনালোক যুয়োৰে জীৱন নিশ্চিতভাৱে শান্তিপূৰ্ণ হ'ব।
কিন্তু জ্যোতিষীদেৱ, এতিয়াও মোৰ লক্ষ্য সম্পূৰ্ণ হোৱা নাই।
আদিত্যই সূৰ্যপুৰীৰ স্থিতিৰ বিষয়ে কয় আৰু বিবাহ স্থগিত কৰাৰ বাবে ৰজা মানবেন্দ্ৰক মান্তি কৰোৱাৰ প্ৰয়াস কৰে। কিন্তু...
আদিত্য, বাকী কাম পিছত পূৰা কৰিব পৰা যায়।
এয়া আমাৰ ৰজাৰ ইচ্ছা।
আমি অৰুণাৰ ইচ্ছাৰ কথাও জানিব লাগিব।

মহাৰাজ, মই আপোনাৰ ইচ্ছাৰ বিৰুদ্ধে কেনেকৈ যাব পাৰোঁ?
আদিত্য, আমি সাধাৰণ সমাবোহ কৰিম।
আপোনাৰ যি ইচ্ছা মহাৰাজ।
আদিত্য, তেওঁক মন্দিৰ দেখুৱাই দিয়া। মই তেতিয়া-লৈকে কাইলৈৰ কাৰণে প্ৰস্তুতি আৰম্ভ কৰোঁ।
পিছদিনাখন পুৱা ৰাজগুৰুৰ নেতৃত্বত মন্দিৰৰ ফালে এক শোভাযাত্ৰা আগবাঢ়ে। ৰাজগুৰুৰ পিছত ৰজা আৰু অৰুণা। তেওঁলোকৰ পিছত আদিত্য আৰু জ্যোতিষী আগবাঢ়ে।
মন্দিৰৰ ভিতৰভাগত আদিত্য আৰু অৰুণাই এজনে আনজনক মালা পিন্ধায়।
এয়া মোৰ জীৱনৰ সকলোতকৈ সুখৰ মুহূৰ্ত্ত আদিত্য।
মই এই দিনটোৰেই অপেক্ষাত আছিলো।
আদিত্য আৰু অৰুণাই আশীৰ্বাদ লয়।
চিৰঞ্জীৱি হোৱা।
তোমালোকৰ জীৱন সুখৰ আৰু শান্তিৰ হওক।
ক্ৰমশঃ

ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান

অজন্তাৰ গুহাবোৰ

বিশ্ববিখ্যাত অজন্তা গুহাবোৰ আছে মহাৰাষ্ট্ৰৰ ঔৰাংগাবাদৰ-পৰা ১০০ কিলোমিটাৰ দূৰৈত। এই গুহাৰ নাম শুনিলেই সাধাৰণতে মানুহৰ বিশেষকৈ শিশুৰ মনত কিবা ৰহস্যঘন অনুভূতিৰ সৃষ্টি হয়। পিছে অজন্তাৰ গুহাবোৰৰ ক্ষেত্ৰত এই কথা নাখাটে, কিয়নো যীশুখ্ৰীষ্টৰ জন্মৰ দুশ বছৰৰ আগতে যেতিয়া এই গুহাবোৰ নিৰ্মাণ কৰা হৈছিল, সেইবোৰ বৌদ্ধ সন্ন্যাসীসকলে নিজৰ থকাঘৰ হিচাপে ব্যৱহাৰ কৰিছিল। যেতিয়া তেওঁলোকে প্ৰাৰ্থনা কৰা নাছিল, সেই সময়খিনি তেওঁলোকে গুহাৰ ভিতৰত চিত্ৰ আৰু ভাস্কৰ্য তৈয়াৰ কৰাৰ কামত ব্যৱহাৰ কৰিছিল। স্বাভাৱিকতে এইবোৰৰ বিষয়বস্তু আছিল ৰাজকুমাৰ গৌতম হিচাপে বুদ্ধৰ জীৱন আৰু তেওঁৰ পূৰ্বজনমৰ সৈতে জড়িত ঘটনাৱলী। এই চিত্ৰবোৰত ধৰ্মৰ প্ৰভাৱ স্পষ্ট আছিল।

ইয়াৰ বাবে বৌদ্ধ সন্ন্যাসীসকলে ব্যৱহাৰ কৰা মাধ্যম এনেকুৱা আছিল যে চিত্ৰৰ ৰঙবোৰ শ শ বছৰ ধৰি একেধৰণেই আছিল। ৰঙবোৰ ম্লান হৈ অহাটো মন কৰি এই চিত্ৰবোৰ সংৰক্ষণৰ যথোচিত ব্যৱস্থা কৰা হৈছিল। ব্ৰিটিছ চিকাৰী কেইজনমানে ১৮৯১ চনত এই গুহাবোৰ আৱিষ্কাৰ কৰিছিল আৰু ইষ্ট ইণ্ডিয়া কম্পেনীয়ে চিত্ৰবোৰৰ প্ৰতিলিপি তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিছিল। মুঠতে এনে ৩০টা গুহা আছে, ইয়াৰে পাঁচটা গুহাক চৈত্য গৃহ বোলা হয় আৰু বাকী কেইটাক বিহাৰ বা মঠ বোলা হয়। শিল কাটি এই গুহাবোৰ তৈয়াৰ কৰা হৈছিল যেন লাগে। প্ৰবেশপথত অভাৱনীয় শিল্পকলাৰ ভাস্কৰ্য দেখিবলৈ পোৱা যায়। ১৯৮৩ চনত, ইউনেস্কই অজন্তাৰ গুহাবোৰ বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত অন্তৰ্ভুক্ত কৰে, আৰু সংগঠনটোৱে এই চিত্ৰ আৰু ভাস্কৰ্যবোৰক, "বৌদ্ধ ধৰ্মীয় কলাৰ অপূৰ্ব চানেকি" বুলি অভিহিত কৰে।



আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি

বচ্চপন বচ্চাও আন্দোলনৰ (বি বি এ) দ্বাৰা পৰিচালিত অনাথ আশ্ৰম বালাৰ এসময়ৰ নিবাসী বান্দি, ওমপ্ৰকাশ আৰু অমৰলালক শিশু শ্ৰমিক হিচাপে কাম কৰি থকা অৱস্থাৰ-পৰা উদ্ধাৰ কৰা হৈছিল। এওঁলোক তিনিও-জনে অলপতে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰে।

চৈধ্য বছৰীয়া বান্দিয়ে লাভ কৰে প'গ' কিড্চ এৱাৰ্ড। অনাথ আশ্ৰমৰপৰা ঘূৰি গৈ ঘৰলৈ যোৱাৰ পাছত তেওঁ আগভাগ লৈ ৬০টা ল'ৰা ছোৱালীক স্কুলত নামভৰ্তি কৰোৱাই দিছিল আৰু সিহঁতৰ শিক্ষাৰ খৰচৰ জোৰা মৰাত সহায়ৰ ব্যৱস্থা কৰিছিল। পোন্ধৰ বছৰীয়া ওমপ্ৰকাশ গুৰ্জাৰে ২০০৭ চনৰ বাবে ইন্টাৰনেছনেল চিলড্ৰেন্‌ছ পিছ এৱাৰ্ড লাভ কৰে। শিক্ষা বিনামূলীয়া হোৱা সত্ত্বেও ছাত্ৰ-ছাত্ৰীৰপৰা ধন লোৱা ৰাজস্থানৰ এখন স্কুলৰ অধ্যক্ষ আৰু কেইজনমান শিক্ষকৰ বিৰুদ্ধে তেওঁ এটা আন্দোলনৰ গুৰি ধৰিছিল। এই বিষয়টো পিছত ৰাজ্য মানৱ অধিকাৰ আয়োগে বিবেচনাৰ বাবে লয়। ওমপ্ৰকাশ সেইখন স্কুলৰে নৱম শ্ৰেণীৰ ছাত্ৰ আছিল।

অমৰলালে আকৌ ইউনেস্ক'ৰদ্বাৰা আয়োজিত এখন শিক্ষা শীৰ্ষ সন্মিলনত ভাগ ল'বলৈ আমন্ত্ৰণ লাভ কৰিছে। তেওঁ শিশু শ্ৰমিক আৰু শিশুৰ শিক্ষাৰ অধিকাৰ আদি বিষয়ৰ ওপৰত ভাষণ দিব।

ডবা চেম্পিয়ন

যোৱা ডিচেম্বৰ মাহত দিল্লীত অনুষ্ঠিত কমনৱেলথ্ ডবা চেম্পিয়নশ্বিপত কালিকতৰ চি.এইচ্চ. মেঘনাই ছোৱালীৰ ৮ বছৰৰ তলৰ শাখাত স্বৰ্ণ পদক লাভ কৰে। যথেষ্ট প্ৰতিযোগী নথকাৰ বাবে তেওঁক মুকলি শাখাতে ৰখা হৈছিল আৰু তেওঁ ১০ খন খেলৰপৰা ৪ পইন্ট সংগ্ৰহ কৰে আৰু তিনিখন খেল ড্ৰ ৰাখে। চতুৰ্থ শ্ৰেণীৰ এই ছাত্ৰীগৰাকীয়ে চাৰি বছৰ বয়সৰপৰাই ডবা খেলি আহিছে।

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা

ৰাতিৰ আকাশখন

তুমি কিমান সঘনাই ৰাতিৰ আকাশখনলৈ চোৱা বাৰু? তিৰবিৰাই থকা তৰাবোৰ আৰু উজ্জ্বল চন্দ্ৰটোৰে ৰাতিৰ আকাশখন সঁচাই এটা অভাৱনীয় দৃশ্য, নহয়নে বাৰু? প্ৰাচীন কালৰ মানুহবোৰৰ বাবেও নিশ্চয় ৰাতিৰ আকাশখন চোৱা কামটো বেছ আনন্দকৰ কাম আছিল যিটো আনন্দ আমি আজি পাঁও টিভি চাই। তোমালোকে জানানে বাৰু চীনাসকলেই প্ৰথমে তৰাবোৰৰ পদ্ধতিগত তালিকা তৈয়াৰ কৰিছিল? খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাতে শ্বিহ শ্বেন, কান টে আৰু ৱু চিয়েন নামৰ তিনিজন জ্যোতিৰ্বিদে ইমানেই বিশদভাৱে তৰাৰ এখন তালিকা প্ৰস্তুত কৰিছিল যে তাৰপাছৰ এহেজাৰ বছৰলৈ এই তালিকা ব্যৱহাৰ হৈ আছিল। পুৰণি চীনাসকলে তাৰকাপুঞ্জ প্ৰদৰ্শনৰ বাবে বল আৰু লিংক্ পদ্ধতি প্ৰথমে আৰম্ভ কৰিছিল যিটো তৰাৰ এট্লাচবোৰত আজিও ব্যৱহৃত হয়।

তোমাৰ পৰিৱেশ

এটা নৈষ্ঠিক পতংগ

প্ৰাৰ্থনাৰ ভঙ্গীত গছত বহি থকা গাগিনী পোক এটা দেখিলেই তোমালোকে ধৰিব পাৰিবা ইয়াক প্ৰাৰ্থনা কৰি থকা পতঙ্গ বুলি কিয় কোৱা হয়। এই ক্ষীণ, সেউজীয়া পতঙ্গটোৱে ইয়াৰ আগঠেং দুখন এনেকৈ ভাজ লগাই ৰাখে যে দেখাত সি প্ৰাৰ্থনা কৰি থকা যেন লাগে। পিছে ইয়াৰ বিনয়ত তোমালোকে ভুল নাযাবা। অ বৰ ধূৰ্ত আৰু বিপদজনক পতংগ, যাৰ অভিপ্ৰায় কোনো কাৰণতে নৈষ্ঠিক নহয়। গাগিনী পোকে পতংগক প্ৰাৰ্থনা নকৰে, চিকাৰহে কৰে।

গাগিনী পোকৰ আগঠেং দুটাত তীক্ষ্ণ কাঁইট থাকে। এইবোৰে চিকাৰ পতংগটোক ধৰি ৰখাত সহায় কৰে। গাগিনী পোকে মূৰটো ওপৰলৈ কৰি, তললৈ কৰি বা কাষলৈ ঘূৰাই আৰু শৰীৰৰ বাকী অংশ লৰচৰ নকৰাকৈ গতি কৰিব পাৰে। ই এটা চিকাৰ দেখিলেই লাহেকৈ আৰু সন্তৰ্পণে আগবাঢ়ি যায়। চিকাৰটো ঢুকি পোৱা অৱস্থালৈ আহিলেই গাগিনী পোকে তাৰ আগঠেং দুখন ভিতৰ সোমাই দিয়ে আৰু হঠাতে মেলি ধৰি তাত থকা কাঁইটৰ সহায়ত চিকাৰটো জপতিয়াই ধৰে।

ফটো নামকৰণ প্ৰতিযোগিতা

ANANTA PRABHAKARA DATTU

কেইটিমান
শব্দেৰে
এই ফটো
দুখন
নামকৰণ
কৰিব
পাৰিবানে?

MAHANTESH C. MORABAD

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত: । *ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা*, জে ভি এল প্লাজা, ষষ্ঠ মহলা, ৬২৬, আন্না চালাই, টিনামপেট, চেন্নাই - ৬০০ ০১৮.
এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব ।
পুৰস্কাৰ পাওঁতা জনৰ নাম মেই সংখ্যাত প্ৰকাশ কৰা হ'ব।

জানুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজেতা

অচিৰাভ
খাউণ্ডপাৰা, দেৰগাঁও
পিন-৭৮৫৬১৪
অসম

বিজয়ী প্ৰৱিষ্টি

গৱেষণাৰ ক্লান্তি।
মানুহৰ শান্তি॥

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ :

১) কম বয়সীয়া ভেড়াৰ ডিঙিৰপৰা ছিঙা নোমেৰে তৈয়াৰী পশ্চিম উণেৰে পশ্মমিনা তৈয়াৰ কৰা হয়। ২) মোৰাদাবাদ, খোদাই কৰা কাঁহৰ পাত্ৰৰ বাবে বিখ্যাত। ৩) কাশ্মীৰ, পাৰ্চিয়ান আৰ্হিৰ বাবে বিখ্যাত। ৪) সোণ, ৰূপ, তাম, সীহ আৰু টিন। ৫) বাৰাণসীৰপৰা।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : B. Viswanatha Reddi (Viswam)

Chandamama stories explore our traditions, folk tales, mythology, history and science in an unforgettable narrative style which captures your child's imagination. Generations of children have grown up reading *Chandamama* in their native language. Subscribe today and let your child's quest for knowledge stay alive forever.

I want to subscribe to the following editions of Chandamama: (Tick all that apply)

☐ **English** ☐ **Language**........................ ☐ **Junior Chandamama**

My Name .... Date of Birth ....

Send my issues to: Mr/Ms..

Address ....

....

....

City.................. State .... Pin ....

Telephone.............. Mobile .... Email ....

Enclosed Cheque/DD* for Rupees.......................................

Cheque/DD no..................................Favouring **Chandamama India Ltd**

on .... bank. (Please add Rs 90 for non-Chennai cheques)

Your subscription will start in 4 weeks.

Please mail the subscribtion form to :
Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501) Anna Salai Teynampet, Chennai – 600 018.
Tel: (044) 24334455 Telefax: 24322103 Email: chandamama@chandamama.com Web: www.chandamama.com

*Language/edition for one year is Rs. 180. Only English: Rs. 180 for 1 year. English + any language: Rs. 360 for 1 year. English Chandamama + Junior: Rs. 360 for 1 year. English Chandamama + Junior + any language: Rs. 540 for 1 year.
*Conditions apply.

CHANDAMAMA (Assamese) March 2008 RNI No. 30278/76. Regd No. TN/CC(S)Dn/157/06-08
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08